# Assam
# Legislative Assembly Debates

## OFFICIAL REPORT

SECOND SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

## VOL. II
## NO. 11

The 25th March, 1986

सत्यमेव जयते

1989

PRINTED AT GUPTA PRINTERS, GUWAHATI-781 006

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1986

## BUDGET SESSION

## VOLUME II

## No. 11

Dated the 25th March, 1986

CONTENTS


| | | PAGES |
|---|---|---|
| 1. | Questions and Answers | 1—51 |
| 2. | Voting on Demands for Grants | 52—102 |
| 3. | Calling Attention | 102—103 |
| 4. | Matter under Rule 301 | 103 - 108 |
| 5. | Statement by Minister | 108 |
| 6. | Report of the Business Advisory Committee | 109 |
| 7. | Adjournment | 109 |

Proceedings of the Budget Session of the Assam Legislative Assembly assembled after the Eighth General Election under Sovereign Democratic Republican Constitution of India.

The House met in the Assembly Chamber, Dispur, Guwahati on Tuesday, the 25th March, 1986 with the Hon'ble Speaker in the Chair, 14 (Fourteen) Ministers, 7 (Seven) Ministers of State, and 71 (Seventy one) Members present.

## STARRED

## QUESTIONS AND ANSWERS

**Date : 25th March, 1986**

### বিঃ টংলা ভেৰগাৱ পথ

শ্ৰীদুৰ্গা দাস বড়োই সুধিছে :

*১৫২। माननीय গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) পানেৰি সমষ্টিৰ অন্তৰ্গত স্থবিৰ অথচ অতি গুৰুত্বপূৰ্ণ টংলা ভেৰগাৱ পথ ছোৱাত উন্নতি সাধন কৰিবলৈ Black-topping কৰাৰ ব্যৱস্থা লোৱা হ'ব নেকি ?

(খ) যদি হয়, কেতিয়াৰ পৰা কাম আৰম্ভ কৰা হ'ব জনাবনে ?

(গ) যদি নহয়, কিয় নহয় ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰীয়ে উত্তৰ দিছে :

১৫২। (ক)—Black-topping শিতানত থকা সিমীত পৰিমানৰ অনুদানৰ পৰা যোৱা দুটা বাৰ্ষিক কল্পনাত ৰাস্তাটোৰ উন্নতি সিমীত আঁচনি পৰ্য্যায়ক্ৰমে অনুমোদন কৰা হৈছে।

(খ)—কেতিয়াৰ পৰা আৰম্ভ হ'ব এই কথাটো নাহে যিহেতু পৰ্য্যায়ক্ৰমে কৰি থকা হৈছে। উপযুক্ত পৰিমাণৰ অনুমোদিত মঞ্জুৰীৰ দ্বাৰাহে উন্নয়নৰ গতি ক্ষিপ্ৰতৰ কৰিব পৰা যাব। অগ্ৰাধিকাৰ দিয়াৰ বাবে বিবেচনা কৰা হ'ব।

(গ)—প্ৰশ্ন নুঠে।

[illegible]

শ্ৰীনৰেণ তাঁতি—মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা আপত্তি আছে। আমাৰ প্ৰশ্নবোৰৰ পিচত মাত্ৰ দুটাকৈহে পৰিপুৰক প্ৰশ্ন সোধাৰ সুবিধা দিব লাগে। কিয়নো যোৱা কেইদিন বহুতো মাননীয় সদস্যৰ প্ৰশ্নৰ বিষয়ে আলোচনা কৰিব পৰা নহল। সেই কাৰণে মই দুখ প্ৰকাশ কৰিছো।

[illegible] দিয়ে।

শ্ৰীদূৰ্গা দাস বড়ো—অধ্যক্ষ মহোদয়, ৰাস্তা ব্লেক টপিং কৰাৰ ক্ষেত্ৰত আমি কিছুমান বৈষম্য দেখিবলৈ পাইছো। এই ক্ষেত্ৰত ঠাই বিশেষে যি বৈষম্য হৈছে তাৰ কাৰণ কি মন্ত্ৰী মহোদয়ে জানে নেকি?

শ্ৰীঅতুল বৰা (গড়কাপ্তানি মন্ত্ৰী)—অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যি যাৰ প্ৰশ্ন তুলিছে, সেই ক্ষেত্ৰত মোৰ ধাৰণা ,এইটোৱেই যে কিছুমান ৰাজনৈতিক কাৰণত হয়তো তেনে বৈষম্য হব পাৰে। কিছুমান অঞ্চলত ৰাস্তাৰ কাম বেচিকৈ হোৱা বুলি অনুমান কৰা হৈছে আৰু সেইটো হোৱাতো একেবাৰে স্বাভাবিক। মাননীয় সদস্য গৰাকীয়ে পানেৰি সমষ্টিৰ বিষয়ে যি আপত্তি দৰ্শাইছে মোৰ বোধেৰে সেইটো হব নালাগিছিল। কাৰণ, সেই সমষ্টিটোত এসময়ৰ বিধায়ক এজন গৃহমন্ত্ৰী আছিল আৰু পিচৰ জন বিধায়কো শাসকীয় দলৰেই বিধায়ক আছিল। সেই কালৰ পৰা তাত ৰাস্তাৰ অৱস্থা তেনে হব নালাগিছিল।

শ্ৰীজয়নাথ শৰ্ম্মা—মাননীয় অধ্যক্ষ মহোদয়, ব্লেক টপিং কৰাৰ ক্ষেত্ৰত যিবোৰ সমষ্টিৰ পৰা বিধায়ক হৈ আহি মন্ত্ৰী হয়, সেইবোৰ সমষ্টিতেই বেচিকৈ ব্লেক টপিং কৰা হয় আৰু যিবোৰ ঠাইৰ পৰা মন্ত্ৰী হোৱা নাই সেইবোৰ ঠাইৰ ৰাস্তা কমকৈ পকি হয়। উদাহৰণ স্বৰূপে মই দলগাওঁ কথাকে কওঁ—যোৱা চৰকাৰৰ দিনত তাৰ পৰা যি জন বিধায়ক আছিল সেইগৰাকী পিচত গড়কাপ্তানি মন্ত্ৰী হৈ সেই ঠাইত বহুতো ৰাস্তা পকা কৰি দিয়ে। আনহাতে পানেৰি সমষ্টিত তুলনামূলক ভাৱে দেখা যায় তাত ৰাস্তাৰ কাম কম হৈছে। গতিকে এই বৈষম্য কিয় মন্ত্ৰী মহোদয়ে জনাব নেকি?

শ্ৰীঅতুল বৰা (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, এই বিষয়ে মই আগতেই কৈছোৱেই। সেই কাৰণে এইবাৰো আমাৰ বিধায়ক সকলক সাবধান হবলৈ কৈছো নহলে হয়তো আকৌ সেইটোৰ পুনৰাবৃত্তি হব। ৰাস্তা পকা কৰাৰ ক্ষেত্ৰত এম, এন, পি ৰ ৰাস্তাতহে সম বিতৰণ কৰা হয়। ব্লেক টপিং আৰু গ্ৰেভেল ৰাস্তাত সেইটো নহয়। সেই কাৰণে কেতিয়াবা হয়তো অলপ বৈষম্য হব পাৰে।

শ্ৰীজয়নাথ শৰ্ম্মা—অধ্যক্ষ মহোদয়, ব্লেক টপিংৰ প্ৰত্যেক সংমণ্ডলতে কিমানকৈ টকা ধাৰ্য্য কৰা হয় সেইটো মন্ত্ৰী মহোদয়ে জনাব নে?

শ্ৰীঅতুল বৰা (মন্ত্ৰী)— সংমণ্ডল হিচাবে টকা ধাৰ্য্য কৰা নহয়। এই টকা ৰাস্তাটোৰ প্ৰয়োজনীয়তা, সেই ঠাইৰ জনবসতি, ৰাস্তাটোত দিনে কিমান গাড়ী চলে আদিৰ ওপৰত ভিত্তি কৰিয়েই পকা কৰিবলৈ লোৱা হয়।

শ্ৰীজয়নাথ শৰ্ম্মা—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কলে যে ৰাস্তাৰ প্ৰয়োজনীয়তা, গাড়ীৰ সংখ্যা আদিৰ ওপৰত ভিত্তি কৰি পকা কৰা হয়। কিন্তু দলগাওঁত এটা ৰাস্তাৰ কাৰণে মাত্ৰ এখন গাড়ীৰ পাৰ্মিট থকা অৱস্থাত ৩ কিলোমিটাৰ ৰাস্তা পকা কৰা হৈছিল। সেইটো কিয় হৈছিল ?

শ্ৰীঅতুল বৰা (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে কিছুমান ৰাজনৈতিক কাৰণত মন্ত্ৰীৰ সমষ্টিত হয়তো দুই এটা ৰাস্তা বেচিকৈ পকা কৰা হৈছিল। বৰ্ত্তমান চৰকাৰে ভবিষ্যতে তেনে কাম বন্ধ কৰিবলৈ চেষ্টা কৰিব।

Shri Binai Khungur Basumatari : Sir, the questioner and myself belong to Udalguri Subdivision. Is it a fact that per K.M. black topped road in Udalguri Subdivision is less in comparison with other subdivisions in the State ?

শ্ৰীঅতুল বৰা (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিষাৰ কথা সুধিছে তাৰ কাৰণ কি আমি নাজানো। তথাপি মই ধাৰণা কৰিছো যিহেতু ওদালগুৰিৰ পৰা বিৰোধী পক্ষৰ সদস্যাই নিৰ্বাচিত হৈ আহিছে, সেই কাৰণে সেই সমষ্টিটোক হেয় কৰিব পাৰে। আমাৰ চৰকাৰে তেনে কাম নকৰে।

শ্ৰীদুৰ্গাদাস বড়ো—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে ৰাজনৈতিক কাৰণত এনেবোৰ খেলি মেলি হোৱা বুলি কৈছে। এতিয়া মই মন্ত্ৰী মহোদয়ৰ পৰা পুনৰ আশ্বাস বিচাৰিছো যিবিলাক সমষ্টিত ইতিমধ্যে বেচি সংখ্যক ৰাস্তা পকা কৰা হৈছে, সেইবোৰ

ৰাস্তাত গুৰুত্ব কমাই দি যিবোৰ ঠাইত ৰাস্তা পকা কৰা হোৱা নাই সেইবোৰ ৰাস্তা পকা কৰাৰ ব্যৱস্থা হাতত লব লাগে। এই বিষয়ে মই মন্ত্ৰী মহোদয়ৰ পৰা আশ্বাস বিচাৰিছো।

শ্ৰীঅতুল বৰা (মন্ত্ৰী) - অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যি আশ্বাস বিচাৰিছে সেই ক্ষেত্ৰত মই তেখেতক কব পাৰো যে আমি সকলো কাম সমিল মিলৰ মাজেৰেহে কৰিবলৈ চেষ্টা কৰিম, পক্ষপাত মূলক কাম এই চৰকাৰে নকৰে।

শ্ৰীআব্দুল জব্বাৰ —অধ্যক্ষ মহোদয়, দলগাওঁ সমষ্টিৰ কথা বৰকৈ আলোচনা হোৱাৰ কাৰণে আৰু যিহেতু মই সেই সমষ্টিৰে বিধায়ক, সেই কাৰণে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে তাত কোন কোন ৰাস্তা পকা কৰিবলৈ লোৱা হৈছে সেইটো জনাব নে? খাৰুপেটিয়াৰ পৰা ওডালগুৰিলৈকে যোৱা ৰাস্তাটোত বৰ্ত্তমানে পকা কৰাৰ কাম চলি আছে। এই ৰাস্তাটো বৰ গুৰুত্বপূৰ্ণ আৰু ই দুটা সমষ্টিত পৰে। এনে ক্ষেত্ৰত এই ৰাস্তাটোৰ কাম যদি বন্ধ হৈ যায় তেনেহলে বৰ অসুবিধা হব। ইয়াৰ বাহিৰে আৰু ক'ত ক'ত ৰাস্তা পকা কৰাৰ কাম হাতত লৈছে সেইটো জনালে সুবিধা হয়।

শ্ৰীঅতুল বৰা (মন্ত্ৰী) —অধ্যক্ষ মহোদয়, আমি পক্ষপাত মূলক কাম নকৰো। গতিকে চিন্তাৰ কাৰণ নাই।

## বিঃ বিলাসীপাৰা উন্নয়ন খণ্ড

শ্ৰীইউচুফ আলি আহমেদে সুধিছে:

*১৫৩। মাননীয় গ্ৰামীন উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে —

(ক) ১৯৮৪-৮৫ আৰু ১৯৮৫-৮৬ চনৰ বিলাসীপাৰা উন্নয়ন খণ্ডৰ অন্তৰ্গত এন, আৰ, ই, পি আৰু আৰ, এল, ই, জি, পি, আচনিত মঞ্জুৰীকৃত কাম বিলাক সম্পূৰ্ণ হৈছেনে?

(খ) যদি হোৱা নাই, তাৰ ব্যৱস্থা হাতত লোৱা হবনে?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (গ্ৰামা উন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে:

১৫৩। (ক)—১৯৮৪-৮৫ আৰু ১৯৮৫-৮৬ চনৰ বিলাসীপাৰা উন্নয়ন খণ্ডৰ অন্তৰ্গত এন, আৰ, ই, পি, আৰু আৰ, এল, ই, জি, পি আঁচনিৰ মঞ্জুৰীকৃত কিছু কাম এতিয়াও সম্পূৰ্ণ হৈ উঠা নাই।

(খ)—এই কামবোৰ সম্পূৰ্ণ কৰাৰ কাৰণে ইতিমধ্যে যথাবিহীত ব্যৱস্থা হাতত লোৱা হৈছে।

শ্ৰীকমলা কলিতা: ১৯৮৪-৮৫, ১৯৮৫-৮৬ যিবিলাক কাম এন, আৰ, ই, পি আৰু আৰ, এল, ই, জি, পি আচনিৰ দ্বাৰা কৰা হৈছে বিশেষকৈ স্কুলসমূহ যি কাম কৰিছে সেই কাম সম্পূৰ্ণ হৈ উঠা নাই আৰু যিখিনি পইচা মঞ্জুৰ কৰা হৈছিল, সেই মঞ্জুৰীৰ টকা সম্পূৰ্ণ হৈ গৈছে। এই স্কুলসমূহ সম্পূৰ্ণ কৰিবৰ কাৰণে চৰকাৰৰ কিবা আঁচনি আছে নেকি?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (গ্ৰামোন্নয়ন মন্ত্ৰী): এই ক্ষেত্ৰত মই জনাব বিচাৰিছো যে প্ৰত্যেকখন স্কুলত এন, আৰ, ই, পিৰ পৰা ৪৫ হাজাৰ টকা দিয়া হয়। এই টকাৰে স্কুলঘৰ সম্পূৰ্ণৰূপে মেৰামতি হোৱা নাই—যিহেতু এই টকাৰে পকা ভেটি স্থাপন কৰিব লাগে, দুৱাৰ খিৰিকী বনাব লাগে। গতিকে গোটেই স্কুল ঘৰৰ নিৰ্ম্মাণ নহয়। লগতে টিনপাতৰো ব্যৱস্থা কৰিব লাগে। সেই স্কুলবিলাক ৰাইজৰ দান বৰঙণীৰ সৈতে নিৰ্ম্মাণ কৰাৰ ব্যৱস্থা কৰা হয়। এই ব্যৱস্থাটো ইতিমধ্যে কৰিবৰ বাবে জিলা কৰ্তৃপক্ষক নিৰ্দ্দেশ দিয়া হৈছে।

Shri Ardhendu Kumar Dey: Sir, it is found that at Lumding Constituency under R. L. E. G. P. one School was provided more than Rs. 12,000/- but on enquiry it was found that no material was supplied for that school and there is another place at Khanga road for which already Rs. 15,000/- has been spent. Whether it is within the knowledge of the Hon'ble Minister?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী): যিটো প্ৰশ্ন কৰিছে, সেই ধৰণে এঠাইতে হোৱা নাই, বিভিন্ন ঠাইত হৈছে। কিয় হৈছে নাজানো, হব নালাগিছিল। কিন্তু এতিয়াৰ পৰা যাতে নহয়, তাৰ বাবে চৰকাৰৰ তৰফৰ পৰা সকলো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিম।

Shri Ardhendu Kumar Dey: Will the Minister in Charge note the names of those places?

Mr. Speaker: A separate question is required for that.

শ্ৰীকুমাৰ দীপক দাস: বৰপেটাৰ ভবানীপুৰ ব্লকৰ অধীনত এন, আৰ, ই, পি, আৰ, এল, ই, জি, পি আচনিত এখন দলং নিৰ্ম্মাণ হৈছিল। দলং খনৰ ইফালেও ৰাস্তা নাই আৰু সিফালেও ৰাস্তা নাই। গতিকে দলং খন ৰাইজৰ উপযোগী কৰিবৰ কাৰণে কামটো আগবঢ়াই নিবনে?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) : এইটো এটা স্বকীয়া প্ৰশ্ন ।

শ্ৰীদুৰ্গাদাস বড়ো : শুনিবলৈ পাইছো জিলাৰ এন, আৰ, ই, পিৰ ষ্টেয়াৰিং কমিটিৰ পৰা বিধায়কসকলক বাদ দিয়া হৈছে। তাৰ পিছত মঙ্গলদৈ জিলাৰ প্ৰজেক্ট ডিৰেক্টৰ জনে বি, ডি, অই টকাটো ৰিলিজ কৰাৰ আগতে শতকৰা দহ ভাগ কাটি ৰাখে বুলি ঠিকাদাৰ কেইজনমানে আপত্তি দিছে। মই বিভাগীয় মন্ত্ৰীৰ পৰা এই সম্পৰ্কে জানিব বিচাৰিছো।

মাননীয় অধ্যক্ষ : এইটো এটা স্বকীয়া প্ৰশ্ন।

শ্ৰীহেমেন দাস : এন, আৰ, ই, পিৰ কাম ঠিকাদাৰৰ দ্বাৰা কৰিব নোৱাৰে। তেনেস্থলত যেতিয়া ঠিকাদাৰৰ প্ৰশ্ন আহিছে, চৰকাৰে গভীৰভাৱে বিবেচনা কৰিব লাগে।

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) : যদি ঠিকাদাৰক দিয়া হৈছে, তেতিয়াহলে বেয়া কথা হৈছে। এন, আৰ, ই, পিত প্ৰগ্ৰেম লোৱা হয় তুখীয়া ৰাইজক সহায় কৰিবৰ কাৰণে। এখন স্কুলৰ শতকৰা ৫০ ভাগ খৰচ কৰা হয় তুখীয়া মানুহৰ শ্ৰমৰ যোগান ধৰিবৰ বাবে। এই ক্ষেত্ৰত নিশ্চয় এটা বিহিত ব্যৱস্থা গ্ৰহণ কৰিম।

শ্ৰীদুৰ্গাদাস বড়ো : স্থানীয় বিধায়কক ৰাখিব নে উইড্ৰ কৰিব ?

শ্ৰীহেমেন দাস : আচনিখন সৃষ্টি কৰা হৈছে গাৱঁৰ অতি নিস্ব মানুহখিনিক কেইদিন মানৰ কাম দিবৰ বাবে। কোনো ঠিকাদাৰক কাম দিয়াৰ কাৰণে এই আচনিৰ সৃষ্টি হোৱা নাই। চৰকাৰে গোটেই বিষয়টো ভালদৰে হাতত লব লাগে। ইয়াত ঠিকাদাৰ আহিব নোৱাৰে আৰু সেই উদ্দেশ্যত ভাৰত চৰকাৰে চেংচন দিয়া নাই। গতিকে নীতি ভঙ্গ কৰা কাৰ্য্যবিলাক চাব লাগে।

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) : আগতে হৈছিল আৰু বহুত কিবা কিবি হৈছিল। কোনো ঠিকাদাৰে এই আচনিত হাত দিব নোৱাৰে। গাৱঁৰ ৰাইজৰ মঙ্গলৰ কাৰণে হব।

শ্ৰীহেমেন দাস : মই সিদিনা বৰপেটালৈ গৈছিলো। ৰাস্তা বন্ধাৰ কাম ঠিকাদাৰক দিছে। চৰকাৰী নিয়ম মতে এক হাজাৰ মাটি কাটিলে ১২০ টকা পাব লাগে। কিন্তু ঠিকাদাৰে হাজাৰত ৭০-৮০ টকা দি হাজাৰে প্ৰতি ৫০ টকা লাভ কৰি আছে। এই চৰকাৰৰ দিনতো এই কাণ্ড চলি আছে। চৰকাৰে নিকা প্ৰশাসন কৰাৰ কথা মানি লৈছে, দৰিদ্ৰ জনসাধাৰণক সেৱা কৰাৰ কথা মানি লৈছে যেতিয়া এই বিলাক

বন্ধ কৰক। মই নিজে কেচ ধৰিছো হাজাৰে প্ৰতি ৫০ টকা লাভ কৰিছে শ্ৰমিকক বঞ্চিত কৰি। ইয়াত বহুত গৰীব মানুহৰ প্ৰশ্ন জৰিত আছে।

Shri Charan Narzari : It appears that the functioning has not been changed as yet—still functioning in the same way,

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) : ব্লক আছে, ডি, চি আছে, ষ্টেয়াৰিং কমিটি আছে। এই ব্যৱস্থা গ্ৰহণ কৰিম।

শ্ৰীজয়নাথ শৰ্ম্মা : বিলাসীপাৰা উন্নয়ন খণ্ডৰ অন্তৰ্গত এন, আৰ, ই, পি আৰু আৰ, এল, ই, জি, পি আচনিৰ মঞ্জুৰীকৃত কিছু কাম এতিয়াও সম্পূৰ্ণ হৈ উঠা নাই বুলি কৈছে। অকল বিলাসীপাৰা উন্নয়ন খণ্ডৰ কেচ নহয়, এনে ধৰণৰ ঘটনা সমগ্ৰ অসমত হৈ আছে। কাম নিৰ্দ্দিষ্ট সময়ৰ ভিতৰত সম্পূৰ্ণ নহয়, তাৰ বাবে দোষী কোন? ইয়াৰ বাবে দোষীসকলক শাস্তি দিয়াৰ ব্যৱস্থা কৰিবনে নাই? দ্বিতীয়তে এন, আৰ, ই, পি আচনিত দলং বনোৱা হয়নেকি? যদি দলং বনোৱা হয়, তেন্তে গাৱঁৰ হোজা মানুহে দলঙৰ হিচাবৰ বাবে বা হিচাব অনুসৰি দলং কেনেকৈ বনাব—উক্ত আচনিৰ বেচিক ফৰ্ম্মোলা ভুল হয় নে নহয়? যদি ভুল হয় বিকল্প ব্যৱস্থা এটা চৰকাৰে কৰিবনে নকৰে?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) : এইটো চেণ্ট্ৰেল গৱৰ্ণমেণ্টৰ প্ৰগ্ৰেম। ষ্টেট গৱৰ্ণমেণ্টে প্ৰকৃততে একো কৰিব নোৱাৰে। চেণ্ট্ৰেল গৱৰ্ণমেণ্টৰ আচনি এই কামত প্ৰযোজ্য হয়।

শ্ৰীজয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, মই প্ৰথম প্ৰশ্ন উত্তৰত বিচাৰিছিলো কাম সম্পূৰ্ণ নোহোৱাৰ কাৰণ কি? কাম সম্পূৰ্ণ নোহোৱাৰ কাৰণে দায়ী কোন? এই দায়ী বিলাকৰ ওপৰত শাস্তিৰ ব্যৱস্থা কৰিবনে? নিৰ্দ্ধাৰিত সময় সীমাৰ ভিতৰত কিয় কাম নহয়? Who is responsible and what action has been taken by Government?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (গ্ৰাম্য উন্নয়ন মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এইটো আগতে হোৱা নাছিল এতিয়া হব লাগিব। বেয়া কাম কৰা বিলাকক ভাল কাম কৰিবলৈ শিকাব লাগিব। গোটেইখিনি 'চেঞ্জ' এদিনতে নহয়, আমাৰ তৰফৰ পৰা বিহিত ব্যৱস্থা গ্ৰহণ কৰি আছোঁ। আমাৰ গড়কাপ্তানী বিভাগৰ মন্ত্ৰীয়ে এখন কমিটিও পাতি দিছে। তেখেতসকলে দলং আদি কত কি কেনেকৈ কৰিব পাৰি, বনাব পাৰি, সেই ক্ষেত্ৰত এটা স্কীম কৰি এখন কেবিনেট মেম'ৰেণ্ডাম কৰিছে।

শ্রীজয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, টকা মঞ্জুৰ হোৱাৰ পিচত কাম হৈছে নে নাই সেইটো কেতিয়াও কিয় চোৱা নহয় ?

শ্রীললিত চন্দ্র ৰাজখোৱা (গ্রাম্য উন্নয়ন মন্ত্রী) : অধ্যক্ষ মহোদয়, এইটো অকল মন্ত্রী মহোদয়ে চালেই নহব, বিধায়কসকলো আছে তেওঁলোকেও চাব লাগে ।

( সদনত হাঁহিৰ ৰোল ভালকৈ শুনা নাযায় ) ।

শ্রীদুর্গাদাস বড়ো : অধ্যক্ষ মহোদয়, মই মোৰ প্রশ্নৰ উত্তৰ নোপোৱাকৈয়ে আৰু বেলেগ বহুতে প্রশ্ন উত্তৰ পালে । মই প্রশ্ন কৰিছিলো জিলা ষ্টিয়েৰিং কমিটি বিলাকত বিধায়ক সকলক ৰখা হৈছে নে নাই ?

শ্রীগোলোক ৰাজবংশী : অধ্যক্ষ মহোদয়, এই এন, আৰ, ই, পি আদি আচনি বোৰৰ এটা চেন্ট্রল গাইড লাইন আছে । সেই হিচাপে আধাখিনি টকা ব্লকে কামত লগায় আৰু বাকী ৩০-৪০ ভাগ টকা মঞ্জুৰীৰ বাবদ খৰছ কৰে । আজি মন্ত্রী মহোদয়ে কৈছে যে বিধায়ক সকল আছে তেওঁলোকেও চাব লাগে কিন্তু এতিয়া কথা হল এই বিধায়ক সকল থকা ব্যৱস্থাটোৰেই হল ষ্টিয়েৰিং কমিটি গতিকে এই ষ্টিয়েৰিং কমিটিত বিধায়ক সকলক ৰখা হৈছে নে নাই ?

শ্রীললিত চন্দ্র ৰাজখোৱা (গ্রাম্য উন্নয়ন মন্ত্রী) : অধ্যক্ষ মহোদয়, বিধায়ক সকলৰ এইটো দায়িত্ব, তেওঁলোক বাউণ্ড । এখন কমিটি গঠন কৰি দিয়া হৈছে । আৰু তুজন বিধায়ক তাৰ চেয়াৰমেনো ।

শ্রীদুর্গাদাস বড়ো : অধ্যক্ষ মহোদয়, মই (সদনত বিৰাট হাহি, একো ভালকৈ শুনা নগল ) মই কৈছোঁ যে জিলা বিলাকত থকা ষ্টিয়েৰিং কমিটীৰ কথা, কিন্তু মন্ত্রী মহোদয়ে কলে, ডি, এল, চি, চি ৰ কথা । গতিকে মই কৈছো মন্ত্রী মহোদয়ে সদনক বিপথে পৰিচালিত কৰিব খুজিছে ।

মাননীয় অধ্যক্ষ : বড়ো ডাঙৰীয়াৰ প্রশ্ন মতে ষ্টিয়েৰিং কমিটীত বিধায়ক সকলক ৰখা হৈছে নে নাই সেইটো মন্ত্রী মহোদয়ে এতিয়া কব পাৰিবনে ?

শ্রীললিত চন্দ্র ৰাজখোৱা (গ্রাম্য উন্নয়ন মন্ত্রী) : অধ্যক্ষ মহোদয়, এই বিষয়ে মই পিচত জনাম ।

## বি : অভাৰ ব্ৰীজ নিৰ্ম্মাণ

শ্ৰীময়িতুল ইছলাম বৰাই সুধিছে :

*১৫৪। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথৰ চাংচাৰী (কুকুৰা কাটা চকী) ত ৰেলৱে লেভেল ক্ৰছিংত দুৰ্ঘটনাৰ পৰা হাত সৰাৰ লগতে সেই পথেৰে যাতায়ত কৰা যাত্ৰীৰ সুবিধাৰ্থে অভাৰব্ৰীজ এখন নিৰ্ম্মাণৰ বিষয়ে চৰকাৰে কোনো ধৰণৰ ব্যৱস্থা লৈছেনে ?

(খ) যদিহে লোৱা নাই, সেই ঠাইত এখন অভাৰ ব্ৰীজ নিৰ্মাণৰ ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

১৫৪। (ক)—হয়। আচনি লোৱা হৈছে। এই ক্ষেত্ৰত এন, এফ, ৰেলৱে বিভাগ আৰু নিউ দিল্লীৰ ৰোড ডেভেলপমেন্ট বিভাগৰ ডিৰেক্টৰ জেনেৰেলৰ লগত কামত আগবঢ়াৰ বাবে যোগাযোগ কৰি থকা হৈছে।

**(খ)**—প্ৰশ্ন নুঠে।

শ্ৰীময়িতুল ইছলাম বৰা : অধ্যক্ষ মহোদয়, যদি এনে আচনি লোৱা হৈছেই তেনে হলে এই আচনিখন কিমান সময়ৰ ভিতৰত কাৰ্য্যকৰী হব পাৰে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) : অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰৰ ডাইৰেক্টৰ জেনেৰেলৰ ৰো'ড পৰা ডেভেলাপমেন্টৰ এপ্ৰোভেলৰ কাৰণে গৈছে। এপ্ৰভ কৰা হোৱা নাই, আচনিহে লোৱা হৈছে। এপ্ৰভ হলেই বাকী কামত আগবাঢ়িব পৰা যাব।

শ্ৰীঅমৃত লাল বসুমতাৰী : অধ্যক্ষ মহোদয়, বঙাইগাৱৰ ৰেল ক্ৰছিঙৰ ওপৰত অভাৰ ব্ৰীজ দিয়া কথা মন্ত্ৰী মহোদয়ে ভাবিছে নেকি ?

শ্ৰীঅতুল বৰা (গড় কাপ্তানী মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এইটো বেলেগ প্ৰশ্ন হয়, তথাপি সুধিছে যেতিয়া মই কওঁ সেইটো এতিয়া লোৱা হোৱা নাই। ইতিমধ্যে বঙাইগাৱৰ বিধায়কে মোক লগ ধৰি কৈছে। এইটো প্ৰয়োজনীয় কথা গতিকে চিন্তা কৰি চোৱা হব। ধন্যবাদ।

## বি ঃ ঔষধৰ মানদণ্ড

শ্ৰীকমলা কলিতাই সুধিছে ঃ

★১৫৫। মাননীয় ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে —

(ক) ঔষধ সমূহৰ মানদণ্ড নিম্নমানৰ হোৱা অভিযোগৰ পৰিপ্ৰেক্ষিতত চিকিৎসালয় সমূহত যোগান দিয়া ঔষধ সমূহৰ মানদণ্ড পৰীক্ষা কৰিবৰ বাবে অসমত চৰকাৰৰ নিজা Drug Analytical Laboratory এটা স্থাপন কৰিবনে ?

(খ) যদি কৰে কেতিয়াকৈ কৰিব জনাবনে ?

শ্ৰীযতীন মালি (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

১৫৫। (ক)—ঔষধ সমূহৰ মানদণ্ড পৰীক্ষা কৰিবৰ বাবে অসম চৰকাৰৰ নিজাকৈ এটা ঔষধ বৈশ্লেষিক প্ৰয়োগ শালা স্থাপন কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ আৰ্থিক সহায়ত এটা ঘৰ গুৱাহাটীৰ পাঞ্জাবাৰীত সাজি তোলা হৈছে।

(খ)—প্ৰশ্ন নুঠে।

ডঃ কমলা কলিতা ঃ—অধ্যক্ষ মহোদয়, আমাৰ মন্ত্ৰী মহোদয়ে জনাবনে যে কিছুমান ঔষধ যেনে এম, পি, চিলিন পাউডাৰ কে, জি হিচাপে বাহিৰৰ পৰা কিনি আনি ইয়াত কিছুমান ব'গাচ লেবৰেটৰীত সেইবোৰ খুলি আমাৰ চিকিৎসালয় আদিলৈ যোগান দিয়া হয় এইটো মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ হৈছে নে ?

শ্ৰীযতীন মালি (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, নিৰ্দ্দিষ্ট অভিযোগ থাকিলে চৰকাৰে সেই সম্পৰ্কে বিবেচনা কৰিব।

শ্ৰীজয়নাথ শৰ্ম্মা ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে প্ৰশ্নৰ উত্তৰত কৈছে যে ঔষধ বৈশ্লেষিক প্ৰয়োগ শালা স্থাপন কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ আৰ্থিক সহায়ত এটা ঘৰ গুৱাহাটীৰ পাঞ্জাবাৰীত সাজি তোলা হৈছে। যদি ঘৰটো সাজি তোলা হৈছেই তেন্তে তাত কাম আৰম্ভ হোৱা নাই কিয় ?

শ্ৰীযতীন মালি (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, সদস্য গৰাকীৰ প্ৰশ্নৰ উত্তৰত মই কৈছো যে কেন্দ্ৰীয় চৰকাৰৰ আৰ্থিক সাহায্যত এটা ঔষধ প্ৰয়োগ শালা গুৱাহাটীৰ পাঞ্জাবাৰীত সাজি তোলা হৈছে। ঘৰটো এতিয়া কেন্দ্ৰীয় চৰকাৰৰ সংৰক্ষিত আৰক্ষী বাহিনীৰ অধীনত আছে। স্বাস্থ্য বিভাগে ঘৰটো খালী কৰিবৰ

কাৰণে বিভাগক অনুৰোধ জনাই আছে। আৰক্ষী বিভাগে যেতিয়া ঘৰটো খালী কৰি দিব তেতিয়া আৰু লোক সেৱা আয়োগে যেতিয়া উপযুক্ত ঔষধ বিশ্লেষকৰ ব্যৱস্থা কৰিব তেতিয়াই চৰকাৰে বৈশ্লেষিকৰ কাম আৰম্ভ কৰিব পাৰিব। কিন্তু অসম লোক সেৱা আয়োগে তিনিবাৰ বিজ্ঞাপন দিও উপযুক্ত ঔষধ বিশ্লেষক পোৱা নাই। চৰকাৰে ইতিমধ্যে ব্যৱস্থা লৈছে।

শ্ৰীজয়নাথ শৰ্ম্মা: অধ্যক্ষ মহোদয়, ড্ৰাগ এনালিটিকেল লেবৰেটৰীটো চি, আৰ, পি এনালিটিকেল লেবৰেটৰী হিচাপে ব্যৱহাৰ কৰি আছে, গতিকে মন্ত্ৰী মহোদয়ে ২৪ ঘণ্টাৰ ভিতৰত এইটো খালী কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীযতীন মালি (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী): অধ্যক্ষ মহোদয়, ড্ৰাগ এনালাটিকেল লেবৰেটৰীটো চি, আৰ, পি লেবৰেটৰী হিচাপে ব্যৱহাৰ কৰা হোৱা নাই, কিন্তু এইটো সচা যে ঘৰটো এতিয়াও ড্ৰাগ এনালাইটিকেল লেবৰেটৰী হিচাপে উদ্বোধন কৰা হোৱা নাই।

Dr. Ardhendu Kumar Dey—Whether it is in the knowledge of the Minister that many Ayurvedic medicines are manufactured by many bogus companies in Assam ?

শ্ৰীযতীন মালি (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীক ধন্যবাদ জনাইছো। তেখেতে যি প্ৰশ্ন কৰিছে এই প্ৰশ্নটো স্থকীয়া প্ৰশ্ন।

শ্ৰীস্বৰূপ উপাধ্যায়: মাননীয় অধ্যক্ষ মহোদয়, ঔষধৰ বিষয়ে লক্ষ্য কৰিলে দেখা যায় হস্পিটেলত এখন প্ৰেচক্ৰিপ্‌শন দিয়া হয়। কিন্তু তাৰ পৰা ঔষধ দিয়া নহয়। বিনামুলীয়াকৈ ঔষধ দিয়াৰ ব্যৱস্থা আছে যদিও ৰোগীয়ে ঔষধ বিচাৰি নেপায়। সেই কাৰণে স্বাস্থ্য মন্ত্ৰী দপ্তৰৰ প্ৰত্যেক দিচপেন্‌চেৰীৰ জৰিয়তে বিনামূলীয়াকৈ ঔষধ দি তাৰ তালিকা দিবলৈ নিৰ্দ্দেশ দিব পাৰিব নেকি ?

শ্ৰীযতীন মালি (মন্ত্ৰী): অধ্যক্ষ মহোদয়, বিনামূলীয়াকৈ ৰোগীয়ে যাতে ঔষধ পায় তাৰ বাবে চৰকাৰে নিৰ্দ্দেশ দিছে।

শ্ৰীস্বৰূপ উপাধ্যায়: মাননীয় অধ্যক্ষ মহোদয়, প্ৰত্যেক দিচপেন্‌চেৰীত কি কি ঔষধ দিছে তাৰ হিচাব ৰাখিবৰ বাবে হস্পিটেল বিলাকক নিৰ্দ্দেশ দিব নে? ৰোগী বিলাকে কি কি ঔষধ পাইছে তাক চাই ঔষধৰ হিচাব ৰখাৰ ব্যৱস্থা কৰিলে ভাল হয়।

শ্ৰীযতীন মালি ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়. প্ৰত্যেকখন হস্পিটেলত কি কি ঔষধ থাকিব লাগে তাৰ নতুনকৈ নিৰ্দ্দেশ দিয়াৰ প্ৰয়োজন নাই বুলি মই ভাবিছো। ইতিমধ্যে কি কি ঔষধ থাকিব তাৰ এনকুইৱাৰী কৰি লগে লগে বিহিত ব্যৱস্থা লোৱা হয়।

শ্ৰীদীলিপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, দেট এক্সপেয়াৰী ঔষধ বিলাক কি কৰা হয় ?

শ্ৰীযতীন মালি ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, এই বিষয়ত বিশেষ নিৰ্দ্দেশ যদি থাকে সেই সম্পৰ্কে চৰকাৰে বিবেচনা কৰিব।

SHRI ARDHENDU KUMAR DEY—Sir, it's a very vital question that the medicines which are supplied to the Hospitals—whether the Hon. Minister in Charge Health will assure that for proper treatment of patients supply of medicines will be made as per the demands to the hospitals, and if not, whether the Doctors in charge of the hospitals will be empowered to purchase locally to provide medicines required by patients concerned ?

শ্ৰীযতীন মালি ( মন্ত্ৰী) : অধ্যক্ষ মহোদয়, প্ৰশ্নকৰ্ত্তাজনে নিজে এটা কথা উপলব্ধি কৰিছে যে এইটো অতি গুৰুত্বপূৰ্ণ বিষয়। এই সম্পৰ্কে এতিয়া জানিছো আৰু চৰকাৰে প্ৰয়োজনীয় ব্যৱস্থা হাতত লব।

শ্ৰীহলিৰাম টেৰাঙ : মাননীয় অধ্যক্ষ মহোদয়, অসমত ভাল লেব'ৰেটৰী নাই। অসমৰ বাহিৰৰ পৰা আহি ড্ৰাগ এনালাইচিত বনাই দিছে। কিন্তু ইতিমধ্যে তাত চি, আৰ, পি, সোমাই আছে। তাৰ পৰা এই চি, আৰ, পি, উঠাই দিয়াৰ সোনকালে ব্যৱস্থা লব নেকি ?

শ্ৰীযতীন মালি (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, চৰকাৰে ইতিমধ্যে প্ৰয়োজনীয় পদক্ষেপ লবৰ বাবে এই বিষয়ত অগ্ৰসৰ হৈছে।

শ্ৰীআব্দুল জলিল ৰাগিবী : মাননীয় অধ্যক্ষ মহোদয়, এই সদনত দৰবৰ বিষয়ে আলোচনা হৈছে। আজি অসমৰ বিভিন্ন ঠাইত উপ স্বাস্থ্য কেন্দ্ৰ আছে। সেই উপ স্বাস্থ্য কেন্দ্ৰ বিলাকত ডাক্তৰ দিয়াৰ ব্যৱস্থা কৰিছে নেকি ? গোটেই অসমতে চাৰ চেন্টাৰ আছে। কিছুমানত নাৰ্চ নাই।

শ্ৰীযতীন মালি (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই বিষয়ত বেলেগ প্ৰশ্ন হব।

শ্ৰীঅভিজিত শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, আজি যিমানবিলাক প্ৰশ্ন আছে, সেই সকলোবিলাক শেস নহব পাৰে। মোৰ গুৰুত্বপূৰ্ণ প্ৰশ্ন উৎথাপন কৰা হৈছে। গতিকে মই মাননীয় অধ্যক্ষ মহোদয়ক অনুৰোধ কৰিছো যাতে প্ৰশ্ন বিলাক সোনকালে শেষ কৰা হয়।

মাননীয় অধ্যক্ষ : সেই কাৰণে মাননীয় সদস্য সকলে কম সংখ্যক ভাবে প্ৰশ্ন কৰাৰ কাৰণে চাব।

শ্ৰীঅভিজিত শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়; সেই দিনাও মোৰ গুৰুত্বপূৰ্ণ প্ৰশ্ন সদনত উৎথাপন কৰা নহল। গতিকে আজিও তেনেকুৱা হলে মই বৰ দুখ পাম।

মাননীয় অধ্যক্ষ : মই সকলো মাননীয় সদস্যকে অনুৰোধ কৰিছো তেখেত সকলে এই বিষয়ে উপলব্ধি কৰিলে ভাল হয়।

## Re : All Weather Road

Shri SHEIKH ABDUL HAMID Asked :

*196. Will the Minister, P. W. D. be pleased to state :

(a) Is it a fact that the Government is goiing to construct an all weather road along with the Assam Bangladesh Border ?

(b) If so, the length, breath and height of the proposed border road and the estimated total expenditure ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

১৫৬। (ক)—অসম বাংলাদেশ সীমান্তত পথ নিৰ্ম্মাণৰ কথা বতৰা চলি আছে, কিন্তু এতিয়ালৈ কে কি ধৰণৰ পথ হব এই বিষয়ে খাটাং সিদ্ধান্ত একো হোৱা ন্যই।

(খ)—ওপৰৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

SHEIKH ABDUL HAMID—Hon. Speaker sir, may I know from the Hon. Minister, P.W.D. whether the Government will be required to shift the population to be affected by the proposed border road construction and if so whether any compensation will be paid to those affected ?

শ্ৰীঅতুল বৰা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই ৰাস্তাত যিখিনি ভাৰতীয় মানুহ আছে আৰু তেওঁলোক উচ্ছেদ হব, তেওঁলোকৰ কাৰণে ক্ষতিপূৰণ দিয়াৰ বাবে চিন্তা কৰিব লাগিব। যিখিনি বিদেশী মানুহ আছে সেইখিনিৰ কথা আমি নাভাবো।

Starred question No. 157 was not put—member being absent.

Re : Golaghat Sub-division

Shri DEBESWAR BORA asked :

*158- Will the Minister, Panchayat be plesed to state—

Has the Government taken any measure to increase the number of Blocks in Golaghat Sub-Division ?

Shri CHANDRA ARANDHARA (Minister, Panchayat) replied :

158.—A proposal for increasing the number of Development Blocks in the whole of the State including the Golaghat Subdivision, is under examination by the Government.

শ্ৰীদেবেশ্বৰ বৰা : মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে কেতিয়া কৰা হব ?

শ্ৰীচন্দ্ৰ আৰণধৰা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, বাজেট অধিবেশনৰ ভিতৰতে পঞ্চায়ত বিলখন ডাঙি ধৰিম। এই পঞ্চায়ত বিল শিতানত, সদনৰ ভিতৰতে কাৰ্য্যকৰী ব্যৱস্থা লোৱা হব।

বিঃ ব্ৰহ্মপুত্ৰৰ পাৰত মথাউৰী নিৰ্ম্মাণ

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতাই সুধিছে :

*১৫৯। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ধাৰাপুৰৰ পৰা গড়লহৈ কেন্দুকুছিলৈ ব্ৰহ্মপুত্ৰৰ পাৰত মথাউৰী দিয়াৰ আঁচনি লৈছে নেকি ?

(খ) যদি লোৱা নাই, কিয় ?

শ্ৰীভৰত নৰহ (বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

**১৫৯। (ক)—নাই।**

(খ)—প্লাৱনৰ পৰিমাণ নিচেই কম হোৱাৰ বাবে বৰ্ত্তমান মথাউৰীৰ আৱশ্যকতা অনুভৱ কৰা নাই।

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা—মাননীয় অধ্যক্ষ মহোদয়, ধাৰাপুৰৰ পৰা গড়লহৈ কেন্দুকুছিলৈ ব্ৰহ্মপুত্ৰৰ পাৰত মঠাউৰি নিদিয়াৰ ফলত ৬, ৭ খন গাওঁ ব্ৰহ্মপুত্ৰ নদীয়ে অন্যায় কৰিছিল। অহা বছৰেও বাৰিষাৰ দিনত কেইখনমান গাওঁ এনেধৰণে ব্ৰহ্মপুত্ৰৰ বুকুত লীন যাব। ইতিমধ্যে দুই এক বছৰ পাচত যিখন বিমান বন্দৰ আছে সেইখনো ব্ৰহ্মপুত্ৰৰ বুকুত লীন যোৱাৰ বিষয় হৈছে। গতিকে এনেকুৱা বিষয়ত চৰকাৰে কিয় ব্যৱস্থা লোৱা নাই তাৰ বাবে সচাকৈ দুখ লাগে। এই বিষয়ে চৰকাৰে ব্যৱস্থা লব নেকি ?

শ্ৰীভৰত নৰহ (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যি কৈছে, আমি একো কৰা নাই, একেবাৰে একো নকৰা নহয়। তেখেতে ধাৰাপুৰৰ পৰা গড়ল হৈ কেন্দুকুছিলৈ ব্ৰহ্মপুত্ৰৰ পাৰত মথাউৰি দিয়াৰ আঁচনিৰ কথা কৈছে যদিও তাত ১ হেজাৰ ৫শ টকা উন্নয়নৰ কামৰ কাৰণে প্ৰস্তুত কৰা হৈছে। আনহাতে গড়াখহনীয়াৰ বাবে আঁচনি কৰা হৈছে আৰু তাক শিলেৰে ৰাখিব পাৰিলে ভাল হয়। ইয়াৰ বাবে ১২ লাখ টকাৰ আঁচনি লোৱা হৈছে। মাননীয় সদস্য গৰাকীয়ে এই বিষয়ে দৃষ্টি গোচৰ কৰাৰ কাৰণে তেখেতক ধন্যবাদ জনাইছো।

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা : মাননীয় অধ্যক্ষ মহোদয়, প্ৰথম আঁচনি কি লৈছিল অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীভৰত নৰহ (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই বিষয়ে মই পিচত জনাব পাৰিম।

Starred question No. 160 was not put—member being absent.

বিঃ সমবায় সমিতিৰ সম্পাদক নিযুক্তি

শ্ৰীআব্দুল জলিলে সুধিছে :

*১৬১। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ব্যৱস্থাপন সংবৰ্গৰ যোগেদি নিযুক্তি পোৱা আৰু গাওঁ পঞ্চায়ত পৰ্য্যায়ৰ প্ৰাইমাৰী সমবায় সমিতিত কাম কৰি থকা সম্পাদক বৰ্ত্তমান কিমানজন আছে ?
এই সম্পাদক সকলৰ শিক্ষাগত অৰ্হতা কি কি আৰু কিবা প্ৰশিক্ষণ দিয়া হয় নেকি ?

(খ) এই সম্পাদক সকলে তেওঁলোকৰ চাকৰি চৰকাৰীকৰণ কৰিবলৈ আৰু সমবায় বিভাগৰ কনিষ্ঠ পৰিদৰ্শক কিম্বা হিচাব পৰীক্ষকৰ সমমৰ্য্যদা দিবলৈ চৰকাৰৰ ওচৰত দাবী কৰাটো সঁচানে ?

(গ) যদি সঁচা হয়, চৰকাৰে কি সিদ্ধান্ত লৈছে?

(ঘ) এইটো কথা সঁচা নেকি চৰকাৰে তেওঁলোকৰ দাবী পূৰণ নকৰাৰ বাবে প্ৰশিক্ষণ পোৱা বহুতো ব্যৱস্থাপন সংবৰ্গৰ সম্পাদকৰ চাকৰি এৰি দি বেংক আৰু আন আন প্ৰতিষ্ঠানলৈ গুচি গৈছে?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (সমবায় বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

১৬১। (ক)—(১) প্ৰশিক্ষণপ্ৰাপ্ত— ৪১৮

(২) পূৰ্ব্বৰ কেন্দ্ৰীয় সমবায় বেংকৰ কৰ্ম্মচাৰী— ৫৯

মুঠ— ৪৭৭ জন

ব্যৱস্থাপন সংবৰ্গৰ যোগেদি নিযুক্ত সম্পাদক সকলৰ শিক্ষাগত অৰ্হতা স্নাতক। সমবায় সমিতিত সম্পাদক হিচাবে নিযুক্তি দিয়াৰ আগতে তেওঁলোকক প্ৰশিক্ষণ দিয়া হয়।

(খ)—সঁচা।

(গ)—বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

(ঘ)—চৰকাৰৰ দৃষ্টি গোচৰ হোৱা নাই।

শ্ৰীআব্দুল জলিল :—অধ্যক্ষ মহোদয়, এই যে সম্পাদক নিযুক্তি দিয়া হয় তেওঁলোকৰ বিশেষ শিক্ষাগত অৰ্হতা (স্পেচিয়েল কোৱালিফিকেচন) আছেনেকি?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (সমবায় মন্ত্ৰী) : এওঁলোক সাধাৰণতে স্নাতক। তাৰ ওপৰিও অসম 'ক-অপাৰেটিভ মাৰ্কেটিং লিমিটেড'ৰ তৰফৰ পৰাও প্ৰশিক্ষণ দিয়া হয়।

শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা—অধ্যক্ষ মহোদয়, ৰঙিয়া ভোলাগাওঁ সমবায় সমিতিৰ এজন পিয়নক সম্পাদক হিচাবে নিযুক্তি দিয়াৰ কথাটো মন্ত্ৰী মহোদয়ে জানে নে!

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (সমবায় মন্ত্ৰী) : এইটো এটা বেলেগ প্ৰশ্ন হব লাগে।

শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা : এই ক্ষেত্ৰত বিভাগীয় মন্ত্ৰীয়ে তদন্ত কৰিবনে?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (সমবায় মন্ত্ৰী) : নিশ্চয় ব্যৱস্থা কৰিব পৰা হব।

শ্ৰীআব্দুল জলিল : অধ্যক্ষ মহোদয়, সম্পাদক সকলক কিমান টকা দৰমহা দিয়া হয়, মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) অধ্যক্ষ মহোদয়, প্ৰশ্নটো অলপ বেলেগ, তথাপি মই সদস্যজনক জনাওঁ যে 'আচাম কেডাৰ মেনেজমেন্ট কো-অপাৰেটিভ চচাইটি' তৰফৰ পৰা এওঁলোকক নিযুক্তি দিয়ে আৰু দৰমহাও তেওঁলোকে ধাৰ্য্য কৰি দিয়ে।

Shri Charan Narzary : Sir, this should not be the answer. The question was what was the amount of salary usually given to the Secretaries ? What is the scale of pay.

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) : ধন্যবাদ, মাননীয় সদস্য জনক এই সম্পৰ্কে পিছত জনোৱা হব।

বিঃ স্থকচৰ ৰাজ্যিক চিকিৎসালয়

শ্ৰীআমিনুল ইছলামে সুধিছে :

★১৬২। মাননীয় স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) মানকাচাৰ সমষ্টিৰ অন্তৰ্গত সুকচৰত থকা ৰাজ্যিক চিকিৎসালয়খন প্ৰাথমিক চিকিৎসা কেন্দ্ৰ পৰ্য্যায়লৈ ৰূপান্তৰ কৰাৰ কোনো পৰিকল্পনা চৰকাৰৰ হাতত আছেনে ?

(খ) যদি নাই, উক্ত ৰাজ্যিক চিকিৎসালয়খন প্ৰাথমিক চিকিৎসা কেন্দ্ৰলৈ ৰূপান্তৰ কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা চৰকাৰে অনতিপলমে গ্ৰহণ কৰিবনে ?

শ্ৰীযতীন মালি (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী) য়ে উত্তৰ দিছে :

১৬২। (ক)—হয়, আছে।

(খ)—প্ৰশ্ন নুঠে।

শ্ৰীআমিনুল ইছলাম : অধ্যক্ষ মহোদয় এই কেন্দ্ৰটো ১৯৮৬-৮৭ চনৰ বছৰটোৰ ভিতৰতে নিৰ্ম্মাণ কৰা হব নে ?

শ্ৰীযতীন মালি (মন্ত্ৰী, স্বাস্থ্য) : অধ্যক্ষ মহোদয়, হব।

ডঃ কমলা কলিতা : অধ্যক্ষ মহোদয়, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ এখন স্থাপনৰ ক্ষেত্ৰত আমাৰ মুডালিয়া আৰু ফ'ৰ্ড প্ৰতিবেদন দাখিল কৰিছিল। এই কমিটি দুটাৰ প্ৰতিবেদন মন্ত্ৰী মহোদয়ৰ জ্ঞাত নে ?

শ্ৰীযতীন মালি (স্বাস্থ্য মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মই সদস্য জনক অনুৰোধ কৰিব খোজো যাতে তেখেতে অলপ বেলেগ ধৰণৰ প্ৰশ্ন নকৰে যেন।

ডঃ কমলা কলিতা : কি ভিত্তিত এখন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ হব, তাৰ প্ৰতিবেদন এই কমিটি দুখনে দাখিল কৰিছিল। এই প্ৰতিবেদনখিনিৰ কথা মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীযতীন মালি (স্বাস্থ্য মন্ত্ৰী) : মই সদস্য গৰাকীক জনাওঁ যে ইয়াৰ বাবে এটা সম্পূৰ্ণ বেলেগ প্ৰশ্ন হব।

ডঃ কমলা কলিতা : অধ্যক্ষ মহোদয়, স্বকীয়া প্ৰশ্নৰ প্ৰয়োজন নহয়। ৰাজ্যিক চিকিৎসা কেন্দ্ৰ এখন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ উন্নত কৰিবলৈ হলে কি কি কেইটা কথাৰ ওপৰত ভিত্তি কৰিব লাগে এই কমিটি দুখনে তেওঁলোকৰ প্ৰতিবেদনত উল্লেখ কৰি গৈছে। মোৰ প্ৰশ্নটো হৈছে, এই প্ৰতিবেদন মন্ত্ৰী মহোদয়ৰ জ্ঞাত নে ?

শ্ৰীযতীন মালি (স্বাস্থ্য মন্ত্ৰী) : প্ৰতিবেদনৰ কথা কোৱাৰ কাৰণে নতুন প্ৰশ্নৰ প্ৰয়োজন হব।

ডঃ কমলা কলিতা : কি কি 'নৰ্মচৰ' ওপৰত ভিত্তি কৰি ৰাজ্যিক স্বাস্থ্য কেন্দ্ৰ এখন হয় এই কথাটোহে মই জানিব বিচাৰিছো ?

শ্ৰীযতীন মালি মন্ত্ৰী : মই আগতেই কৈছো যে তথ্য-পাতিৰ কথা আছে। সেইবাবে এটা নতুন প্ৰশ্নৰ প্ৰয়োজন হয়।

Re : Production of Fish

Shri PABIN CHANDRA DEKA : asked :

*163. Will the Minister, Fisheries be pleased to state—

(a) Whether the Government has prepared systematic production Oriented Plans for producing sufficient Quantity of Fish in Assam ?

(b) If so, please name the plans so prepared ?

Shri NILAMANI DAS (Minister, Fisheries) replied :

163. (a)—Yes.

(b) (i)—Establishment of Fish Seed Farm in each Sub-Division.

(ii) Establishment of Ecohatcheries and portable hatcheries.

(iii) Applied Nutrition programme.

(iv) Assistance to private Pisciculturists.

(v) Development of Beel Fisheries under World Food Programme.

Shri Charan Narzary : Sir it seems to be very funny. Nutritious food is given to humanbeings; but the Minister is saying that there is a programme for giving nutritious food to fish also. Is it not a funny thing ?

Shri A.F. Golam Osmani : Sir, what sort of plan is this ?

Re : Government Grant to Udalguri College

Shri BINOY KHUNGUR BASUMATARY asked :

★164 Will the Minister, Education be pleased to state –

(a) Whether it is true that the Joint Director of Public Instructions, Shri A. K. Dutta conducted an enquiry into the financial mismanagement of Government grants given to Udalguri College, Darrang on 28th and 29th December, 1984 ?

(b) If so, the finding of the enquiry ?

(c) Whether the enquiry was pursued and action taken accordingly by the Department ?

(d) If not, why ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে :

১৬৪। (ক)—হয়।

(খ)—ৰোকৰ বহীত থকা খেলি-মেলি বিলাক ইতিমধ্যে ধৰা পেলোৱা হৈছে আৰু বিবেচনা কৰি থকা হৈছে।

(গ)—হয়। উচ্চ শিক্ষাধিকৰ্ত্তাৰ কাৰ্য্যালয়ৰ দুজন হিচাব পৰীক্ষকক হিচাব পত্ৰ পৰীক্ষাৰ নিমিত্তে পঠোৱা হৈছিল। তেওঁলোকৰ পৰা পোৱা প্ৰতিবেদন বৰ্ত্তমান পৰীক্ষা কৰি থকা হৈছে।

(ঘ) প্ৰশ্ন নুঠে।

Shri Binai Khungur Basumatari : Sir, may I know when the Govt. will be in a position to decide finally, on this mismanagement ?

শ্ৰীবৃন্দাবন গোস্বামী :—মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো মাননীয় সদস্য গৰাকীয়ে মোক কিছুদিনৰ আগতেই দৃষ্টিগোচৰ কৰিছিল আৰু সেই বিষয়টোৰ প্ৰতি লক্ষ্য ৰাখিয়েই আমি ব্যৱস্থা লৈছো। আমি ইতিমধ্যে উচ্চ শিক্ষাধীকৰ্ত্তাৰ কাৰ্য্যালয়ৰ দুজন হিচাব পৰীক্ষকক হিচাব পত্ৰ পৰীক্ষা কৰিবৰ বাবে পঠাইছো। তেওঁলোকে প্ৰতিবেদন দিলেই সেই প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি ব্যৱস্থা লম।

The Joint Director of Public Instruction, Assam could not make a thorough enquiry as the records of the Udalguri College have been seized by the O/C, Udalguri Police Station on 11.12.84. Subsequently two Internal Auditors of this Directorate were sent for examination of the records. They visited and checked the Accounts on two occasions. The report is under examination by the Department.

আমি এই সম্পৰ্কত কম সময়ৰ ভিতৰতেই ব্যৱস্থা লৈছো।

বিঃ নাওবৈছা পশুচিকিৎসালয়

শ্ৰীজগত হাজৰিকাই সুধিছে :

★১৬৫। মাননীয় পশু চিকিৎসা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) নাওবৈছা পশু চিকিৎসালয়খন আজিলৈকে নাওবৈছা উন্নয়ন খণ্ডৰ ঘৰতে চলাই থকা কথা চৰকাৰে জানেনে ?

(খ) যদি জানে তেতিয়াহলে এই বিত্তীয় বছৰতে উক্ত চিকিৎসালয়খনি নিজা-ববীয়াকৈ সজাৰ ব্যৱস্থা চৰকাৰে হাতত লবনে ?

শ্ৰীনগেন শৰ্ম্মা (পশু চিকিৎসা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

১৬৫। (ক)—নাওবৈছা পশু চিকিৎসালয়খন নাওবৈছা উন্নয়ন খণ্ডৰ জৰীয়তেই পতা হৈছিল। সেয়েহে উন্নয়ন খণ্ডৰ চৌহদৰ ভিতৰতে পশুচিকিৎসালয়খন চলি আছে। কিয়নো সকলোবোৰ উন্নয়নখণ্ড স্থাপন কৰা পশুচিকিৎসালয় সমূহ এই বিভাগলৈ হস্তান্তৰ কৰা হয় ১৯৭৩ চনত।

(খ)—চলিত বিত্তীয় বছৰৰ (১৯৮৫-৮৬) বাজেটত পুজিৰ অভাৱৰ বাবে এই নিৰ্মাণ কাৰ্য্য হাতত লব পৰা নহল।

শ্ৰীজগত হাজৰিকা :—এই চিকিৎসালয়খন উন্নয়ন খণ্ডৰ চৌহদত থকাৰ কাৰণে বহুতবিলাক যে অসুবিধা হৈছে সেই কথা চৰকাৰে জানেনে ?

শ্ৰীনগেন শৰ্মা :—এই সম্পৰ্কে বিবেচনা কৰি থকা হৈছে। যিমানতুৰ পৰা যায় ১৯৮৬-৮৭ চনৰ ভিতৰতে ইয়াৰ কাৰণে সুকীয়া ব্যৱস্থা কৰা হব।

বি : খাদ্য আৰু পৰিপুষ্ট আঁচনি

শ্ৰীজয়নাথ শৰ্মাই সুধিছে :

★১৬৬। মাননীয় শিশু কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে জনাবনে—

(ক) খাদ্য পৰিপুষ্ট আঁচনিৰ জৰিয়তে যোৱা ১৯৮৩, ১৯৮৪, ১৯৮৫ চনত কিমান শিশু আৰু গৰ্ভৱতী মাতৃক পুষ্টিকৰ খাদ্য যোগান ধৰা হৈছিল ?

(খ) এই আঁচনিত যোৱা ১৯৮৩, ১৯৮৪ আৰু ১৯৮৫ চনত কি কি পুষ্টিকৰ খাদ্য যোগান ধৰিছিল ?

(গ) নিয়মিতভাবে এতিয়া কেইটা কেন্দ্ৰত এনে আচনি চলি আছে ?

(ঘ) বছৰত এই আচনিত কেইবাৰ পুষ্টিকৰ খাদ্য যোগান ধৰা হয় ?

(ঙ) এই আচনিত ১৯৮৩, ১৯৮৪ আৰু ১৯৮৫ চনত কিমান টকা ব্যয় কৰা হৈছে ?

শ্ৰীমতী ৰেখাৰাণী দাস বড়ো (মহিলা আৰু সমাজ কল্যাণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

১৬৬। (ক)—খাদ্য পৰিপুষ্ট আচনিৰ জৰিয়তে তলত উল্লেখ কৰা মতে শিশু আৰু গৰ্ভৱতী মাতৃক পুষ্টিকৰ খাদ্য যোগান ধৰা হৈছিল :—

| চন | শিশু | গৰ্ভৱতী মাতৃ |
|---|---|---|
| ১৯৮৩-৮৪ | ৬,৩৮,৪০৭ | ৯৭,৭৪২ |
| ১৯৮৪-৮৫ | ৬,৪৭,৬২৭ | ১,১৩,৫৫০ |
| ১৯৮৫-৮৬ | ৫,৬৭,৩৯১ | ৭৯,৩৮২ |

(খ)—এই আচনিত ১৯৮৩-৮৪ আৰু ১৯৮৪-৮৫ চনত কল, বুট, বিস্কুত, খিচিৰি (চাউল, ডালি), বিভিন্ন ফল আদিৰ যোগান ধৰা হৈছিল আৰু ১৯৮৫-৮৬ চনত বুট, চিৰা, গুৰ, খিচিৰি যোগান দিয়া হৈছিল। ইয়াৰ বাহিৰেও বিশ্ব খাদ্য আচনিৰ অন্তৰ্গত কেন্দ্ৰবোৰত **S F B** (চয়াবিন আৰু ঘে"হু মিশ্ৰিত) আৰু **S. S. Oil** (ছালাড তেল) দ্বাৰা প্ৰস্তুত কৰা পুষ্টিকৰ খাদ্য যোগান ধৰা হৈছিল।

(গ)—বিশেষ পুষ্টিকৰ আচনিৰ অন্তৰ্গত ৪৬৪৬ কেন্দ্ৰ আৰু বিশ্বখাদ্য আঁচনিৰ অন্তৰ্গত ২১০২ কেন্দ্ৰ বৰ্ত্তমানে চলি আছে।

(ঘ)—আচনি অনুসৰি বছৰত ৩০০ দিন (তিনিশ দিন) পুষ্টিকৰ খাদ্য যোগান দিব লাগে।

(ঙ)—তলত উল্লেখ কৰা মতে টকা ব্যয় কৰা হৈছে—

১৯৮৩-৮৪—২,৬৩,৭১,৬00 টকা
১৯৮৪-৮৫—৪,২৭,৮৭,৫৪১ টকা
১৯৮৫-৮৬—৪,০৪,৪৫,০০০ টকা

শ্ৰীজয়নাথ শৰ্মা :—উত্তৰত কোৱা হৈছে যে চাউল দাইল মিহলাই খিচিৰি কৰি পুষ্টিকৰ খাদ্য হিচাবে যোগান ধৰা হয়। কিন্তু এই খিচিৰিত যিটো চাউল দিয়া হয় সেই চাউল খাদ্যৰ উপযোগী হয়নে নহয় এইটো জানেনে? কি চাউল যোগান ধৰা হয়?

শ্ৰীমতী ৰেখাৰাণী দাস বড়ো :—খিচিৰি পুষ্টিকৰ খাদ্য হিচাবেই ধৰি যোগান ধৰা হৈছে। খিচিৰি যে পুষ্টিকৰ খাদ্য এইটো ডাক্টৰৰ পৰা পৰামৰ্শ লোৱা হৈছে। খিচিৰিত যি খিনি চাউল মিহলোৱা হৈছে সেইখিনি ভাল চাউলেই দিয়া হৈছে।

শ্ৰীঅভিজিত শৰ্মা :—চাহ বাগিছাত শিশু আৰু গৰ্ভৱতী মাতৃৰ পুষ্টিকৰ খাদ্য যোগান ধৰাৰ কাৰণে যি বিলাক কেন্দ্ৰ খোলা হৈছে তাত কোনো পুষ্টিকৰ খাদ্যৰ যোগান ধৰা হোৱা নাই এই কথা চৰকাৰে জানেনে?

শ্ৰীমতী ৰেখাৰাণী দাস বড়ো :– ইয়াৰ উত্তৰ পাবলৈ বেলেগে প্ৰশ্ন কৰিব লাগিব।

শ্ৰীঅভিজিত শৰ্মা :—চাহবাগিছাত শিশু আৰু গৰ্ভৱতী মাতৃৰ পুষ্টিকৰ খাদ্য যোগানৰ কাৰণে যি বিলাক কেন্দ্ৰ দিয়া হৈছে তাত কোনো পুষ্টিকৰ খাদ্যৰ যোগান ধৰা হোৱা নাই বৰঞ্চ এই আঁচনিৰ নামত কিছুমান লোক উপকৃত হৈছে, আচলতে শিশু বা গৰ্ভৱতী মাতৃ কোনেও একো পোৱা নাই। এইটো কথা জানেনে ?

শ্ৰীমতী ৰেখাৰাণী দাস বড়ো :—চাহ বাগিছাত যি পুষ্টিকৰ খাদ্যৰ যোগান ধৰা হয় সেইবিলাক শিক্ষা বিভাগৰ পৰা যোগান ধৰে।

Shri Charan Narzary : Sir, may I know from the hon'ble Minister of State as to whether the nutritious food is given to the children and would be mothers every day or once a week, or once a month.

শ্ৰীমতী ৰেখাৰাণী দাস বড়ো :—বছৰত ৩০০ দিনৰ বাবে ধাৰ্য্য কৰি দিয়া হয়।

শ্ৰীজয়নাথ শৰ্মা :–এই আঁচনিত ১০ কোটি ৯৫ লাখ টকা জৰিত আৰু বছৰত ৩০০ দিন খাদ্য যোগান ধৰা হয় বুলি কৈছে। কিন্তু মই এইটো কথা ভালদৰে জানো যে ২১০২ টা কেন্দ্ৰত ৩৬৫ দিনৰ ভিতৰত ৩০০ দিনেই পুষ্টিকৰ খাদ্যৰ যোগান ধৰা নহয়। কিয় পুষ্টিকৰ খাদ্যৰ যোগান ধৰা নহয়, ইয়াৰ ৰাজনৈতিক উদ্দেশ্য আছেনেকি চাবনে ?

শ্ৰীমতী ৰেখাৰাণী দাস বড়ো :—প্ৰশ্নোত্তৰত কোৱা হৈছে যে বছৰত ৩০০ দিনেই পুষ্টিকৰ খাদ্যৰ যোগান ধৰা হয়। তাৰ ভিতৰত কিবা অভিযোগ থাকিলে নিৰ্দিষ্টকৈ আনিব লাগিব।

শ্ৰীজয়নাথ শৰ্মা :—মই নিৰ্দ্দিষ্ট ভাবেই কৈছো যে আমাৰ ২১০২ টা কেন্দ্ৰ আছে আৰু তাত বছৰত ৩০০ দিনেই পুষ্টিকৰ খাদ্যৰ যোগান ধৰা নহয়—ইয়াৰ দ্বাৰা শিশু আৰু গৰ্ভৱতী মাতৃক পুষ্টিকৰ খাদ্যৰ পৰা বঞ্চিত কৰা হৈছে। এই আঁচনিৰ নামত ১০ কোটি ৯৫ লাখ টকা ঠিকাদাৰ আৰু ৰাজনৈতিক নেতাই ভাগ কৰি খাইছে। ৰাজনৈতিক নেতা যিসকল ইয়াত জৰিত আছে, চৰকাৰী কৰ্ম্মচাৰী যি সকল ইয়াত জৰিত আছে আৰু ঠিকাদাৰ যি সকলে এই টকা ভাগ বতৰা কৰি খাইছে, এই তিনিও পক্ষৰ যি সকল দোষী সেই সকলক ৰাজপথত মুকলিভাবে শাস্তি দিয়াৰ ব্যৱস্থা কৰিবনে ? গতিকে মই নিৰ্দ্দিষ্ট অভিযোগ দিছো যে ২১০২ টা কেন্দ্ৰত বছৰৰ ৩০০ দিনেই পুষ্টিকৰ খাদ্যৰ যোগান ধৰা নহয় আৰু যাৰ বাবে ১০ কোটি ৯৫ লাখ টকা আমাৰ অথলে গৈছে ইয়াৰ এটা অনুসন্ধান কৰিবনে ?

Mr. Speaker : The question hour is over.

Shri Ardhendu Kumar Dey : Sir, it is a very vital question and let there be an half an hour discussion. It is not within the knowledge of many of the hon'ble members of the house. So let there be an half an hour discussion.

Mr. Speaker : A notice is required for raising half an hour discussion.

শ্ৰীঅভিজিত শৰ্মা :—আমাৰ এই বাকী প্ৰশ্ন বিলাক কি হব ?

মাননীয় অধ্যক্ষ :—এই বিলাক কাৰ্য্য বিৱৰণীত থাকি যাব।

## UNDISPOSED STARRED QUESTIONS

Dated 25th March, 1986

বি : চাহ বাগিছাৰ ৰাস্তা

শ্ৰীনৰেণ তাঁতীয়ে সুধিছে :

* ১৬৭। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমৰ চাহ বাগিছা অঞ্চলত থকা ৰাস্তা সমূহ গড়কাপ্তানী বিভাগে লোৱাৰ কথা কিবা চিন্তা কৰিছেনে ?

(খ) যদি কৰিছে, কেনে ধৰণৰ জনাবনে ?

(গ) যদি নাই কৰা, কিয় কৰা নাই, জনাবনে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

১৬৭। (ক)—নাই কৰা।

(খ)—প্ৰশ্ন নুঠে

(গ)—চাহ **বাগান**ৰ ৰাস্তা সমূহ চাহ বাগানৰ কৰ্তৃপক্ষই নিজে কৰা আৰু গতিকে তেওঁলোকৰ নিজা সম্পত্তি। এনে ধৰণৰ ব্যক্তিগত ৰাস্তা বিলাক লোৱাৰ আৰু সংৰক্ষণ কৰাৰ কাৰণে গড়কাপ্তানী বিভাগৰ কোনো ব্যৱস্থা নাই।

Re : Assam House at New Delhi

Shri ABDUL MUQTADIR CHOUDHURY asked :

*168. Will the Minister, General Administration Department be pleased to state—

(a) The progress of the construction of the new Assam House at New Delhi ?

(b) When the work was started and when it is likely to be completed ?

Shri BHRIGU KUMAR PHUKAN, (Minister, General Administration) replied :

১৬৮। (ক)—নতুন দিল্লীৰ নতুন অসম ভৱনটোৰ গভীৰ নাদ আৰু অগ্নি প্ৰতিৰোধ প্ৰণালী সংস্থাপনৰ বাহিৰে সম্পূৰ্ণ হৈছে।

(খ)—অসম ভৱনটো সজাৰ কাম ১৯৮১ চনৰ চেপ্তেম্বৰ মাহত আৰম্ভ হৈছিল। গভীৰ নাদৰ কাম ২ মাহ মানৰ ভিতৰত সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা আছে। কিন্তু অগ্নি প্ৰতিৰোধ প্ৰণালীৰ সংস্থাপনৰ কাম ১৯৮৬ চনৰ জুন মাহৰ শেষ ভাগত সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা আছে।

বিঃ জনজাতী উপ-পৰিকল্পনা

শ্ৰীগনেশ কুটুমে সুধিছে :

*১৬৯। মাননীয় জনজাতি উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসম ৰাজ্যত "জনজাতি উপ-পৰিকল্পনা" এলেকা কিমান আছে ?

(খ) এনে জনজাতি উপ-পৰিকল্পনা এলেকা ঘোষণা কৰোতে কি কি গুনাগুন লোৱা হয় ?

(গ) শোনিতপুৰ জিলাত কেইখন জনজাতি উপ-পৰিকল্পনা এলেকা ঘোষণা কৰা আছে আৰু নাম কি কি ?

শ্ৰীভৰত নৰহ (জনজাতি উন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

১৬৯। (ক)—অসম ৰাজ্যত ভৈয়ামৰ জিলা সমূহৰ ১০৯৯১ বৰ্গ কিলোমিটাৰ আগুৰি ৪৫৪২ খন জনজাতি উপ-পৰিকল্পনা এলেকা আছে।

(খ)—১৯৭১ চনৰ লোক পিয়লৰ জন সংখ্যাৰ ওপৰত ভিত্তি কৰি জনজাতি উপ-পৰিকল্পনা এলেকা ঘোষণা কৰোতে শতকৰা ৫০ বা তাতোধিক জনজাতি লোক বাস কৰা ওচৰা ওচৰিকৈ থকা গাওঁ সমূহৰ জনজাতি জনসংখ্যাৰ গৰিষ্ঠতাৰ ওপৰত ভিত্তি কৰি উপ-পৰিকল্পনাৰ অন্তৰ্ভুক্ত কৰা হয়।

(গ)—শোনিতপুৰ জিলাত মুঠ ১৫৯ খন জনজাতি গাওঁক জনজাতি উপ-পৰিকল্পনা এলেকা হিচাবে ঘোষণা কৰা আছে। সেইবোৰ জনজাতি উপ-পৰিকল্পনা এলেকা বা গাওঁৰ তালিকা সদনৰ মেজত দাখিল কৰা হৈছে।

Re : State Transport Service

Shri ARDHENDU KUMAR DEY asked :

*170. Will the Minister, Transport be pleased to state—

(a) Whether it is a fact that several applications were given for sanction of a State Transport Service between Phultoli to Hojai subdivisional Head quarter in the Lumding constituency ?

(b) If the answer is in affirmative whether the Government will be pleased to introduce transport service in the abovementioned route early ?

Shri LALIT CHANDRA RAJKHOWA ( Minister, Transport ) replied :

170. (a)—So far no such application demanding Assam State Transport corporation Service between Phultoli to Hojai has been received.

(b)—Does not arise, However. if any demand is received the same will be considered in due course.

Re : Amount Sanctioned for IRDP, NREP, and RLEGP

Shri RAMENDRA DE, asked :

*171. Will the Minister, Rural Development be pleased to state—

(a) The total amount sanctioned for IRDP, NREP and RLEGP in the State of Assam during the year, 1983 to 1985 ?

(b) The total amount sanctioned for Karimganj and Cachar District ?

(c) Is it a fact that in some Districts there are misuse of money ?

(d) If so, whether Government is able to institute any enquiry ?

Shri LALIT CHANDRA RAJKHOWA (Minister, Rural Development) replied :

171. (a)--The total amounts sanctioned for IRDP, NREP and RLEGP in the State of Assam during the year 1983 to 1985 are furnished in the statement placed on the Table of the House.

(b)—The total amounts sanctioned for Karimganj and Cachar District are furnished in the statement placed on the Table of the House.

(c)—Certain such complaints are received.

(d)—Enquiry is instituted immediately on receipt of such complaints.

Shri SANTI RANJAN DAS GUPTA asked :

*172. Will the Minister, Veterinary be pleased to state—

(a) Is it a fact that one Monoj Deb is working in the Veterinary Department as Veterinary Information Officer ?

(b) If so, whether it is a fact whether he has acquired any landed property in the name of his relatives at Bhangagarh, Guwahati ?

(c) Is it also a fact that the said Officer has acquired another plot of land near Medical College, Guwahati in the name of his relatives ?

(d) If the reply is in affirmative from where the Officer got the money to purchase the land ?

Shri NAGEN SARMAH (Minister, Veterinary) replied :

172. (a)—Yes.

(b)—Government have no Information.

(c)—Government have no Information.

(d)—Does not arise.

Re : Pandu Port

Shri ABHIJIT SARMA asked :

*173 Will the Minister, Transport be pleased to state—

(a) What achievement has been made so far regarding the Pandu Port ?

(b) Whether it is a Centrally sponsored scheme ?

Shri LALIT CH. RAJKHOWA (Minister, Transport) replied :

173. (a)—On completion of Ist phase construction the Pandu

Port was handed over to Central Inland Water Transport Corporation Limited in the year 1970.

(b)—No.

Re : Building Grant to L P. Schools.

Shri SHEIKH SAMAN ALI asked :

★174. Will the Minister, Rural Dev. be pleased to state —

(a) Whether it is a fact that all the L. P. School of Nalanga Reserve, Panikhati, Nalanga Majerpara, Joypur Purba Para, Rowmari and Ballapuri got building grant under NREP under Balijona circle the work has not been completed yet ?

(b) If so, why ?

(c) Whether it is also a fact that the Nalanga Uzanpara to Kalyanpur Road under NREP scheme has not been completed yet ?

(d) If so, the reason thereof ?

Shri LALIT CHANDRA RAJKHOWA (Minister, Rural Development) replied :

174. (a)—Only Joypur Purbapara L. P. School building under Balijana Block was taken up for construction under NREP. The work has not been completed.

(b)—Rs. 45,000 which was the amount sanctioned for the L.P. School building, was not sufficient for completing the work.

(c)—No, this road was not taken up for construction under NREP.

(d)—Does not arise.

বিঃ গৰাখহনীয়া প্ৰতিৰোধৰ আঁচনি

শ্ৰীকমলা কলিতাই সুধিছে—

*১৭৫। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গুমীৰ পৰা কালাতলীলৈ ছয়গাওঁ সমষ্টিৰ প্ৰায় ৬০ হাজাৰ জন সাধাৰণক প্ৰবল গৰা খহনীয়াৰ প্ৰকোপৰ পৰা ৰক্ষা কৰা আঁচনি চৰকাৰৰ আছেনে ?

(খ) যদি আছে, কেতিয়া কাৰ্য্যকৰী হব জনাবনে ?

(গ) পলাশবাৰী গুমী বান নিয়ন্ত্ৰণ প্ৰকল্পৰ down Stream affectৰ পৰা ৰক্ষা কৰিবৰ বাবে চৰকাৰে কিবা আচনি লবনে ?

শ্ৰীভৰত নৰহ ( বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে—

১৭৫। (ক) নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) আৱশ্যক অনুযায়ী ও ধনৰ পুঁজিৰ ওপৰত নিৰ্ভৰ কৰি আঁচনি লোৱা হব।

বিঃ ধনশিৰি নদীৰ গৰাখহনীয়া

শ্ৰীদেবেশ্বৰ বৰাই সুধিছে :

*১৭৬। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গোলাঘাটত ধনশিৰি নদীয়ে যি গৰাখহনীয়া আৰম্ভ কৰিছে তাক প্ৰতিৰোধ কৰাৰ বিষয়ে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে জনাবনে ?

(খ) মৰিয়াহোলাত বাননিয়ন্ত্ৰণৰ বাবে চৰকাৰে কি নীতি হাতত লৈছে ?

শ্ৰীভৰত নৰহ ( বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে—

১৭৬। (ক) ধনশিৰি নদীৰ গৰাখহনীয়া প্ৰতিৰোধ কৰাৰ বাবে গোলাঘাটত চৰকাৰে শিলৰ গাঠনিৰ ব্যৱস্থা কৰিছে।

(খ) কামৰূপ জিলাৰ পলাশবাৰী গুমি প্ৰতিৰোধ আঁচনিৰ আৰ্হিৰে মৰিয়াহোলাতো এটা বৃহৎ প্ৰকল্প কেন্দ্ৰীয় পৰিকল্পনা আয়োগৰ অনুমোদনৰ বাবে দাখিল কৰা হৈছে।

বিঃ প্ৰাইমাৰী সমবায় সমিতি গঠন

শ্ৰীঅমৃতলাল বসুমতাৰীয়ে সুধিছে—

★১৭৭। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমৰ সকলোবোৰ উচ্চ মাধ্যমিক বিদ্যালয় আৰু মহাবিদ্যালয়ত প্ৰাইমাৰী সমবায় সমিতি গঠিত হৈছেনে ?

(খ) যদি হৈছে, মুঠ কিমানখন মহাবিদ্যালয়ত আৰু উচ্চ মাধ্যমিক বিদ্যালয়ত সমবায় সমিতি গঠিত হৈছে ?

(গ) বাকীবোৰ মহাবিদ্যালয় আৰু বিদ্যালয়তো সমবায় সমিতি গঠন কৰা হবনে ?

(ঘ) ইতিমধ্যে গঠন হোৱা এই সমবায় সমিতি সমুহে কি কি ব্যৱসায় চলাই আছে ?

(ঙ) এই সমবায় সমিতি সমূহক চৰকাৰৰ ফালৰ পৰা কিবা অৰ্থ সাহায্য দিয়া হৈছে নেকি আৰু যদি হৈছে কিমানকৈ দিয়া হৈছে ?

(চ) বিদ্যালয় সমূহত সমবায় সমিতি গঠন কৰি আৰু পাঠ্যক্ৰমৰ ভিতৰতো সমবায় বিষয়টো অন্তৰ্ভূক্ত কৰি ছাত্ৰ অৱস্থাৰ পৰাই সমবায় আন্দোলনটোৰ প্ৰতি আস্থা গঢ়ি তোলাৰ আঁচনি চৰকাৰৰ আছে নেকি ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( সমবায় বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে—

১৭৭। (ক) সকলোবোৰতে হোৱা নাই।

(খ) মুঠ ৯৭২ খনত।

(গ) শিক্ষানুস্থানবোৰৰ কৰ্ম্মচাৰী আৰু ছাত্ৰ-ছাত্ৰী সকলে আগবাঢ়ি আহিলে গঠন কৰা হব।

(ঘ) এই সমবায় সমিতি সমূহে স্কুলীয়া লৰা-ছোৱালীৰ মাজত কাগজ, কলম, বহী, পেন্সিল, চিয়াহী যোগান ধৰাৰ ব্যৱসায় চলাই আছে।

(ঙ) হৈছে। সমিতিৰ ব্যৱসায়িক প্ৰয়োজন অনুসৰি ১৮০০ টকাৰ পৰা ২৫০০ টকা পৰ্য্যন্ত দিয়া হৈছে।

(চ) চৰকাৰে তেনে কোনো প্ৰস্তাৱ এতিয়াও লোৱা নাই।

বিঃ মৰাপাট কল

শ্ৰীআব্দুল জলিলে সুধিছে:

*১৭৮। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) অসমত মৰাপাট কলটো কিয় বন্ধ আছিল?

(খ) উক্ত কলটো পূণৰ খুলিবলৈ অসম চৰকাৰে কিমান টকা দিছে?

(গ) ভাৰত চৰকাৰেও এই বিষয়ত কিবা মঞ্জুৰী দিছে নেকি?

(ঘ) এই মৰাপাট কলটোলৈ অসম চৰকাৰে বৰ্ত্তমানলৈ দিয়া টকাৰ কিমান টকা চৰকাৰক পৰিশোধ কৰিছে আৰু কিমান কৰিবলৈ বাকী আছে?

(ঙ) এই মৰাপাট কলটোৰ পৰা কি কি সামগ্ৰী উৎপাদিত হয় আৰু এই সামগ্ৰীৰ চাহিদা বজাৰত কেনেকুৱা?

(চ) এইটো কথা সঁচানে, অসমৰ গ্ৰাহক প্ৰাইকাৰী সমবায় সমিতি সমূহ আৰু আন আন সমিতিৰ বাবে ধাৰ্য্য কৰা ঋণ আৰু মঞ্জুৰীৰ টকা কাটি আনি অসম সমবায় মৰাপাট কলক দিয়া হৈছে?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (সমবায় বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে:

১৭৮। (ক)—দীৰ্ঘদিন জুৰি ভৰি থকা লোকচানৰ বাবে মিলৰ কৰ্ত্তৃপক্ষই মিলটো বন্ধ কৰি দিবলৈ বাধ্য হৈছিল।

(খ)—কলটো পুনৰ খুলিবলৈ অসম চৰকাৰে এতিয়ালৈকে মুঠ ৩৮ (আঠত্ৰিশ) লাখ টকা দিছে।

(গ) এতিয়ালৈকে দিয়া নাই।

(ঘ)—অসম চৰকাৰে দিয়া সম্পূৰ্ণ টকাই পৰিশোধ কৰিবলৈ বাকী আছে।

(ঙ)—এই মৰাপাট কলটোৱে চট বস্তা আৰু চুটলি উৎপাদন কৰে। এইবোৰ সামগ্ৰীৰ চাহিদা বজাৰত আছে।

(চ)—কিছু টকা সমবায় সুতাকলৰ কাৰণে ৰখা শিতানৰ পৰা দিয়া হৈছে।

বিঃ চুপাৰ বাছ চাৰ্ভিচ

শ্ৰীজগত হাজৰিকাই সুধিছে :

*১৭৯। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ৰাজহুৱা স্বাৰ্থৰ পৰিপ্ৰেক্ষিতত, গুৱাহাটীৰ পৰা লক্ষীমপুৰলৈ আৰু লক্ষীমপুৰৰ পৰা গুৱাহাটীলৈ পুৱা ৭ বজাত চুপাৰ বাচ সেৱাৰ কথা চৰকাৰে ভাবিছে নেকি ?

(খ) যদি ভাবিছে. কেতিয়াৰ পৰা কাৰ্য্যকৰী ব্যৱস্থা লব জনাবনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (পৰিবহন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

১৭৯। (ক)—হয়, বিষয়টো বিবেচনা কৰা হৈছে।

(খ)—চুপাৰ বাচৰ সংখ্যা বৃদ্ধি কৰিব পাৰিলে কাৰ্য্যকৰী ব্যৱস্থা লোৱাৰ বাবে বিবেচনা কৰা হব।

বিঃ মঙ্গলদৈ গড়কাপ্তানী সংমণ্ডলৰ কাৰ্য্যালয়

শ্ৰীজয়নাথ শৰ্ম্মাই সুধিছে :

★১৮০। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) মঙ্গলদৈ গড়কাপ্তানী (পথ) সংমণ্ডলৰ কাৰ্য্যালয়ৰ পৰা ৫০ খন তুলনামূলক বিবৃতি (Comparative Statement) হেৰুৱা কথা সঁচানে ?

(খ) এই C. S. বোৰ কেনেকৈ পালে ?

(গ) কাৰ্য্যালয়ৰ পৰা কি কাৰণত এই C. S. সমূহ লৈ যোৱা হৈছিল ?

(ঘ) উক্ত সংক্ৰান্তত কোনো অনুসন্ধান কৰা হৈছে নেকি আৰু দোষী বিষয়াৰ ওপৰত কোনো শাস্তিমূলক ব্যৱস্থা লোৱা হৈছে নেকি ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী মন্ত্ৰী) য়ে উত্তৰ দিছে :

১৮০। (ক)—মঙ্গলদৈ গড়কাপ্তানী (পথ) সংমণ্ডলৰ আগৰ কাৰ্য্যবাহী অভিযন্তাজনে ১৬।১।৮৬ ইং তাৰিখে তেখেতৰ কাৰ্য্যভাৰ হস্তান্তৰ কৰাৰ পিছত ৪৭ খন তুলনামূলক বিবৃতি লৈ যোৱা সঁচা।

(খ)—এই C. S. বোৰ, বদলি হোৱা কাৰ্যবাহী অভিযন্তাজনে তেখেতৰ কাৰ্য্যভাৰ হস্তান্তৰ কৰাৰ সময়ত কাৰ্য্যালয়ত নিদি নিজেই লৈ আছে আৰু ২৩ দিনৰ পিছতহে তেখেতৰ ওপৰৰ বিষয়া গুৱাহাটী পথ চাৰ্কোলৰ অধীক্ষক অভিযন্তাক তেখেতৰ বাসভৱনত ওলোটাই দিয়ে।

(গ) - ইয়াৰ সঠিক কাৰণ জনা নাযায়।

(ঘ)—এই সংক্ৰান্তত অনুসন্ধান চলি আছে। অনুসন্ধান শেষ হলেই আৱশ্যকীয় ব্যৱস্থা গ্ৰহণ কৰা হব।

Re: Water Supply Scheme for Hojai Town

Shri SANTI RANJAN DASGUPTA asked:

★181. Will the Minister. P.H.E. be pleased to state—

(a) Whether there is Water Supply Scheme at Hojai Town?

(b) If so, whether the scheme is complete but Water Supply has not yet been started to the Municipal Tax payers houses till now?

(c) If not, the reason there of?

Shri DIGEN CHANDRA BORA (Minister, P.H.E.) replied:

181: (a)—Yes.

(b)—The scheme has been partially completed. Out of the two zones of Hojai Town Water Supply Scheme zone I has been completed in all respects. The zone II is 95% completed. No water connection to the Municipal Tax payers' houses has yet been given.

(c)—Municipality has not taken over the completed portion of work. The completion of work in the zone II has been delayed due to non-receipt of fund from Municipality in time, shortage of construction materials etc.

বিঃ আভ্যন্তৰীণ জল পৰিবহন বিভাগ

শ্ৰীনৰেণ তাঁতীয়ে সুধিছে :

*১৮২। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমৰ আভ্যন্তৰীণ জল পৰিবহন বিভাগৰ কাঞ্চনজুৰি নামৰ জাহাজখনে ২৯।১১।৮৪ তাৰিখে ভোমোৰাগুৰিলৈ চিমেন্ট কঢ়িয়াই নিওঁতে গনেশ পাহাৰৰ (চন্দ্ৰপুৰ) ওচৰত ব্ৰহ্মপুত্ৰত ডুব যোৱাটো জানেনে ?

(খ) এই জাহাজটো ডুবি যোৱাত কিমান পৰিমাণৰ টকা লোকচান হল জনাবনে ?

(গ) কি কাৰণত এই ঘটনা হবলৈ পালে জনাবনে ?

(ঘ) ঘটনাটো তদন্ত কৰি কিবা বিহিত ব্যৱস্থা লোৱা হলনে জনাবনে ?

(ঙ) যদি তদন্ত কৰা নাই তেন্তে তদন্ত কৰি বিহিত ব্যৱস্থা লবনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (পৰিবহন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

১৮২। (ক)—হয়, জানো।

**(খ)**—৭,৪৪,৫৬০.০০ টকা।

(গ)—প্ৰবল সোঁতত পৰি জাহাজৰ চুযান (Rader) চিঙি যোৱাৰ ফলত এই ঘটনা হবলৈ পায়।

(ঘ)—চৰকাৰে গঠন কৰি দিয়া এখন প্ৰসাশনীয় অনুসন্ধান কমিটিয়ে এই বিষয়ে তদন্ত কৰি আছে। এই তদন্তৰ প্ৰতিবেদন পালেহে বিহিত ব্যৱস্থা লোৱা হব।

(ঙ)—প্ৰশ্ন নুঠে।

বিঃ জনজাতি ছাত্ৰ ছাত্ৰীৰ বৃত্তি

শ্ৰীগনেশ কুটুমে সুধিছে :

*১৮৩। মাননীয় ভৈয়াম জনজাতি উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) যোৱা ১৯৮৪-৮৫ চনত অসমৰ ভৈয়াম জনজাতি ছাত্ৰ-ছাত্ৰী কিমানজনক বৃত্তি আগবঢ়ালে ?

(খ) জনজাতি ছাত্ৰ-ছাত্ৰী সকলৰ বাবে প্ৰাথমিক, মাধ্যমিক, স্নাতক আৰু স্নাতকোত্তৰ শ্ৰেণীৰ কিমান টকাকৈ মাহে বৃত্তি আগবঢ়োৱা হয় ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (ভৈয়াম জনজাতি উন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

১৮৩। (ক)—যোৱা ১৯৮৪-৮৫ চনত ভৈয়াম জনজাতি ছাত্ৰ-ছাত্ৰীক বৃত্তি দিয়াৰ সংখ্যা তলত দিয়া ধৰণৰ :

| | | |
|---|---|---|
| (১) | প্ৰাক্ প্ৰৱেশিকা বৃত্তি | ৫৬০৫ জন। |
| (২) | প্ৰৱেশিকা-উত্তৰ বৃত্তি | ১৯৯৬৭ জন। |
| | মুঠ | ২৫৫৭২ জন। |

(খ)—জনজাতি ছাত্ৰ-ছাত্ৰী সকলক আগবঢ়োৱা মাহিলি বৃত্তিৰ হাৰ তলত দিয়া হল।

(১) প্ৰাথমিক আৰু নিম্ন বুনিয়াদী পৰ্য্যায়ত ৫.০০ টকাকৈ।

(২) মাধ্যমিক পৰ্য্যায়ত ১০.০০ টকাকৈ।
( ৫ম মান শ্ৰেণীৰ পৰা ৭ম মান শ্ৰেণীলৈ )

(৩) স্নাতক পৰ্য্যায়ত

(প্ৰাক্ বিশ্ববিদ্যালয়ৰ পৰা স্নাতক পৰ্য্যায়লৈ সকলো পাঠ্যক্ৰমৰ বাবে )

লৰা—হোষ্টেলত নাথাকিলে :

| | |
|---|---|
| ১ম বছৰত | ৫৫.০০ টকা |
| ২য় বছৰত | ৭০.৭০ টকাকৈ। |

হোষ্টেলত থাকিলে :

| | |
|---|---|
| ১ম বছৰত | ৮০.০০ টকা। |
| ২য় বছৰত | ১১৫.০০ টকা। |

ছোৱালী—হোষ্টেলত নাথাকিলে :

| | |
|---|---|
| ১ম বছৰত | ৭০.০০ টকা। |
| ২য় বছৰত | ৮৫.০০ টকা। |

হোষ্টেলত থাকিলে :

| | |
|---|---|
| ১ম বছৰত | ৯৫.০০ টকা। |
| ২য় বছৰত | ১৩০.০০ টকা। |

(৪) স্নাতকোত্তৰ পৰ্য্যায়ত
( এম, এ, এম, কম )

লৰা-হোষ্টেলত নাথাকিলে •

| | |
|---|---|
| ১ম বছৰত | ১০০.০০ টকা। |
| ২য় বছৰত | ১০৫.০০ টকা। |

হোষ্টেলত থাকিলে :

| | |
|---|---|
| ১ম বছৰত | ১২৫.০০ টকা। |
| ২য় বছৰত | ১৩০.০০ টকা। |

ছোৱালী-হোষ্টেলত নাথাকিলে :

| | |
|---|---|
| ১ম বছৰত | ১১০.০০ টকা। |
| ২য় বছৰত | ১১৫.০০ টকা। |

হোষ্টেলত থাকিলে :

| | |
|---|---|
| ১ম বছৰত | ১৩৫.০০ টকা। |
| ২য় বছৰত | ১৪৫.০০ টকা। |

(৫) স্নাতকোত্তৰ পৰ্য্যায়ৰ :
(এম, এচ, চি)

লৰা-হোষ্টেলত নাথাকিলে :

| | |
|---|---|
| ১ম বছৰত | ১০০.০০ টকা। |
| ২য় বছৰত | ১০৫.০০ টকা। |

হোষ্টেলত থাকিলে :

| | |
|---|---|
| ১ম বছৰত | ১২৫.০০ টকা। |
| ২য় বছৰত | ১৩০.০০ টকা। |

ছোৱালী-হোষ্টেলত নাথাকিলে :

| | |
|---|---|
| ১ম বছৰত | ১১০.০০ টকা। |
| ২য় বছৰত | ১২০.০০ টকা। |

হোষ্টেলত থাকিলে :

| | |
|---|---|
| ১ম বছৰত | ১৩৫.০০ টকা। |
| ২য় বছৰত | ১৪৫.০০ টকা। |

Re : Sterilisation Case

Shri ARDHENDU KUMAR DEY asked :

*184. Will the Minister of State, Health & FW be pleased to state—

(a) Whether it is within the knowledge of the Government that even after doing thousands of sterilisations, Nagaon District is far behind the target of reduction of birth rate ?

(b) If so, whether it is also a fact that there is some reason for doubt that most of the vasectomy operations done during the last several years are recorded false ?

Shri JATIN MALI (Minister of State, Health & FW) replied :

184. (a)—Government have no information.

(b) Some irregularrities have come to the notice of Governmment and the same are under investigation.

বি : অসম সমবায় এপেক্স বেংক

শ্ৰীঅমৃতলাল বস্তমতাৰীয়ে সুধিছে :

*১৮৫। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসম সমবায় এপেক্স বেংকৰ বৰ্ত্তমান ব্যৱসায়িক লাভ-লোকচান কেনেকুৱা ?

(খ) এই বেংকৰ মুঠ শাখা কিমানটা আৰু ক'ত ক'ত আছে ?

(গ) আৰু শাখা বঢ়োৱাৰ প্ৰস্তাৱ এই বেংকৰ আছে নেকি ?

(ঘ) এই বেংকে কি কি আঁচনিত ঋণ দিয়ে আৰু সুদৰ হাৰ কিমান ?

(ঙ) এইটো কথা সঁচা নেকি যে একে সমবায় প্ৰতিষ্ঠান গ্ৰাহক পাইকাৰী সমবায় সমিতি আৰু গাওঁ পঞ্চায়ত সমবায় সমিতি সমূহক দিয়া নগদ ঋণৰ বাবে অতিৰিক্ত হাৰ সুদ আদায় কৰে আৰু "গুদাম কিপাৰ" এজনৰ দৰমহাখিনি সমবায় সমিতিৰ পৰা আদায় কৰি লয় ?

(চ) যদি হয়, একে বিভাগতে ভগ্নী প্ৰতিষ্ঠান সমবায় সমিতি সমূহক এই অতিৰিক্ত ভৰণীৰ পৰা ৰেহাই দিয়াৰ কথা চৰকাৰে বিবেচনা কৰিবনে ?

(ছ) এই বেংকৰ কিমান টকাৰ ঋণ অনাদায় হৈ আছে আৰু সেইবোৰ আদায় কৰাৰ কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (সমবায় বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

১৮৫। (ক)—অসম সমবায় এপেক্স বেংকৰ ব্যৱসায়ীক লাভ—

লাখত

| ১৯৮২-৮৩ | ১৯৮৩-৮৪ | ১৯৮৪-৮৫ |
|---|---|---|
| ১০:৪৭ লাঃ টঃ | ১১.১৬ লাঃ টঃ | ১১.৫০ লাঃ টঃ |

(খ)—এই বেংকৰ মুঠ ৪২ ( বিয়াল্লিশ ) টা শাখা যেনে :—

১। বৰপেটা

২। ধুবুৰী

৩। ডিব্ৰুগড়

৪। ডিফু

৫। দিশপুৰ

৬। ধেমাজী

৭। গুৱাহাটী

৮। গোলাঘাট

৯। গোৱালপাৰা

১০। হাফলং

১১। যোৰহাট

১২। কৰিমগঞ্জ

১৩। কোকৰাঝাৰ

১৪। মংগলদৈ
১৫। উঃ লক্ষীমপুৰ
১৬। নলবাৰী
১৭। নগাওঁ
১৮। হুনমাটি
১৯। নাহৰকটীয়া
২০। শিৱসাগৰ
২১। শিলচৰ
২২। তেজপুৰ
২৩। তিনচুকীয়া
২৪। অভয়াপুৰী
২৫। বিলাসীপাৰা
২৬। বঙ্গাই গাওঁ
২৭। বিহপুৰীয়া
২৮। বদৰপুৰ
২৯। বিশ্বনাথ চাৰিআলি
৩০। ঢেকীয়াজুলি
৩১। ধিং
৩২। হোজাই
৩৩। হাইলাকান্দি
৩৪। লালা
৩৫। মৰিগাওঁ
৩৬। নালিয়াপুল
৩৭। টংলা
৩৮। ৰঙিয়া
৩৯। শিলঘাট
৪০। শিলপুখুৰী
৪১। শুৱালকুছি
৪২। পাঠশালা

(গ)—হয় আছে। ৰিজাৰ্ভ বেংক অৱ ইণ্ডিয়াৰ অনুমোদনৰ ভিত্তিত তলত উল্লেখ কৰা স্থান সমূহত শাখা খোলাৰ আয়োজন কৰা হৈছে।

১। ডিব্রুগড় জিলাৰ দুলীয়াজানত

২। যোৰহাট জিলাৰ ডেৰগাৱঁত

৩। নগাওঁ জিলাৰ জাগীৰোডত

৪। কামৰূপ জিলাৰ বিজয় নগৰত

(ঘ)—বেংকে ঋণ যোগান ধৰা বিভিন্ন আঁচনি আৰু সুদৰ হাৰ তলত উল্লেখ কৰা হল—

আঁচনি

১। অল্পকালীন ঋণ

খাৰিফ আৰু ৰবি শস্যৰ কাৰণে সমিতিৰ জৰিয়তে অল্পকালীন ঋণ—

(ক) ক্ষুদ্ৰ / উপান্তৰ কৃষকৰ বাবে ৫০০০.০০ (পাঁচ) হাজাৰ টকা পৰ্য্যন্ত।

(খ) অন্যান্য কৃষকৰ বাবে

সুদৰ হাৰ

(ক) সমিতিয়ে বেংকক দিব লাগে শতকৰা ১০.০০ টকা।

কৃষকে সমিতিক দিব লাগে শতকৰা ১১.৫০ টকা।

(খ) সমিতিয়ে বেংকক দিব লাগে শতকৰা ১২.০০ টকা।

কৃষকে সমিতিক দিব লাগে শতকৰা ১৪.০০ টকা।

২। মধ্যকালীন কৃষি ঋণ

হালৰ গৰু, ভঁৰাল ঘৰ, ট্ৰেক্টৰ আদি কৃষিৰ আহিলা-পাতিৰ বাবে—

(ক) ক্ষুদ্ৰ উপান্তৰ কৃষকৰ বাবে

(খ) অন্যান্য কৃষকৰ বাবে

(ক) সমিতিয়ে বেংকক দিব লাগে শতকৰা ৯.০০ টকা

কৃষকে সমিতিক দিব লাগে শতকৰা ১০.২৫ টকা।

(খ) সমিতিয়ে বেংকক দিব লাগে শতকৰা ১০.৫০ টকা।

কৃষকে সমিতিক দিব লাগে শতকৰা ১২.৫০ টকা।

সাধাৰণ ঋণ

(ক) পাইকাৰী গ্ৰাহক সমবায় সমিতি / গাওঁ পঞ্চায়ত সমবায় সমিতিক খাদ্য সামগ্ৰী ব্যৱসায়ৰ বাবে

(খ) সমবায় চেনি কল / বেচা-কিনা সমবায় সমিতি/ ব্যক্তিগত ব্যৱসায়ীক

(গ) বোৱা-কটা সমবায় সমিতিক দিয়া হয় (ৰিজাভ বেংকৰ আঁচনিৰ জৰিয়তে)

(ঘ) চাহ বাগিছাৰ বাবে

(ঙ) অসম চাহ নিগমৰ বাবে

(চ) চাহ উদ্যোগ সম্প্ৰসাৰণ / সঞ্চয় আৰু ঋণ দান সমবায় সমিতি / বেচা-কিনা সমবায় / অন্যান্য ক্ষুদ্ৰ উদ্যোগ আৰু মটৰ চাইকেল, ফ্ৰীজ আদি কিনাৰ বাবে।

(ক) সমিতিয়ে বেংকক সুদ দিব লাগে শতকৰা ১৩.৫০ টকা।

(খ) বেংকৰ সুদৰ হাৰ শতকৰা ১৭.৫০ টকা।

(গ) বেংকৰ সুদৰ হাৰ শতকৰা ৭.৫০ টকা।

(ঘ) বেংকৰ সুদৰ হাৰ শতকৰা ১৭.০০ টকা।

(ঙ) বেংকৰ সুদৰ হাৰ শতকৰা ১৮.০০ টকা।

(চ) বেংকৰ সুদৰ হাৰ শতকৰা ১৫.০০ টকা।

(ঙ) —পাইকাৰী গ্ৰাহক সমবায় সমিতি আৰু গাওঁ পঞ্চায়ত সমবায় সমিতিক গুদামত জমা থোৱা বস্তুৰ বিপৰীতে কেচ-ক্ৰেদিত বিধি অনুযায়ী নিৰ্দিষ্ট সুদৰ হাৰত ঋণ দিয়ে আৰু সেই অনুসৰি গুদাম ৰক্ষকজনৰ দৰমহাও সমিতিয়ে বহন কৰিব লাগে।

(চ)—বিভিন্ন আঁচনিত দিয়া ঋণৰ সুদৰ হাৰ ৰিজাৰ্ভ বেংকে নিৰ্দ্ধাৰণ কৰি দিয়া মতে আদায় কৰা হয়।

পাইকাৰী গ্ৰাহক সমবায়ৰ ক্ষেত্ৰত প্লেজ ( pledge ) পদ্ধতিত ঋণ দিয়াৰ বাবে গুদাম ৰক্ষকৰ প্ৰয়োজন হয়, কিন্তু গাওঁ পঞ্চায়ত সমবায় সমিতিৰ ক্ষেত্ৰত হাইপথিকেচন্ (Hypothecation) ৰ ভিত্তিত ঋণ দিয়া হয় বাবে গুদাম ৰক্ষকৰ প্ৰয়োজন নাথাকে। গতিকে চৰকাৰে এই বিবেচনা কৰাৰ প্ৰশ্ন নুঠে।

(ছ)—বেংকৰ অনাদায়ী ঋণৰ পৰিমান তলত দিয়া ধৰণৰ—

| | | লাখ হিচাবত |
|---|---|---|
| (ক) | অল্পকালীন ঋণ / কেচ ক্ৰেদিত ইত্যাদি | ১২২৪.৯৬ লাঃ টঃ |
| (খ) | ক্ষুদ্ৰ শিল্প উদ্যোগ / চাহ শিল্প আৰু অন্যান্য মধ্যকালীন ঋণ আদিত | ১২৬.৪২ লঃ টঃ |
| | সৰ্ব্বমুঠ | ১৩৫১.৩৮ লাঃ টঃ |

বেংকৰ ক্ষেত্ৰ বিষয়া আৰু সমবায় বিভাগৰ বিষয়া / কৰ্ম্মচাৰীৰ সহযোগত খিলাপী ঋণ আদায়ৰ ব্যৱস্থা লৈ থকা হৈছে। ইয়াৰ ওপৰিও সমবায় আইনৰ ৮৩ (ক) বিধি অনুযায়ী ইচ্ছাকৃত ধৰুৱাৰ বিৰুদ্ধে ফৌজদাৰী গোচৰ তৰাৰ ব্যৱস্থা লোৱা হৈছে আৰু সেই হিচাব বুজন পৰিমাণৰ টকা আদায় কৰিব পৰা হৈছে।

বিঃ সীমা বিবাদ

শ্ৰীদেবেশ্বৰ বৰাই সুধিছে :

★১৮৬। মাননীয় গৃহমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) নগাৰাজ্যৰ লগত হোৱা সীমা বিবাদ নিষ্পত্তিৰ বাবে আপাততঃ কি ব্যৱস্থা লৈছে বা বৰ্ত্তমান ই কোন স্তৰত আছে ?

(খ) মিমাংসাৰ ক্ষেত্ৰত সুন্দৰম কমিতিৰ প্ৰতিবেদনৰ প্ৰতি অসম চৰকাৰে কিবা সিদ্ধান্ত লৈছে নেকি ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহমন্ত্ৰী) য়ে উত্তৰ দিছে :

১৮৬। (ক)—আলোচনাৰ মাধ্যমেৰে সীমা বিবাদ মিমাংসা কৰিবলৈ হাতত লোৱা হৈছে। এই সম্পৰ্কত যোৱা ১৮ ফেব্ৰুৱাৰী ১৯৮৬ চনত দুয়ো ৰাজ্যৰ মুখ্যমন্ত্ৰীদ্বয়ৰ মাজত কহিমাত এখনি আলোচনা হৈ যায়।

(খ)—সুন্দৰম কমিতিৰ প্ৰতিবেদন পৰীক্ষা কৰি কেন্দ্ৰীয় চৰকাৰক ৰাজ্য চৰকাৰৰ প্ৰতিক্ৰিয়া জনাই থোৱা হৈছে।

Re : Ferry Service

Shri ABHIJIT SARMAH asked :

★187. Will the Minister, Transport be pleased to state—

(a) The total No. of ferry service in different routes across the river Brahmaputra operated by the State Inland Water Transport ?

(b) The volume of goods ( Tonnes ) carried by these services in the year 1981, 1982, 1983, 1984 and 1985 and freight charge received during these years ?

(c) The No. of modern steel vessels, ramp powered lighter vessel, pantoon, marboats and relief boats under State Inland Water Transport as on 31st December. 1985 ?

(d) What is the total amount of net profit of State Inland Water Transport during the year 1981-82, 1982-83, 1983-84 and 1984-85 ?

Shri LALIT CH. RAJKHOWA ( Minister, Transport ] replied :

187. (a) 19 ( Ninteen ) Nos.

(b) 1981-82. 3908.75 M. T. Rs. 42,05,950. 97.
1982-83. 3360.04 M. T. Rs. 36,94,806. 25.
1983-84. 4063.77 M. T. Rs. 32,55,552. 65.
1984-85. 2955.14 M. T. Rs. 41,99,600. 56.

(c) 1. Modern Steel vessel ... 28 Nos.
2. R. P. L. ... ... 8 Nos.
3. Pantoon ... ... 7 Nos.
4. Marboat ... .. 29 Nos.
5. Relief boats ... 12 Nos.

(d) Net profit during the year from the ferries-

| | | |
|---|---|---|
| 1981-82 | Rs- | 15,09,715.97. |
| 1982-83 | Rs. | 15,48,487.25. |
| 1983-84 | Rs. | 16,53,641,55. |
| 1984-85 | Rs. | 25,42,732-31. |

বি: সম্পাদক নিযুক্তি

শ্ৰীআব্দুল জলিলে সুধিছে—

★১৮৮। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমৰ গাওঁ পৰ্য্যায়ৰ প্ৰাইমাৰী সমবায় সমিতি সমূহৰ সম্পাদক সকলক কোনে নিয়োগ কৰে আৰু কোনে দৰমহা দিয়ে ?

(খ) এই সমিতি সমূহত এতিয়াও ব্যৱস্থাপন সংবৰ্গৰ পৰাই সম্পাদক সকলক নিয়োগ কৰা হয় নেকি ?

(গ) সম্পাদক সকলে মাহে কিমান টকা দৰমহা পায় আৰু তেওঁলোকৰ থকাৰ ঘৰ সজাই দিয়া হৈছে নেকি ?

(ঘ) যদি হৈছে, কিমানক দিয়া হৈছে আৰু বাকীবিলাককো দিয়া হব নে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (সমবায় বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে—

১৮৮। (ক) অসম কেডাৰ মেনেজমেন্ট কো-অপাৰেটিভ চছাইটি লিমিটেড নামৰ সমিতিয়ে সম্পাদক নিয়োগ কৰে আৰু তেওঁলোকেই দৰমহা দিয়ে।

(খ) হয়।

(গ) কেডাৰ মেনেজমেন্ট কো-অপাৰেটিভ চছাইটিৰ পৰা প্ৰশিক্ষণ প্ৰাপ্ত আৰু নিযুক্ত সম্পাদক সকলে ৩০০-১২-৩৬০-১৪-৫৭৫ টকা হাৰত আৰু পূৰ্ব্বৰ কেন্দ্ৰীয় সমবায় বেঙ্কৰ কৰ্ম্মচাৰী সকলে ২৫০-১২-৩১০-১৪-৫০০ হাৰত দৰমহা পায়। ইয়াৰ উপৰি মৰগীয়া বানচ ১০, ঘৰ ভাড়া বানচ ৫ আৰু চিকিৎসা বানচ ১৬'০০ টকাকৈ পায়। কিছুমান সমিতিক সম্পাদক সকলৰ থকা ঘৰ সজোৱাৰ বাবে চৰকাৰী অনুদান দিয়া হৈছে।

(ঘ) বৰ্ত্তমানলৈকে ৪১৩ খন সমিতিৰ ঘৰ সমিতিলৈ এনে অনুদান দিয়া হৈছে আৰু বাকীবোৰৰ পৰ্য্যায়ক্ৰমে দিয়া হব।

বিঃ অসম নগালেণ্ড সীমা

শ্ৰীজগত হাজৰিকাই সুধিছে—

★১৮৯। মাননীয় গৃহমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

অসম নগালেণ্ডৰ সীমা নিৰ্দ্ধাৰণৰ কামত কি কি ব্যৱস্থা লোৱা হৈছে আৰু কিমান অগ্ৰগতি হৈছে ? জনাবনে ?

শ্ৰীভৃগু কুমাৰ ফুকন ( গৃহমন্ত্ৰী )য়ে উত্তৰ দিছে—

১৮৯। অসম আৰু নগালেণ্ডৰ মাজত সীমা নিৰ্ধাৰণৰ বিষয়ত বহুতো দিশ ব্যাখ্যাৰ প্ৰয়োজন, তথাপিও আলোচনাৰ মাধ্যমেৰে দুয়ো ৰাজ্যৰ সীমা স্থায়ীভাবে সমাধান কৰিবলৈ হাতত লোৱা হৈছে। এই সম্পৰ্কত ইতিমধ্যে দুয়োৰাজ্যৰ মুখ্যমন্ত্ৰীদ্বয়ৰ মাজত কোহিমাত এলানি আলোচনা হৈ যায়। শিৱসাগৰ জিলাৰ এটি অংশত অসম নগালেণ্ডৰ সীমা চিনাক্তকৰণ কৰা হৈছে আৰু সীমাৰ খুটি বহুৱাবৰ কাৰণে দুয়ো ৰাজ্যৰ বিষয়াৰ মাজত আলোচনা কৰি থকা হৈছে।

বিঃ নৰনাৰায়ণ সেতু

শ্ৰীঅমৃত লাল বসুমতাৰীয়ে সুধিছে—

★১৯০। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্ম্মাণ কৰিব খোজা মহাৰাজ নৰনাৰায়ণ সেতুৰ কাম কিমান আগবাঢ়িছে ?

(খ) এই দলংখন নিৰ্ম্মাণ কৰিবলৈ মুঠ কিমান টকাৰ আঁচনি গ্ৰহণ কৰা হৈছে ?

(গ) বৰ্ত্তমানলৈ কিমান টকা মঞ্জুৰী হৈছে আৰু কিমান টকা খৰচ হৈছে ?

(ঘ) এই দলঙৰ নিৰ্ম্মাণৰ দায়িত্ব কোনে লৈছে ?

(ঙ) এইটো কথা সঁচা নেকি যে স্বৰ্গীয়া প্ৰধানমন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীয়ে আধাৰ শিলা স্থাপনৰ পিছৰ পৰা এই দলংখন নিৰ্ম্মাণৰ ক্ষেত্ৰত কোনো কাৰ্য্যকৰী ব্যৱস্থাই লোৱা হোৱা নাই ?

(চ) যদি সঁচা হয়, এই দলংখন সোনকালে নিৰ্ম্মাণ কৰিবলৈ আৱশ্যকীয়

অঁাচনিৰ অনুমোদন আৰু টকা মঞ্জুৰী লবলৈ ৰাজ্যচৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত অনতিপলমে যোগাযোগ কৰিবনে ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে—

১৯০। (ক) জনা নেযায়, কাৰণ দলং নিৰ্ম্মাণৰ দায়িত্ব ৰেল বিভাগৰ। দলঙৰ দুই মুৰৰ সংযোগ পথহে গড়কাপ্তানী বিভাগৰ।

(খ) এই বিষয়ৰ তথ্যপাতি উক্ত কাৰণত ৰাজ্য চৰকাৰৰ হাতত নাই।

(গ) জনা নেযায়।

(ঘ) ৰেল বিভাগে।

(ঙ) সংযোগ পথ নিৰ্ম্মাণৰ বাবে মাটি অধিগ্ৰহণৰ প্ৰাককলন কৰাৰ বাবে এই বিভাগে ব্যৱস্থা লৈছে। RITES এ দলংৰ জৰীপ আদিৰ কাম কৰিছে।

(চ) অঁাচনি অনুমোদনৰ বাবে ৰেল বিভাগে কেন্দ্ৰীয় চৰকাৰৰ লগত ব্যৱস্থা লব লাগিব আৰু ৰাজ্য চৰকাৰে কেৱল সংযোগ পথৰ বাবেহে ব্যৱস্থা লব। এই ক্ষেত্ৰত (ঙ)ৰ উত্তৰ উল্লেখ কৰিব পাৰি।

Re : Sub-Treasury Office

Shri AMRITLAL BASUMATARY asked :

*191. Will the Chief Minister be pleased to state—

(a) Whether there is a Sub-Treasury Office at Gossaigaon ?

(b) If not, when the Sub-Treasury will be started ?

Shri PRAFULLA KUMAR MAHANTA ( Chief Minister ) replied :

191. (a) No.

(b) As soon as arrangement with the State Bank of India is ready.

Re : Rail line over Kaliabhomora Bridge

Shri ABHIJIT SARMAH asked :

*192. Will the Minister, P. W. D. be pleased to state—

(a) Is there any proposal to have Rail line over the Kaliabhomora bridge at Silghat ?

(b) If so, whether the proposal has been sent to Government of India ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে—

১৯২। (ক) নাই।

(খ) প্ৰশ্ন নুঠে।

## UNSTARRED

## QUESTIONS AND ANSWERS

Date : 25th March, 1986

বিঃ ধেমাজীৰ পৰিবহন আস্থান।

শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে :

২২। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ধেমাজী মহকুমাৰ সদৰ ধেমাজীত থকা পৰিবহন নিগমৰ আস্থানৰ দুখ লগা অৱস্থাৰ বিষয়ে চৰকাৰে জানেনে ?

(খ) যদিহে জানে, এই আস্থানৰ উন্নতিৰ ব্যৱস্থা লোৱা হৈছেনে ?

(গ) ধেমাজী গুৱাহাটীৰ মাজত চলা নৈশ চুপাৰ বাছখন কিয় বন্ধ কৰি দিয়া হল জনাবনে ?

(ঘ) উক্ত বাছখন পুণৰ চলাবৰ বাবে কিবা চিন্তা কৰিছেনে ?

(ঙ) বৰ্ত্তমান অসম পৰিবহন নিগমৰ কিমানখন বাছ চলাচল কৰে আৰু বৰ্দ্ধিত চাহিদা অনুযায়ী নতুন বাছ কিনাৰ কথা চৰকাৰে ভাবিছেনেকি ?

(চ) অসমবাসীৰ যাতায়তৰ স্নবিধাৰ্থে নতুনকৈ বাছ কিনাৰ কিবা বিবেচনা কৰিছেনেকি ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (পৰিবহন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

২২। (ক) হয় জানে।

(খ) লোৱা হৈছে।

(গ) আৰু (ঘ) যাত্ৰীৰ সংখ্যা তাকৰৰ বাবে লোকচান হোৱাত নিগমে সাময়িক ভাবে উক্ত সেৱা বন্ধ ৰাখিছিল।

কিন্তু পুণৰ চলোৱাৰ বাবে ইতিমধ্যে ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

(ঙ) ৰাষ্ট্ৰীয়কৃত পথত বৰ্ত্তমান ৫৫০ খন বাছ দৈনিক চলাচল কৰে। বৰ্দ্ধিত চাহিদা অনুযায়ী আৰু নিগমৰ আৰ্থিক পুঁজিৰ প্ৰতি লক্ষ্য ৰাখি নতুন বাছ কিনাৰ কথা ভবা হৈছে।

(চ) যাত্ৰীৰ যাতায়তৰ স্নবিধাৰ প্ৰতি লক্ষ্য ৰাখি নিগমে ইতিমধ্যে প্ৰায় ১০০ খন নতুন বাছ কিনাৰ কথা চিন্তা কৰিছে।

Re : Irrigation Project at Mandia

Shri SHEIKH ABDUL HAMID asked :

23. Will the Minister, Irrigation be pleased to state :

(a) Is the Govt. aware of the fact that the irrigation (scheme

of) project of Mandia (eastern part) point 1, 2 and under Sorbhog irrigation sub-division of Barpeta District has been stopped for more than three years? If so why?

(b) Whether Govt. will take steps to reopen the above project immediately?

শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে,

২৩। (ক) হয়, জানে। বিজুলীতাঁৰ আৰু মটৰ চুৰি হোৱাৰ বাবে।

(খ) বিজুলীতাঁৰ পুৰ্ণসংযোজনৰ বাবে অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ লগত যোগাযোগ কৰা হৈছে।

বিঃ নৈৰ প্ৰকল্পৰ জৰীপ।

শ্ৰীমহেন্দ্ৰ মোহন ৰায় চৌধুৰীয়ে সুধিছে:

২৪। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) দৰং জিলাৰ কলাইগাওঁ আৰু পানেৰি সমষ্টিৰ অন্তৰ্গত ১নং বটাবাৰী নৈৰ নদীৰ প্ৰকল্পৰ জৰীপৰ নামত ৮ লাখ টকা খৰছ কৰা কথাটো সঁচানে?

(খ) যদি সঁচা হয় এই প্ৰকল্পটোৰ অগ্ৰগতিৰ বাবে কিবা ব্যৱস্থা লোৱা হৈছে নেকি?

শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে:

২৪। (ক) সঁচা নহয়।

(খ) জৰীপৰ অসম্পুৰ্ণ কামখিনি সোনকালে শেষ কৰিবলৈ ব্যৱস্থা হাতত লোৱা হৈছে।

## SHORT NOTICE

## QUESTION AND ANSWERS

Date : 25th March, 1986

Re : Protection of J. B. Hagjir Memorial High School.

Shri SILVIUS CONDPAN asked :

5. Wiil the Minister, Irrigation be pleased to state :

Whether the Department has taken up any protection measure to protect the National High-way, J. B. Hagjir Memorial High School at Rawta Chariali and several villages nearby due to danger of breach of National High-way resulting in overflow of flood water by its Irrigation canal during rainy season ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৫। ধনশিৰি জলসিঞ্চন প্ৰকল্পৰ ডি, বি, এম, নলাৰ ৫৬০০ চেইনেজত ৰাইখোলা নামেৰে ডোঙ এটা সোমাই সেই নলাৰ মাজেৰে বৈ গৈ ৰাস্তাৰ সি কাষত থকা "জয়ভদ্ৰ হাগজেৰ সোঁৱৰণী" স্কুলৰ চৌহদৰ মাটি বানপানীৰ সময়ত খহনীয়াৰে ধ্বংস আৰম্ভ কৰাৰ বাবে ৰাইজৰ অনুৰোধত ১৯৮৪ চনতেই সেই ৰাজহুৱা অনুষ্ঠানটো ৰক্ষা কৰিবৰ বাবে বিভাগীয় ভাবে কিছু অস্থায়ী নিৰাপত্তাৰ ব্যৱস্থা লোৱা হৈছিল।

শ্ৰীচিলভিউচ কন্দপান :—অধ্যক্ষ মহোদয়, অস্থায়ী ব্যৱস্থা লোৱা হৈছিল যদিও এই ব্যৱস্থা ইতিমধ্যে নিশ্চিন্ন হৈ গৈছে। ক্ৰমবৰ্দ্ধমান বানপানীৰ ফলত আগৰ অৱস্থাই হৈছে। এই স্কুলখন আৰু ওচৰ পাজৰৰ গাওঁবোৰৰ এই বাৰিষাৰ আগতে বেলেগ ব্যৱস্থা হব বুলি আশংকা কৰা হৈছে। গতিকে এইবাৰ ব্যৱস্থা লোৱাৰ চিন্তা চৰকাৰে কৰিবনে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, প্ৰশ্নটোৰ কাৰণে মাননীয় সদস্য গৰাকীক ধন্যবাদ জনাইছো। মই এই বিষয়টো সোনকালেই বিষয়া সকলৰ লগত আলোচনা কৰিম।

Short Notice Question No. 6 Not put member being absant.

মাননীয় অধ্যক্ষ: এতিয়া মঞ্জুৰী নং ৬৩, বান নিয়ন্ত্ৰণ মন্ত্ৰী শ্ৰীভৰত চন্দ্ৰ নৰহে উত্থাপন কৰিব।

শ্ৰীভৰত চন্দ্ৰ নৰহ (বান নিয়ন্ত্ৰণ মন্ত্ৰী): অধ্যক্ষ মহোদয়, অসমৰ ৰাজ্যপালৰ অনুমোদন ক্ৰমে মই প্ৰস্তাৱ কৰিব খোজো যে ১৯৮৭ চনৰ ৩১ মাৰ্চত শেষ হবলগীয়া বছৰটোৰ কালচোৱাত "বান নিয়ন্ত্ৰণ" শিতানৰ প্ৰশাসনৰ ক্ষেত্ৰত বহন কৰিবলগীয়া ৪২,৮৬,৪২,০০০ পৰিমাণৰ টকা ভাৰপ্ৰাপ্ত মন্ত্ৰীক মঞ্জুৰ কৰা হওঁক।

মাননীয় অধ্যক্ষ: এই মঞ্জুৰীটোৰ ওপৰত ৫টা কৰ্ত্তন প্ৰস্তাৱ আছে। এতিয়া মাননীয় সদস্য সকলে এজন এজনকৈ কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰি যাওঁক।

শ্ৰীস্বৰূপ উপাধ্যায়: অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ কৰিব খোজো যে বাজেট মঞ্জুৰী দাবীৰ দ্বিতীয় খণ্ডৰ দশম অংশৰ ১-২৮ পৃষ্ঠাত থকা "বান নিয়ন্ত্ৰণ" শিতানৰ ৬৩ নং মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা দাবীৰ সমগ্ৰ ৪২,৮৬,৭২,০০০ টকাৰ পৰা ১০০ টকা হ্ৰাস কৰা হওঁক অৰ্থাত সমুদায় মঞ্জুৰীৰ ৪২,৮৬,৪২,০০০ টকা ১০০ টকাৰে হ্ৰাস কৰা হওঁক।

Sheikh Abdul Hamid: Sir, I beg to move that the total provision of Rs. 42,86,42,000, under Grant No. 63. in respect, of "Flood Control' at pages 1-28 of volume II, Part X of the budget, be reduced to Re. 1.00, the amount of the whole grant of Rs.42.86,42,000, do stand reduced to Re. 1.00.

Shri Abdul Jalil: Sir, I beg to move that the total provision of Rs. 42,86,42,000, under Grant No. 63 in respect of "Flood Control" at pages 1-28 of Volume II. Part X of the Budget be reduced by Rs. 100.00, i.e., the amount of the whole grant of Rs. 42,86,42,000, do stand reduced by Rs. 100.00.

Shri Charan Narzary: Sir, I beg to move that total provision of Rs. 42,86,42,000, under Grant No. 63. in respect of "Flood Control" at page 1-28 of Volume II. Part-X of the budget be reduced to Re 1.00, i.e., the amount of the whole grant of Rs. 42,86,42,000, do stand reduced to Re. 1.00.

মাননীয় অধ্যক্ষ: এতিয়া মাননীয় সদস্য শ্ৰীস্বৰূপ উপাধ্যায় কৰ্ত্তন প্ৰস্তাৱৰ ওপৰত কব।

শ্ৰীস্বৰূপ উপাধ্যায় : মাননীয় অধ্যক্ষ মহোদয়. বান নিয়ন্ত্ৰণ বিভাগৰ কাৰণে যি দাবী মঞ্জুৰী এই সদনত উত্থাপতি হৈছে আৰু তাৰ ওপৰত যিটো কৰ্ত্তন প্ৰস্তাৱ দাঙি ধৰা হৈছে সেই কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰি মই কেইটামান কথা কবলৈ আগবাঢ়িছো। বান নিয়ন্ত্ৰণ বিভাগৰ ওপৰত আমাৰ মাননীয় সদস্য সকলে ভালেমান উপদেশ আৰু পৰামৰ্শ দিয়াৰ অৱকাশ আছে। বাৰিষা অহাৰ লগতে ভালেমান অঞ্চল সমগ্ৰ অসমতে গড়াখহনীয়া আৰু বানপানীৰ প্ৰকোপত অতীষ্ঠ হয়। ইয়াৰ কাৰণে আজিকোপতি কোনো ব্যৱস্থা সঠিক ভাবে লব পৰা নাই আৰু বানপানী আৰু গড়াখহনীয়া আৰম্ভ হলে চৰকাৰ কিম্বা জনসাধাৰণ কেৱল নিৰব দৰ্শক হৈহে থাকিবলগীয়া হয়। বান পানীৰ প্ৰতিৰোধ আৰু গড়াখহনীয়া বন্ধ কৰাৰ কাৰণে কোনো ফলপ্ৰসূ ব্যৱস্থা লব পৰা নহয়গৈ। তেতিয়া কেৱল প্ৰাণ হানিৰ পৰা নিপীড়িত লোকক ৰক্ষা কৰা, ৰিলিফ দিয়া আৰু স্থানান্তৰ কৰা আদি কামতে চৰকাৰ আৰু চৰকাৰী বিষয়াবৰ্গ ব্যস্ত হব-লগীয়া হয়। তাৰ কাৰণেও আকৌ বান নিয়ন্ত্ৰণ বিভাগে স্বকীয়াকৈ টকা খৰচ কৰাৰ প্ৰয়োজন আহি পৰে।

মাননীয় অধ্যক্ষ মহোদয়, যোৱা আঠত্ৰিশ বছৰে কি হৈছে কি হৈ আছিল কিমান খিনি কৰিব পৰা নহ'ল সেই কথা মই আৰু পুনৰ দোহাৰিব খোজা নাই কিয়নো ট্ৰেজাৰি বেঞ্চৰ মাননীয় সদস্য সকলে সেই বিষয়ে ইতিমধ্যে এই সদনৰ মজিয়াতে যথেষ্ট খিনি কৈ গৈছে। বানপানী নিয়ন্ত্ৰণ আৰু গড়াখহনীয়া প্ৰতিৰোধ কৰাৰ কাৰণে চৰকাৰে দীৰ্ঘম্যাদী আৰু হ্ৰস্বম্যাদী আঁচনি লব লাগিব। কিন্তু কি ভাবে এই আঁচনি লব সেইটোহে আচল কথা। এই ক্ষেত্ৰত যি সমূহ আঁচনি লোৱা যায় তাৰ দ্বাৰা নিয়ন্ত্ৰণ আৰু প্ৰতিৰোধ নিশ্চিত কৰিব পাৰিব লাগিব। ইয়াৰ কাৰণে যি বৈজ্ঞানিক দৃষ্টিভঙ্গীৰ প্ৰয়োজন সেইখিনি আঁচনিৰ গুৰিতে লব লাগিব। বৈজ্ঞানিক দৃষ্টিভঙ্গীৰে যি অনুসন্ধান, তথ্যপাতিৰ দৰকাৰ সেই সকলো প্ৰয়োজনীয় তথ্যপাতি সংগ্ৰহ কৰি যিহেতু বৰ্ত্তমানৰ অসম চৰকাৰে তথা এ-জি-পি চৰকাৰে সকলো কাম নতুনকৈ আৰম্ভ কৰিবলৈ লৈছে গতিকে তথ্যপাতি সম্পূৰ্ণ সংগ্ৰহ কৰিহে বৈজ্ঞানিক দৃষ্টিভঙ্গীৰে কামত অগ্ৰসৰ হোৱা ভাল হব। অসমৰ সমগ্ৰ উপনৈ আৰু ব্ৰহ্মপুত্ৰ এই দুয়োফালৰ পৰা আমাৰ অসমৰ কাৰণে বানপানী আৰু গড়াখহনীয়া হৈ আছে। তেনে ক্ষেত্ৰত আমি বৈজ্ঞানিক দৃষ্টিৰে নিশ্চিত কৰিব লাগিব প্ৰথমতে উপনৈ সমূহ নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰিলে ভাল ফল পাব নে ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণ কৰিবলৈ গলে ভাল ফল পাম। সেইটো নিশ্চিত কৰিব লাগিব। তাৰ উপৰিও

এইটো কথা আমি বৈজ্ঞানিক দৃষ্টিভঙ্গীৰে চাব লাগিব যে বানপানী নিয়ন্ত্রণ আগতে কৰিব লগীয়া কথা নে গড়াখহনীয়া প্ৰতিৰোধ আগতে কৰিব লাগিব। কিয়নো বান পানী হলেও বানপানী যোৱাৰ ফলত আমি মাটিখিনি পুনৰাই খেতিৰ কাৰণে পাওঁ। কিন্তু গড়াখহনীহলে মাটি খিনি একেবাৰে গুচি যায়। ইয়াৰ বাবে প্ৰথমতে কোনটো কাম হাতত লোৱা ভাল হব সেইটো বৈজ্ঞানিক দৃষ্টিভঙ্গীৰে চালিজাৰি চাই সেই মতে আঁচনি লব লাগিব। বানপানীৰ কাৰণে ধৰা টকা পিচত গৈ সাহায্য আদি দিয়াৰ কাৰণে খৰচ কৰাৰ ফলত প্ৰকৃত পক্ষে বানপানী নিয়ন্ত্রণৰ কামত খৰচ কৰিবলৈ টকাৰ নাটনি হয়গৈ। ফলত ৰাইজৰ বিশেষ উপকাৰত নহাকৈয়ে আবণ্টিত ধন খৰচ হৈ যায়। এই ক্ষেত্ৰত বান নিয়ন্ত্ৰণ বিভাগৰ বিষয়া সকলক বিশেষজ্ঞ সকলক এই সমূহ তথ্যপাতি চালিজাৰি চোৱাৰ কাৰণে নিৰ্দ্দেশ দিব লাগে। নদী বিলাকৰ বক্ষ তৰাং হৈ পৰিছে নেকি, কোন কোন ঠাইত সচৰাচৰ ভাঙোন আৰম্ভ হয়. গড়াখহনীয়া কোন কোন ঠাইত কোন কোন সময়ত আৰম্ভ হয় এই সকলো বিলাক তথ্যপাতি আগতীয়াকৈ সংগ্ৰহ কৰিব লাগিব বিভাগৰ পৰা আৰু সেই অনু-পাতে বৈজ্ঞানিক দৃষ্টিভঙ্গীৰে আঁচনি তৈয়াৰ কৰি কামত অগ্ৰসৰ নহলে আগৰ বছৰ বিলাকৰ নিচিনা অসমত বানপানী প্ৰতিৰোধ আৰু গড়াখহনীয়া প্ৰতিৰোধৰ কাম নামতহে হবগৈ, প্ৰকৃত পক্ষে ফলপ্ৰসু কাম নহব। দুই তিনি বছৰ ধৰি কোনো কোনো ঠাইত গড়াখহনীয়া নহয়, সেই বিলাকৰ বিজ্ঞান সন্মত কাৰণ অধ্যয়ন কৰিব লাগিব। বিষয়াসকলে আৰু বিশেষজ্ঞ সকলে সকলো ধৰণৰ অধ্যয়ন কৰি সেই অনুপাতে আচনি তৈয়াৰ কৰিব লাগিব কেনেকুৱা ধৰণৰ যন্ত্ৰপাতি আৰু কেনেকুৱা ধৰণৰ আচনিৰে কামত আহিব সেই বিষয়ক গভীৰ অধ্যয়ন আৰু অনুসন্ধান কৰি তথ্যপাতি সহকাৰে কাৰ্য্যকৰী ব্যৱস্থা হাতত লব লাগিব বুলি মই বাননিয়ন্ত্ৰণ মন্ত্ৰী মহোদয়ৰ ওচৰত তথা অসম চৰকাৰৰ ওচৰত পৰামৰ্শ ৰাখিছো। যদি এই ভাবে কামত অগ্ৰসৰ হোৱা নাযায় তেতিয়াহলে যোৱা আঠত্ৰিশ বছৰে যিবিলাক কাম হৈ উঠিল আগত উনচল্লিশ বা চল্লিশ বা একচল্লিশ বছৰতো সেই কামসমূহ আগৰ লেখিয়া হৈয়েই থাকিব।

অধ্যক্ষ মহোদয়, এটা কথাৰ ওপৰত অভিযোগ সঘনাই পোৱা যায় যে প্ৰকল্প-বোৰ যিভাবে আৰম্ভ কৰা হয় সেইমতে কাৰ্য্যক্ষেত্ৰত ৰূপায়িত নহয়, যিভাবে ফল আশাকৰা হয় সেইভাবে ফল পোৱা নাযায়। ইয়াৰ কাৰণ নিৰূপণ কৰি উলিয়াই লব লাগিব আৰু সেইমতে কামত অগ্ৰসৰ হব লাগিব। মন্ত্ৰী সকল বৈজ্ঞানিক নহয় বা হোৱাটোও সম্ভৱপৰ নহয় কিন্তু সেইবুলি বৈজ্ঞানিক দৃষ্টিভঙ্গীৰে কাম-কাজ বিলাক হাতত লওঁতে বিষয়াসকল, বিশেষজ্ঞ সকলৰ দ্বাৰা সকলো কথা চালিজাৰি চাই সেইমতে আচনি লব লাগিব। তথ্যপাতি আদি সংগ্ৰহ কৰি কাম ঠিকমতে নকৰিলে

ৰাইজে বিশেষজ্ঞ সকলক দোষাৰোপ নকৰিব, দোষ দিব এডমিনিষ্ট্ৰেচনৰ ওপৰত। গতিকে এডমিনিষ্ট্ৰেচনৰ অৰ্থাৎ মন্ত্ৰী পৰ্য্যায়ত এই সকলো কথা চালিজাৰি চাব লাগিব। বিশেষজ্ঞ আৰু বিষয়াসকলক সেইভাবে কামত খটুৱাব লাগিব। চৰকাৰী কৰ্ম্মচাৰী সকলৰ ওপৰত দোষ আৰোপ কৰিলেই নহব। সেই সকললোক মন্ত্ৰী সভাৰ তলতীয়া কৰ্ম্মচাৰী, বি ভাবে কাম কৰিবলৈ নীতি নিৰ্দ্ধাৰণ কৰি দিয়া হয় সেই মতেই চৰকাৰী কৰ্ম্মচাৰী বিষয়া সকলে কাম কৰিব। অফিচাৰ সকলে দুৰ্নীতি কৰিলে বুলি কলেও নহব। আগৰ চৰকাৰে বেয়া কৰিছে কাৰণে এতিয়া ভাল কৰিব পৰা নগ'ল বুলি কলেও নহব। সেই বেয়া সমূহ ভাল কৰিবৰ কাৰণে বৰ্ত্তমানৰ চৰকাৰ আছে, ব্যৱস্থা আছে আৰু সেইমতে কাম আৰম্ভ কৰিব লাগিব। মই এই ক্ষেত্ৰত বাননিয়ন্ত্ৰণ মন্ত্ৰী মহোদয়ৰ ওচৰত পৰামৰ্শ ৰাখিব খোজো যে যিবিলাক প্ৰকল্প ইতি-মধ্যে আৰম্ভ হৈছে সেইবিলাক সম্পূৰ্ণ কৰাৰ কাৰণে ব্যৱস্থা হাতত লব লাগে। যিবিলাক নদীৰ বানপানী নিয়ন্ত্ৰণ আৰু গড়াখহনীয়া প্ৰতিৰোধ কৰাব কথা লোৱা হয় সেই ক্ষেত্ৰত কোনটো আগতে কৰিবলগীয়া সেইটো বৈজ্ঞানিক দৃষ্টিভঙ্গীৰে চাই সেইমতে কাম আৰম্ভ কৰিব লাগে। মোৰ সমষ্টিৰ ঐতিহাসিক আৰু সাংস্কৃতিক কেন্দ্ৰ গাংমৌথান এতিয়া বহু বছৰ ধৰি গড়াখহনীয়াৰ প্ৰকোপত নিশ্চিহ্ন হওঁ হওঁ। যিভাবে গড়াখহনীয়া হৈ আছে তেনেভাৱে আৰু দুই চাৰি বছৰৰ ভিতৰতে অসমৰ সাংস্কৃতিক আৰু ঐতিহাসিক কেন্দ্ৰ সমূহৰ অন্যতম গাংমৌথান নিশ্চিহ্ন হৈ যাব। গতিকে মই অনতিপলনে চৰকাৰৰ বিভাগীয় বিভাগক ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ পৰা ঐতি-হাসিক গাংমৌথান ৰক্ষা কৰাৰ ব্যৱস্থা লবলৈ পৰামৰ্শ আগবঢ়ালো। অধ্যক্ষ মহোদয়, এইখিনিতে মই এটা কথা উল্লেখ কৰিব খুজিছো যে আমাৰ যিটো ভূমি সংৰক্ষণ (চইল কনজাৰভেশ্বন) বিভাগ আছে সেই বিভাগটোও বান নিয়ন্ত্ৰণ বিভাগৰ লগত সঙ্গতি সমন্বয় ৰাখি ব্যৱস্থা ললে ভাল কিয়নো ভূমি সংৰক্ষণ বিভাগে যিহেতু বহু ক্ষেত্ৰত সৰু সুৰা নদীৰ কাম হাতত লৈছে। গতিকে প্ৰকল্প বিলাক কৰোতে এই বিভাগৰ লগতো আলোচনা আদি কৰি কৰিলে ভাল হয়। সকলো ক্ষেত্ৰত পাৰিপাশ্বিক ভাৰসাম্য (ইক'লজিকেল বেলেন্স মেইনটেইন) ৰক্ষা কৰাৰ কাৰণে দৃষ্টি ৰাখিব লাগে। তেতিয়াহলে বাননিয়ন্ত্ৰণৰ আচনি বিলাক সফলভাৱে ৰূপায়ণ কৰাত সহজ হব। বৈজ্ঞানিক দৃষ্টি ভঙ্গীৰে কাম হাতত নললে কোনো আচনিৰ দ্বাৰাই ৰাইজৰ উপকাৰত অহা বলিষ্ঠ পদক্ষেপ লব পৰা নহব বুলি এইখিনিতে মই বিভাগীয় মন্ত্ৰী মহোদয়ক জনাই থব বিচাৰিছো। মই কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰি এইটো কব বিচাৰিছো যে প্ৰত্যেক পৰিকল্পনাতে বৈজ্ঞানিক দৃষ্টিভঙ্গী লওক আৰু সেইমতে কাম কৰিবলৈ অগ্ৰসৰ হওক। যোৱা বছৰৰ কাৰণে এই কাম কৰিব পৰা নহল এই কথা যাতে আকৌ দুই তিনি বছৰলৈ আমি শুনিবলৈ নাপাওঁ সেই অনুক্ৰমে ব্যৱস্থা লবলৈ বিভাগীয় মন্ত্ৰী মহোদয়ৰ ওচৰত অনুৰোধ ৰাখি কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

মাননীয় অধ্যক্ষ :—এতিয়া মাননীয় সদস্য শ্বেখ আব্দুল হামিদ ডাঙৰীয়াই কৰ্ত্তন প্ৰস্তাৱৰ ওপৰত কব।

শ্ৰীশ্বেখ আব্দুল হামিদ : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বান নিয়ন্ত্ৰণ মন্ত্ৰী ডাঙৰীয়াই ১৯৮৬-৮৭ চনৰ বছৰটোৰ কাৰণে যি টকাৰ প্ৰস্তাৱ আনিছে তাৰ ওপৰত মই কৰ্ত্তন প্ৰস্তাৱ উত্থাপিত হোৱা অনুসৰি সমৰ্থন কৰিছো। এই ক্ষেত্ৰত মই কব বিচাৰিছো যে এই বান নিয়ন্ত্ৰণ বিভাগে ইমান দিনে যিখিনি কাম কৰিছে তাৰ দ্বাৰা অসমৰ ৰাইজৰ কোনো উপকাৰত অহা নাই। কিয়নো দেখা গৈছে যে প্ৰত্যেক বছৰে ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ বিলাকে বানপানী আৰু গড়াখহনীয়াত হাজাৰ হাজাৰ বিঘা মাটি প্লাৱিত কৰি আছে। ইয়াৰ দ্বাৰা সাধাৰণ মানুহৰ ধাৰণা হৈছে যে ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণ বোৰ্ড বা বানপানী নিয়ন্ত্ৰণ বিভাগ বুলি অসম চৰকাৰৰ কিবা বিভাগ থকা বুলি সন্দেহ হৈছে। কিয়নো প্ৰত্যেক বছৰে ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়া আৰু বানপানীৰ প্ৰকোপত হাজাৰ হাজাৰ বিঘা মাটি নষ্ট হৈ আছে। ইয়াৰ লগে লগে মানুহৰ ঘৰদুৱাৰ উঠাই লৈ যায়। এই সম্পৰ্কত যে চৰকাৰে টকা খৰচ কৰিছে সেই সম্পৰ্কেও ৰাইজৰ ভ্ৰম উপস্থিত হৈছে। ৰাইজৰ মনত ভ্ৰান্ত ধাৰণা উপজিছে। প্ৰত্যেক বছৰে ব্ৰহ্মপুত্ৰৰ বান আহি তাণ্ডৱ লীলাৰ সৃষ্টি কৰে আৰু এটা সময়ত সেই নদীৰ বুকুত চৰ পৰে। বানপানীত উটি ভাহি যোৱা মানুহ বিলাক আকৌ সেই চৰ অঞ্চলত বসতি কৰিবলৈ লয়। ফলত যোৱা সময় ছোৱাত বহু মানুহৰ ভুল ধাৰণা উপজিছিল যে চৰ অঞ্চলত থকা মানুহ মাত্ৰেই বিদেশী, বাংলাদেশী লোক। আন্দোলনৰ সময়ত এনেকৈয়ে চৰ অঞ্চলত বাস কৰা লোক সকলক বাংলাদেশী বা বিদেশী আখ্যা দিয়া হৈছিল। কিন্তু অধ্যক্ষ মহোদয়, মই নিজে সেই চৰ অঞ্চলত থকা লোক। মোৰ জন্মও হৈছিল চৰ অঞ্চলতে আৰু আজি চল্লিশ বছৰ আগৰ পৰা আমি চৰ অঞ্চলত থাকি আহিছো। মইতো আৰু বাংলাদেশী নহওঁ। এই সমস্যাৰো সৃষ্টি হৈছে বান নিয়ন্ত্ৰণ আৰু গড়াখহনীয়া ৰোধ কৰিব নোৱাৰা কাৰণতেই। আমি ইমান দিনে দেখি আহিছো বান নিয়ন্ত্ৰণৰ নামত গড়াখহনীয়া প্ৰতিৰোধ কৰাৰ নামত ব্ৰহ্মপুত্ৰৰ পানীত যন্ত্ৰ চালিত নাওঁ চলাই থকা বহু ইঞ্জিনীয়াৰক দেখিছো, বহুত বিষয়াক দেখিছো তেওঁলোকে হেনো নদীৰ পানীৰ সোতৰ জৰীপ কৰে। ইমান দিনে কি ধৰণৰ জৰীপ কৰি আছে আমি বুজি পোৱা নাই কিন্তু আজি পৰ্য্যন্ত হলে বান নিয়ন্ত্ৰণ কৰিব পৰা হোৱা নাই আৰু জৰীপো চলাই থকা হৈছে। আজি আমি দেখিছো যে চীন দেশত হোৱাংহো নদী পৰিকল্পনা কৰি নিয়ন্ত্ৰণ কৰি লৈছে আৰু জনসাধাৰণৰ উপকাৰত অহা কৰি লৈছে কিন্তু আমাৰ ইয়াত ব্ৰহ্মপুত্ৰ নদীৰ লগত যিমান টকা খৰচ কৰা হৈছে সেই টকাৰে হোৱাংহো নদীৰ দৰে ব্ৰহ্মপুত্ৰৰো দুয়োপাৰ বন্ধাই দিবপৰা হলহেতেন। ইমান দিনে যিমান ইঞ্জিনীয়াৰ নিয়োগ কৰা

হয় তাৰ পৰা কোনো উপকাৰ ৰাইজৰ হোৱা নাই। উদাহৰণ স্বৰূপে মই কব বিচাৰিছো যে ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণ কৰিবৰ কাৰণে যিবিলাক বাহৰ বেৰ বা পাৰ্কুপাইন দিয়া হয়, শিলগুটি আদি যি ভাবে গড়াখহনীয়া প্ৰতিৰোধ কৰিবলৈ বিচৰা হয় সেইটো সঁচাকৈ হাঁহি উঠা কথা। তাৰ দ্বাৰা জনসাধাৰণৰ কোনো কামত নাহে। ব্ৰহ্মপুত্ৰ নদীৰ সোঁত ইমান প্ৰবল যে তাক ভাল ভাবে অধ্যয়ন নকৰাকৈ খৰালি মাহত পানী কম হোৱা ঠাইত তলীৰে পৰা তেনে বান্ধি অহাৰ ব্যৱস্থা নকৰিলে এনে ভাৱে পাৰ্কুপাইনৰ নামত বাহনে বেৰ দিলে কেৱল খৰচ কৰাহে হয়। কোনো ফলপ্ৰসু কামত নাহে। গোৱালপাৰাৰ ওচৰত খৰমোজা অঞ্চলত তেনেকৈ বেৰেজ দিয়াৰ ব্যৱস্থা দেখিছিলো কিন্তু দুই তিনি মাহৰ পিচতে অহা প্ৰবল সোঁতে তাক উঠাই লৈ যায়। এনেকুৱাকৈয়ে চৰকাৰী টকাৰ অপচয় হয়। বেৰেজেই হওঁক বা পাৰ্কুপাইন হওক খৰালি মাহত তলীৰ পৰা বান্ধি অনা ব্যৱস্থা নকৰিলে কেৱল নদীৰ ওপৰত জাপি দিলেই প্ৰতিৰোধ কৰিব পৰা নহয়। এই বিলাক কাম বিষয়া আৰু ইঞ্জিনীয়াৰ সকলে নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবেহে যে কৰে সেই কথা ভাবিবলৈ জনসাধাৰণ বাধ্য হৈছে। কিয়নো ইয়াৰ দ্বাৰা ৰাইজৰ কোনো উপকাৰত অহা নাই। গতিকে আমাৰ অন্যান্য দেশ বিলাকৰ নিচিনা আমাৰ ইয়াতো আমাৰ চৰকাৰে হোৱাংহো, ভাক্ৰা-নাঙল অথবা ফাৰাক্কাৰ নিচিনা পদ্ধতি অনুসৰণ কৰি নদীৰ বানপানী আৰু গড়াখহনীয়া প্ৰতিৰোধ কৰাৰ ব্যৱস্থা হাতত লব লাগে। ব্ৰহ্মপুত্ৰই যি সময়ত এতিয়া ৰাইজৰ হাহাকাৰ কৰি থকা অৱস্থাৰ সৃষ্টি কৰিছে সেই অনুসৰি বৈজ্ঞানিক দৃষ্টিভঙ্গীৰে নিয়ন্ত্ৰণ কৰিলে ইয়াৰ পৰা সুফল ৰাইজক দিব পৰা যাব আৰু আমাৰ অসম খন শস্য শ্যামলা সোনালী ধাননিৰে ভৰপুৰ হব। তেতিয়া আমি আমাৰ খাদ্য শস্যৰ কাৰণে আনৰ ওচৰত হাত পাতিব লগীয়া অৱস্থাৰো ওৰ পৰিব। অসমৰ সাৰুৱা মাটিত সোনালি গজালি মেলিবৰ কাৰণে তেনে ভাবে কাম কৰিব লাগিব। ব্ৰহ্মপুত্ৰ নদী স্থায়ী ভাবে নিয়ন্ত্ৰণ কৰিব পাৰিলেহে আমি এই ধৰণৰ অৱস্থা আশা কৰিব পাৰো। মই মন্ত্ৰী মহোদয়ক এই কথা অনুৰোধ ৰাখিছো। তেতিয়াহলে প্ৰতি বছৰতে নদী নিয়ন্ত্ৰণ আৰু খহনীয়া প্ৰতিৰোধৰ নামত হাজাৰ হাজাৰ টকা খৰচ কৰিব নালাগিব।

অধ্যক্ষ মহোদয়, ব্ৰহ্মপুত্ৰ নদীখন নিয়ন্ত্ৰণৰ নামত বছৰে বছৰে কোটি কোটি টকা খৰচ কৰি থকা হৈছে অথচ কামত একো হোৱা নাই। বিভাগে প্ৰত্যেক বছৰে ইয়াৰ কাৰণে জৰিপ কৰে, আচনি তৈয়াৰ কৰে, টকা খৰচ কৰে ইয়াৰ দ্বাৰা এচাম লোকৰ স্বাৰ্থহে সিদ্ধি হয় কিন্তু ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণ হৈ নুঠে। ব্ৰহ্মপুত্ৰ নদীক নিয়ন্ত্ৰণ কৰিবলৈ লোৱাৰ লগে লগে ইয়াৰ উপনৈ সমূহো নিয়ন্ত্ৰণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে, লগে লগে। অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰৰ অসমৰ যি ভাব সেই ভা

আচলতে বৈমাত্রিক সুলভ বুলিহে মই কব খুজিছো। কেন্দ্ৰীয় চৰকাৰে অসমত আন ৰাজ্যৰ দৰে একে চকু নিদিয়ে। মই এই খিনিতে এটা কথা কব খুজিছো- ১৯৭৮ চনত যেতিয়া জনতা চৰকাৰ শাসনত আছিল তেতিয়া বিশ্ব বেংকে ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণৰ কাৰণে ৫০০০ কোটি টকা আগবঢ়াইছিল বুলি জানিবলৈ পাইছিলো। কিন্তু এই টকা কলৈ গল, আহিল নে নাহিল একো কব নোৱাৰিলো। আমাৰ চৰকাৰে এতিয়া কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি বিশ্ব বেংকৰ এই পাচ হেজাৰ কোটি টকা কেনেকৈ আনিব পাৰি তাৰ কাৰণে তত্কালীন ব্যৱস্থা হাতত লব লাগে। কেন্দ্ৰীয় চৰকাৰ তথা বিশ্ব বেংকৰ লগত যোগাযোগ কৰিব লাগে। এইখিনি টকা পালে ব্ৰহ্মপুত্ৰ, ইয়াৰ উপনৈ সমূহ চিৰস্থায়ী ভাবে নিয়ন্ত্ৰণ কৰিব পৰা যাব বুলি আমি ভাবো। বান নিয়ন্ত্ৰন বিভাগৰ মন্ত্ৰীয়েও এই বিষয়টোৰ ওপৰত দৃষ্টি দিয়া উচিত।

অধ্যক্ষ মহোদয়, মই আৰু এটা কথা কব খুজিছো—সেইটো হৈছে আমাৰ বান নিয়ন্ত্ৰণ বিভাগৰ কাৰ্যালয়বোৰ নদীৰ পৰা বহুত আতৰত অৱস্থিত। মোৰ বোধেৰে এই কাৰ্য্যালয়বোৰ নদীৰ নিচেই ওচৰত নিগাজীকৈ ঘৰ-দুৱাৰ সাজি স্থাপন কৰিব লাগে। তেতিয়াহলে ইয়াৰ বিষয়া বা ইঞ্জিনীয়াৰ সকলে ব্ৰহ্মপুত্ৰ বা ইয়াৰ উপনৈ সমূহত যেতিয়া বানপানী উঠে তেতিয়া ভালদৰে নিৰিক্ষণ কৰিবলৈ সুবিধা পাব আৰু তত্কালীন ব্যৱস্থা লবলৈ সাজু হব পাৰিব। মোৰ সমষ্টিৰ যিটো বান নিয়ন্ত্ৰণ কাৰ্যালয় সি অৱস্থিত হৈছে বৰপেটাত। য'ৰ পৰা নদীৰ দূৰত্ব হৈছে প্ৰায় ৭০ কিলোমিটাৰ। ইমান দূৰৈৰ পৰা বিষয়াসকলে কি কাম কৰিব পাৰিব? সেয়ে মোৰ বোধেৰে এই বিভাগৰ কাৰ্যালয়বোৰ নদীৰ সমীপত স্থাপন কৰাৰ ব্যৱস্থা ললে সকলোৰে উপকাৰত আহিব। ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ সমূহ যদি চিৰস্থায়ী ভাবে নিয়ন্ত্ৰিত কৰিব পৰা নেযায় তেতিয়াহলে মানুহৰ দুখ দুৰ্দ্দশা কেতিয়াও শেষ নহব। কোটিয়ে কোটিয়ে অবাবত টকা খৰচ কৰি লাভ নহব। ভালদৰে পৰিকল্পনা প্ৰস্তুত কৰি কামত আগবাঢ়িব লাগিব। ব্ৰহ্মপুত্ৰৰ বুকুখন ভালদৰে খন্দাৰ ব্যৱস্থা কৰিব লাগিব আৰু এই কাৰ্য্য হাতত লব লাগে যেতিয়া নদীত পানী শুকাবলৈ আৰম্ভ কৰে তেতিয়াৰ পৰাই। এই বিষয়টোৰ প্ৰতি মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো।

অধ্যক্ষ মহোদয়, পূব অংশৰ পৰা পশ্চিম অংশলৈ, ইতিহাস প্ৰসিদ্ধ বৰুৱা কাঞ্চনপুৰৰ পৰা হাদিৰা চকীলৈ চৰকাৰে ব্ৰহ্মপুত্ৰৰ পাৰটো বন্ধাৰ কাৰণে এতিয়াই চেষ্টা কৰিব লাগিব। মই এই ক্ষেত্ৰত বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছো। অধ্যক্ষ মহোদয়, মই এই দাবী মঞ্জুৰীৰ ওপৰত কৰ্ত্তন প্ৰস্তাৱ এই কাৰণেই উত্থাপন কৰিছো যে এই বিভাগৰ কাম-কাজ ভাল হোৱা নাই আৰু যি হৈছে সেইবোৰো আসোৱাহপুৰ্ণ। এই বিভাগৰ কাম-কাজত চৰকাৰ সতৰ্ক হব লাগিব, অকল নদীত পৰ্কপাইন দিলেই নহব। প্ৰত্যেক বছৰে মথাউৰি সাজিব আৰু নদীয়ে প্ৰত্যেক

বছৰে ভাঙি নি পাৰৰ মানুহ, শষ্য সকলোকে যাতনা ভোগাব, এনেকৈ কাম চলিলে নহব। নদীৰ পানী গতিৰোধ কৰিবলৈ হলে নিগাজীভাবে কাৰ্য্যকৰী ব্যৱস্থা এই বিভাগে হাতত লব লাগিব। ইয়াকে কৈ মই মোৰ কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি মোৰ বক্তব্য সামৰণি মাৰিছো।

মাননীয় অধ্যক্ষ: এতিয়া কৰ্ত্তন প্ৰস্তাৱৰ ওপৰত মাননীয় সদস্য শ্ৰীআব্দুল জেলিলে বক্তব্য ৰাখিব।

( সদস্য অনুপস্থিত )

মাননীয় অধ্যক্ষ: এতিয়া মাননীয় সদস্য শ্ৰীচৰণ নাৰ্জাৰী ডাঙৰীয়াই কৰ্ত্তন প্ৰস্তাৱৰ ওপৰত কব।

Shri Charan Narzary: Mr. Speaker Sir, in support of my cut motion on the demand for grants on the head flood control I want to make precise observations. Flood Control Deptt. is being considered as a major portfolio and this Deptt. is now being held by our young and spirited Minister Mr. Bharat Narah. It is a very big Deptt. no doubt and the responsibility of the Deptt. is to tame the rivers of the State. As you know Sir, every river big or small has become legendary in the life of the people of the State. Every river has its own history, every river is so intimately connected with lives of the people as without these rivers we cannot live. The rivers are beneficial to human society and again the rivers are also a menace to the people. It has been pointed out by the earlier speakers that the Huanghoo which was described as the Sorrow of China has been tamed by the Chinese people and have been able to tame and control the Huanghoo. If Huanghoo could be tamed and controlled why can't we control the Brahmaputra in Assam? Of course it is not only the question of controlling the Brahmaputra. Before taming and controlling the mighty Brahmaputra we have to be able to tame and control its innumerable tributaries. This I said the other day also. For people Brahmaputra is the Huang Hoo, a river of sorrows. But for many people again even the small tributaries have become the

Huang Hoos. The Flood Control Department has to play its important role to ensure security of the people of the State. Because, lakhs of people are also losing their land because of the continuing process of erosion caused by the rivers in the State not only by the Brahmaputra and you know, Sir, the behaviour of the rivers in our State is very very tricky, unpredictable and treacherous and nobody can say what will be its exact course year after year. So, in view of this peculiar behaviour of the rivers the Flood Control Department has to chalk out its programmes for taming and controlling the rivers. But the performance of the Flood Control Department is definitely not up to the mark as expected. Very often it is being complained by the people everywhere that the Flood Control Department is sleeping. The amount now demanded by the Hon'ble Flood Control Minister, I am sure, is not enough. Though I have tabled a cut motion on this demand, I feel much more money is needed; hundreds of crores of rupees, nay thousands of crores of rupees are required to tame and control the rivers of the State. But every where we have seen that the Flood Control Department is lacking in its initiative, sincerity, honesty, and earnestness. Similar amount of money as has been demanded by the Flood Control Minister is being spent every year, but it has been alleged very often that whatever money is made available to carry out the programmes of flood control is also being wasted. It is further alleged that the Flood Control Department has become a department to give benefits only to the personnel of the department and also to the contractors. There might be truth in this allegation also. Even in the district of Lakhimpur people very often complain that for the purpose of controlling floods every year money is given for constructing dams and dams are there inideed and these dams require annual repairing also and for repairing of the dams money is spent. But Sir, the people say no repair was done in reality ; repair is only on papers. Completion reports are submitted by the engineers saying that such

and such work has been completed though practically there was no work done at all and this is how the money is being washed away. Where the money goes ? To the people or to somebody else only God knows. This is the complaint. Our Flood Control Minister being young and spirited, will, I am sure, look into such allegations. Rivers have been devastating innumerable villages rendering the people homeless and landless. The former speaker has said something about the affect of erosion. Thousands and thousands of people have been affected, they have lost their lands and homes they have encroached on the Goverment khas land, forest land and these people have been regarded as foreign nationals. There may be a little truth in it, I do not dispute. It is a controvertial matter and I do not want to dwellupon it. But the indigenous people themselves have been rendered homeless and landless. It is a fact.

Until and unless the mighty Brahmaputra and its tributaries are effectively tamed and controlled, the process of rendering the people homeless and landless will not be stopped, and if this state of affairs is allowed to continue for any length of time without any effective check, then after some years sir, we will find that half the population of the State are likely to become homeless and landless. That is why, more money is required for this Department Why schemes are not taken up ? From every district or subdivision, large number of flood control schemes are there in the hands of the Government. These schemes are already approved schemes. but because of paucity of funds these schemes could not be taken up. New schemes are coming up again and the number of schemes for flood control measures is increasing year after year. Heaps of schemes are there lying with the Government. What should be the pattern of execution of the flood control programme ? I think, Sir, since approved flood control schemes are already in the hands of the Department, Government should ask for more funds from the

Central Government or from any other sources—even from the World Bank source keeping in view the large number of approved schemes. In previous years the Government, the Flood Control Department received a number of schemes. They are lying in the shelf, and we the poor Members of this august House cannot do anything. Whenever we apporach any officer—the Superintending Engineer or the Executive Engineer of Flood Control Deptt. at the district level or at subdivisional level, the simple reply we receive is : so and so flood control scheme is already approved and lying in the shelf. This sort of reply we receive sir. So what should be done ? All the approved schemes received by the Department during previous years should have been taken up giving top priority, and accordingly fund should be provided. If the Department is not in a position to provide funds, ready funds, then ask for more money from the Central Government in view of the large number of approved schemes received in previous years, and no fresh schemes should be entertained. Earlier schemes should be executed first because all these schemes are in order. I think, the Hon. Minister Flood Control will take note of this suggestion. Then only we can expect something from this Department. Otherwise the performance of the Flood Control Department will always remain the same. There will be no change in the performance of the Department. We want to see some change, basic change, in the approach to the problem.

So far as my district in concerned, I have collected a list of these schemes. All Hon. Members definitely must have their lists of schemes of their respective districts. All these schemes are lying in the shelves and all of them should be brought out from the shelves and taken up giving top priority, Hon. Minister should hurriedly proceed to Delhi and ask for more money. Fund with the Government is not enough, and with this amount of money the performance of the Flood Control Department, I am afraid, will be a laughing

stock ; they cannot do anything with this amount of money. It needs more and more of money ; and we have no objection. The House can have no objection in allowing grant with larger amount.

I do not want to lengthen my observation any more sir, as time is limited. Also I do not want to infringe upon the rights of other Hon. Members who will like to make their observations on this important subject. With these words, sir I resume my seat.

শ্ৰীনৰেণ তাঁতী—মাননীয় অধ্যক্ষ মহোদয়, মই বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে বান নিয়ন্ত্ৰণৰ কাৰণে যি অৰ্থ মঞ্জুৰী বিচাৰিছে তাক সম্পূৰ্ণ ভাবে সমৰ্থন জনাইছো। বিৰোধী পক্ষৰ সদস্য সকলে যি কাট মোচন আনিছে তেখেত সকলক সেই কাটমোচন উঠাই লবলৈ মই অনুৰোধ কৰিছো। কথা হল বানপানী নিয়ন্ত্ৰণৰ কাৰণে যি ক্ষোভ তাৰ কাৰণে বহুত পৰিমাণৰ অৰ্থ মঞ্জুৰীৰ প্ৰয়োজন হয়। বানপানী কেনেকৈ নিয়ন্ত্ৰণ কৰা হব এই কথালৈ বহুতো আলোচনা বিলোচনা কৰা জোখাৰে সৰুৰ পৰাই বানপানী নিয়ন্ত্ৰণৰ সমস্যা সমাধানৰ বহুতো ৰচনা শিকি আহিছো। কিন্তু এই সমস্যাটো কেনেকৈ দূৰীকৰণ কৰা হব আজিলৈকে ইয়াৰ উত্তৰ নাপালো। আজি ইমান দিন হ'ল এই বান নিয়ন্ত্ৰণ বিভাগটোৱে শ শ কৌটি কৌটি টকা খৰচ কৰিলে কিন্তু আজিলৈকে এই বাননিয়ন্ত্ৰণৰ বিভাগৰ যিটো ডাঙৰ সমস্যা বানপানী নিয়ন্ত্ৰণ কৰা সেইটো আমি দেখা পোৱা নাই। এইটো অতি পৰিতাপৰ কথা। কিয় এইটো হবলৈ পাইছে, কিয় এইটো কৰিব পৰা নাই, ইয়াৰ অন্তৰালত কি লুকাই আছে আমি তাক ধৰিব পৰা নাই। ব্ৰহ্মপুত্ৰ উপত্যকা আৰু বৰাক উপত্যকাৰ দুয়োকাষে যি সকল লোক আছে বানপানীৰ কাৰণে সেইলোক সকল ক্ষতিগ্ৰস্ত হোৱা দেখা যায়। বিশেষ কৈ বানপানীত বেচিকৈ ক্ষতিগ্ৰস্ত হোৱা মাজুলিৰ জনসাধাৰণক বানপানীৰ পৰা ৰক্ষা কৰাটো আমাৰ এটা ডাঙৰ কৰ্তব্য হব আৰু নিশ্চয় এইটো কৰাটো বাঞ্চনীয় বুলি মই ভাবো। ব্ৰহ্মপুত্ৰ নৈ নিয়ন্ত্ৰণ কৰিব লাগিব। ব্ৰহ্মপুত্ৰ নৈৰ মাজ দোখৰ দিনক দিনে বাম হৈ গৈ আছে আৰু সেই কাৰণে কাষেৰে পানী বিলাক বৈ গৈছে। গতিকে যেতিয়া বাৰিষা আৰম্ভ হয় পানী ওপচি পৰে আৰু ফলস্বৰূপে পানী বাগৰি গৈ বান্ধ ভাঙি পেলায়। গতিকে প্ৰথমতে মাজ দোখৰ খাল খাণ্ডি দ কৰিব পাৰি নেকি চেষ্টা কৰি চাব লাগে। অসমত বহুত নৈ, জান, জুৰি আছে যিবিলাকে বাৰিষা কালত প্ৰচুৰ পৰিমাণৰ পানী কঢ়িয়াই আনে আৰু এই পানী বিলাকেই বানপানীৰ সৃষ্টি কৰে। এই নৈ, জান, জুৰি বিলাকৰ পৰা পানী বৈ আহি ব্ৰহ্মপুত্ৰ নদীত পৰে আৰু ফলস্বৰূপে বানপানীৰ সৃষ্টি হয়। কেনেকৈ এই বানপানী ৰোধ কৰিব পাৰি তাৰ ওপৰত চিন্তা চৰ্চা

কৰাটো গুৰুত্বপূৰ্ণ বিষয়। গতিকে আমি প্ৰথমতে এই সৰু সৰু জান, জুৰি বিলাকো নিয়ন্ত্ৰণ কৰিব লাগিব। এই জান, জুৰি বিলাকৰ মাজৰ ঠাই বিলাক ক্ৰমে ক্ৰমে বাম হৈ আহিছে আৰু তুয়ো কাষেৰেপানী বৈ যায়। গতিকে এই জান, জুৰি বিলাকবো মধ্যভাগ খান্দিব লাগিব। ঠিক তেনেকৈ ব্ৰহ্মপুত্ৰ নদীৰ মাজ দোখৰো খান্দিব লাগিব যাতে বানপানী নিয়ন্ত্ৰণ কৰাত সহায় হয়। মঠাউৰিৰ সম্পৰ্কত মই কব খুজিছো যে আজিলৈকে এই মঠাউৰি বিলাক কেনেকৈ বান্ধিছে এই মঠাউৰি বিলাকৰ পৰা কিয় সফল হোৱা নাই আৰু মঠাউৰি বিলাক কিয় কেচা হৈ আছে পৰিপক্ক হোৱা নাই এই বিষয়ে চিন্তা কৰি চাব লাগে। এই বিলাক কৰোতে ডাঙৰ ডাঙৰ ইঞ্জিনীয়াৰ, চুপাৰিটেনডেন্ট ইঞ্জিনীয়াৰ আৰু অন্যান্য বহুতো বিলাক ইঞ্জিনীয়াৰ জড়িত থাকে আৰু যি বিলাক মঞ্জুৰী তেওঁলোকে এই গোটেই মঞ্জুৰী খিনিয়েই খৰচ কৰে। গতিকে তেওঁলোকে যাতে এই বিষয়ত মঠাউৰি ভঙাৰ ক্ষেত্ৰত মেৰামতি কৰোতে আৰু অন্যান্য কামকাজ বিলাক কৰোতে গুৰুত্ব সহকাৰে কৰে আৰু পইচা যাতে মাৰিব নোৱাৰে তাৰ ওপৰত বিভাগীয় মন্ত্ৰী মহোদয়ে তথা চৰকাৰে গুৰুত্ব দিব লাগিব। মুঠতে দুৰ্নীতি যাতে কৰিব নোৱাৰে এই বিষয়ে চোকা নজৰ ৰাখিব লাগে। আমি শুনিছো ইঞ্জিনীয়াৰ সকলৰ বদনাম আছেই, তেওঁ-লোকে গড়কাপ্তানী বিভাগৰেই হওক বা বান নিয়ন্ত্ৰণ বিভাগৰেই হওক, ইৰিগেচন বিভা-গৰেই হওক বা কৰবাত কিবা এটা কৰকেই, তেওঁলোকৰ বদনাম আছেই। গতিকে এই ইঞ্জিনীয়াৰ সকলক ভালকৈ চকু দিব লাগে। কিয়নো ইঞ্জিনীয়াৰ হলেই দুৰ্নীতিত লিপ্ত হব লাগে নেকি ? অন্ততঃ জনসাধাৰণৰ কাৰণে, আবাল, বৃদ্ধ, বনীতাৰ কাৰণে নিজৰ স্বাৰ্থ ত্যাগ কৰি ৰাইজৰ সুখ শান্তিৰ কাৰণে বাননিয়ন্ত্ৰৰ ক্ষেত্ৰত আঁচনি হাতত লৈ মঠাউৰি বিলাক ভালধৰণে বা উন্নত পৰ্য্যায়ত হয় আৰু পানী যাতে আহিব নোৱাৰে তাৰ কাৰণে এই ইঞ্জিনীয়াৰ সকলে বেচিকৈ গুৰুত্ব দিব লাগে। বিভাগীয় মন্ত্ৰী মহোদয়ে বিশেষকৈ বান নিয়ন্ত্ৰণৰ ক্ষেত্ৰত তেখেত সকলক সকলো কাম কাজ চালিজাবি চাই নিয়াৰিকৈ খৰটকীয়া ভাবে কৰাৰ কাৰণে কব লাগে। বানপানী নিয়ন্ত্ৰণৰ ক্ষেত্ৰত মই মাজুলীৰ কথা আনিব খুজিছো। এই মাজুলী তাৰ পাচত শালমৰা আৰু কমলাবাৰী ইত্যাদি অঞ্চলৰ ৰাইজক যদি আমি গড়াখহনীয়া আৰু বানপানীৰ পৰা ৰক্ষা কৰিব নোৱাৰো তেতিয়াহলে তেওঁলোকক সেই অঞ্চলৰ পৰা আতৰাই আনি আন ঠাইত বসবাস কৰাৰ কাৰণে থিক কৰি দিব লাগিব। যদি তেওঁলোক তাত থাকিবই লাগে তেতিয়াহলে যি কোনো উপায়েৰে হলেও তেওঁলোকক বানপানীৰ পৰা ৰক্ষা কৰিব লাগিব। এই বানপানী সমস্যা আজি বহু দিনৰ পৰাই চলি আহিছে। আগতে যি হৈ গ'ল গল আৰু তাক আলোচনা কৰি থাকিলে একো লাভ নহব কিন্তু আজিৰ দিনৰ পৰা অন্ততঃ এই দৰীদ্ৰ জনসাধাৰণক বানপানীৰ কবলৰ পৰা বানপানীৰ অত্যাচাৰ পৰা মুক্ত কৰিবই লাগিব তেনে এটা দৃষ্টি ভঙ্গীলৈ কাম কৰিব লাগিব

তেতিয়াহে যদি আমি কিছু আগবাঢ়ি যাও। মই আৰু বেচি কথা নকৈ এই খিনিকে বানপানীৰ সমস্যা আৰু বানপানী নিয়ন্ত্ৰণৰ সম্পৰ্কে পৰামৰ্শ আগবঢ়ালো। শেষত বাননিয়ন্ত্ৰণৰ কাৰণে আমাৰ বিভাগীয় মন্ত্ৰী মহোদয়ে যি আৰ্থিক মঞ্জুৰী বিচাৰিছে তাক সমৰ্থন জনাইছো আৰু যি সকলে কৰ্ত্তন প্ৰস্তাৱ আনিছে তেওঁলোকক কৰ্ত্তন প্ৰস্তাৱ উঠাই লবৰ কাৰণে অনুৰোধ জনাই সামৰণি মাৰিলো।

Shri Aminul Islam : Sir, this Flood Control Deptt has introduced many schemes and programmes. But this Deptt has completely failed in implementing the plans and programmes for controlling flood. Though this Deptt have made lot of attempts, all these attempts were futile and because of this failure, millions of people of Assam are sufferring from flood havoc as the rivers and its tributories could not be checked. Sir, attempt has been made, money had been spent. But the river had not been controlled, neither erosion of the river had been controlled. The cause of erosion is possibly due to large scale corruption in this department. Because the department is lagging sincerity, this department is lagging honesty, the department has got no such determination which is very much needed to implement the programme. Sir, it is not that this department cannot control flood, it is not that they cannot stop erosion. But as I have said that it requires determination. In some cases this department was found successfully protecting erosion, for example Dibrugarh town, this department has been successfully protecting Goalpara town, this department has been successfully protecting Dhubri town. Because these towns are being inhabitited by intellectuals. This department has not dared to deprive the intellectuals of the society. But what happened to the millions of people living in the Brahmaputra valley ? In the name of protection work this department is taking lot of schemes. Those schemes are not being implemented. Tenders were invited, contractors were invited. But there is discrimination.

The people who are living in the interior places are being discriminated At the cost of the poverty of the people of Assam, this department is doing all these things. Sir, I am specially requesting this new government to have a chart of the contractors, in whose names crores of rupees have been drawn. Because the department have certain selected contractors and their companies and with the help of these selected contractors, lots of officers are involved in large scale corruption. Sir, this department wanted to control the river erosion by dumping cement bags, they wanted to stop erosion by gunny bags, they wanted to stop erosion by throwing boulders. They wanted to stop erosion with two point cement bags or loose boulders. That is why, Sir these things are happening in this department. In our Subdivision, there is a lot of schemes. Each year a lot of money has been sanctioned. But what happened to those schemes ? The whole schemes are abandoned. The idea is that the victims of the flood affected people of Kolong river should be protected.

Sir, the entire South Salmara Division is on the verge of erosion and this year thousands of hectares of land are on the verge of erosion and by this time millions of rupees have been spent in this.

Mr. Speaker: Hon' ble Member, please make your speech short.

Shri Aminul Islam: Sir, the schemes have been taken to protect the south bank of the river Brahmaputra. In South Salmara Division crores of money have been spent. But this has been spent for the benefit of some Ministers and some officers. So in this regard I humbly draw the attention of the new government, specially the Minister, Flood Control through you so that he gives special stress in implementing the present schemes to protect South Bank of the river Brahmaputra and will see that our people are not discriminated.

শ্ৰীহেমেন দাস :—

মাননীয় অধ্যক্ষ মহোদয়, আলোচনা হৈ থকা বিষয়টো অসমৰ প্ৰতিজন লোকৰ লগত সম্পৰ্ক আৰু সেই কাৰণেই মই তুষাৰমান কব বিচাৰিছো আৰু এই সদনতে আজি ভালেকেইজন মাননীয় সদস্যই এই বিষয়টোৰ সম্পৰ্কে উদ্বেগ প্ৰকাশ কৰিছে যে অসমৰ বানপানী সমস্যা, গড়াখহনীয়া সমস্যা আৰু ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণ সম্পৰ্কে চৰকাৰে আজি পৰ্য্যন্ত কোনো ব্যৱস্থা লোৱা নাই। আৰু সকলোৱে স্বীকাৰ কৰিছে এইটো অতি পৰিতাপৰ কথা। মই যিটো খবৰ পাইছো সেইমতে যদি দিছাং নদী নিয়ন্ত্ৰণ কৰাৰ কাৰণে দিচাং প্ৰোজেক্ট হাতত লয় তাৰ দ্বাৰা যথেষ্টখিনি উপকাৰ হব। এই দিছাং প্ৰোজেক্টটো অৰুণাচলত হব। কিন্তু আজি এই প্ৰোজেক্টটোৰ কাম কৰাৰ কাৰণে ক্ষমতা পোৱা নাই। এই প্ৰোজেক্টৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে সকলো টকা দিব লাগিব। এই প্ৰোজেক্ট যদি কাৰ্য্যকৰী কৰিব পৰা যায় তেতিয়াহলে ব্ৰহ্মপুত্ৰ নদীৰ পৰা যিটো সমস্যা সৃষ্টি তাৰ কিছু সামকাটিব আৰু ব্ৰহ্মপুত্ৰক পোহনীয়া কৰি তুলিব পৰা যাব। সেইকাৰণে মই কব বিচাৰিছো যে এই প্ৰোজেক্টটো কাৰ্য্যকৰী কৰি তোলাত গুৰুত্ব আৰোপ কৰিব লাগে। প্ৰয়োজন হলে মাননীয় সদস্যসকলক লৈ দিল্লীলৈ যাব লাগে আৰু এই প্ৰোজেক্টটো কাৰ্য্যকৰী কৰি তোলাত জোৰ দিয়ে আৰু আৱশ্যকীয় পুঁজি কেন্দ্ৰৰ পৰা আনিব লাগে। তেতিয়া আমাৰ বহুখিনি গড়াখহনীয়াৰ সমস্যাৰপৰা ৰক্ষা পৰিব পাৰো। আমি দেখিছো বহু ঠাইত বাহৰ খুটি পুতিয়ো গড়াখহনীয়াৰ পৰা ৰক্ষা কৰাৰ ব্যৱস্থা সফল হৈছে। গতিকেই ক'ত কেনেভাবে কাম কৰিলে কৃতকাৰ্য্য হব সেইটোও ইঞ্জিনীয়াৰ সকলে চাব লাগে। সকলো ঠাইতেই এটা কাম ভাল হয়, সেইটো নহয় অৱশ্যে বানপানী আহিলে সেইটো স্বকীয়া কথা। যদি উদ্দেশ্যটো সত হয় আৰু বানপানী ৰোধ কৰাৰ কাৰণে সত চিন্তা থাকে তেতিয়া বাহৰ খুটি পুতিয়ো আৰু বাহৰ চেকনীৰেও বানপানী ৰোধ কৰিব পাৰিব কিন্তু উদ্দেশ্য যদি কেৱল পইচা মৰা তেতিয়া যিমানেই বোল্ডাৰ বা আন কিবা নকৰে বানপানী বা গড়াখহনীয়া ৰোধ কৰিব নোৱাৰিব। যোৱা কেইবছৰে আমাৰ অসমত বাননিয়ন্ত্ৰণৰ কাৰণে একো কৰা নাই সেইটোও কব নোৱাৰি, বহুতে কোৱাৰ কাৰণে আৰু জোৰ দিয়াৰ কাৰণে কৰিছে কিন্তু এইখিনি একো নহয় কৰিবলৈ কাম বহু আছে। মুঠতে এই দিছাং প্ৰোজেক্টটো কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত অসমৰ ৰাইজে গুৰুত্ব দিব লগা হৈছে। কেৱল দূৰ্নীতিৰ কথা কৈ থাকিলে এই কাম সমাধা নহব, দূৰ্নীতি চলিয়েই থাকিব।

অধ্যক্ষ ডাঙৰীয়া, এই চৰকাৰে দুৰ্নীতি নিৰ্ম্মূল কৰিব বুলি ৰাইজক প্ৰতিশ্ৰুতি দিছে। কিন্তু মই তেওঁলোকক অনুৰোধ জনাওঁ তেওঁলোকে দুৰ্নীতি নিৰ্ম্মূলৰ কাৰণে

যিমান কৈ ফুৰিছে তাতকৈ অলপ কমকৈ কওক—কিয়নো দুৰ্নীতি নিৰ্ম্মূল কৰাতো ইমান সহজ কাম নহয়। এই বেমাৰটো প্ৰত্যেকৰেই ব্যক্তিগত স্বাৰ্থ আৰু সম্পত্তিৰ ওপৰত নিৰ্ভৰ কৰে। তাহানি গুলজাৰিলাল নন্দইও দুৰ্নীতি নিৰ্ম্মূল কৰিবলৈ ওলাইছিল। কিন্তু শেষত তেওঁৰ কি হৈছিল? আজি ৰাইজৰ যিখিনি পইচা খৰচ কৰিবলৈ এই চৰকাৰ আগবাঢ়িছে সেইখিনি যদি সদব্যৱহাৰ কৰিব পৰা হয় আৰু আগৰ তুলনাতকৈ যদি শতকৰা দুভাগ হলেও এই চৰকাৰে দুৰ্নীতি কমাব পাৰে তেনেহলে তেওঁলোক প্ৰশংসাৰ পাত্ৰ হব পাৰিব। বানপানী নিয়ন্ত্ৰণৰ নামত কেনেকৈ দুৰ্নীতি হয় তাৰ এটা সামন্য উদাহৰণ মই দিব বিচাৰিছো। সেইটো হল বানপানীৰ নামত এটা ইমাৰ-জেন্সি ফাণ্ড আছে। এইটো সাংঘাটিক বস্তু। যেতিয়া বানপানী হয় তেতিয়াই এই ফাণ্ডৰ জন্ম হয়। এই টকা বোৰৰ বেচিভাগ টকাই পাৰ্কুপাইন আদিত খৰচ হৈ যায়—যাৰ হিচাব আজিলৈকে কোনেও দিব পৰা নাই আৰু দিছে যদিও সি কাগজে পত্ৰইহে আছে কিন্তু কামত একো নাই। এই চৰকাৰ এইবাৰ নতুনকৈ আহিছে—তেওঁলোকে এতিয়ালৈ এটাও বানপানীৰ সন্মুখীন হোৱা নাই আৰু সেই কাৰণেই এই ইমাৰজেন্সি ফাণ্ডৰ কথা হয়তো গম পোৱা নাই। যিদিনাই অসমত বানপানী হব সেইদিনাই এই ফাণ্ডৰ জন্ম হব আৰু তেতিয়াই চৰকাৰে গম পাব এই ফাণ্ডৰ টকা কেনেকৈ খৰচ কৰা হয়—তাৰ কাৰণে মই আগতিয়াকৈ চৰকাৰক সাৱধান কৰি থলো যাতে তেওঁলোকেও এই বেমাৰত নোভোগে।

অধ্যক্ষ ডাঙৰীয়া, চৰকাৰৰ দুৰ্নীতিৰ কথা কৈ শেষ কৰিব নোৱাৰি আগৰ দিন-বোৰত দুৰ্নীতিয়ে টিংত উঠিলগৈ। তাৰ কাৰণে ভিজিলেন্স কমিশ্যনক দায়িত্বও দিয়া হল—এইবোৰ অনুসন্ধান কৰিবৰ কাৰণে। ভিজিলেন্সে অনুসন্ধান কৰি বিভাগীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ পঠোৱাৰ পিচত সেইবোৰ কি হয় আৰু কেনে ধৰণে ব্যৱস্থা লোৱা হয় তাৰ কথা নিশ্চয় সকলোৱে জানে। এইখিনিতে মই সৰুকৈ এটা উদাহৰণ দিব বিচাৰিছো। কিছুদিন আগতে গোৱালপাৰা ডিভিজনত এটা কামত মাটি পেলাবলৈ এজন ঠিকাদাৰক দায়িত্ব দিয়া হৈছিল। তেওঁ তাত মাটি পেলোৱা কাম শেষ কৰিলে। কিন্তু এই কামটোত কেনেবাকৈ সন্দেহ জন্মাত কেইবাফালৰ পৰাও আপত্তি আহিল আৰু শেষত এইটো অনুসন্ধানৰ কাৰণে দিয়া হল। অনুসন্ধানত ঠিকাদাৰজনে এ, এম, এ ২৪২ নম্বৰৰ ট্ৰাক এখনেৰে সেই মাটি কঢ়িওৱা বুলি জানিব পাৰি সেইটো-নো সচা নে মিছা তাৰ তদন্ত কৰিবলৈ গৈ দেখা গল যে সেই নম্বৰৰ যিখন ট্ৰাক দেখুওৱা হৈছিল, সেইখন আচলতে ট্ৰাক নহয়—স্কুটাৰহে। এই ঘটনাটো যেতিয়া ধৰা পৰিল তেতিয়া সেই নম্বৰটো ভুল হৈছে বুলি এ, এম, এৰ ঠাইত এ এম, জি কৰা হল। কিন্তু এই কাৰ্য্যত আপোনালোকে আৰু আচৰিত হব যিদিনা এ, এম, জি ফলকেৰে ট্ৰাকখনৰ ৰেজিষ্ট্ৰেচন কৰা হৈছিল, তাৰ আগেয়ে সেই মাটি পেলোৱা হৈছিল।

গতিকে এনে ধৰণে বাৰে বাৰে ফাকি দিয়া ঘটনা একেবাৰে নিলজ্য নহয় নে? এই ক্ষেত্ৰত কেৱল ঠিকাদাৰেই দোষী নহয়—ইয়াত আমাৰ বিভাগীয় অফিচাৰ মহাশয়ো জৰিত হৈ আছে। অনুসন্ধানৰ পিচত ভিজিলেন্সে বিভাগীয় ব্যৱস্থা গ্ৰহণৰ কাৰণে পঠিয়াই দিলে—কিন্তু বিভাগে কি কৰিলে? তেওঁক কোনো শাস্তি নিদিয়াকৈ খালাচ দিলে—এইয়ে হৈছে আমাৰ চৰকাৰ আৰু চৰকাৰৰ নীতি। সেইদৰে যোৱা বছৰ কাচাৰ জিলাৰ ক্ষেত্ৰতো বহুকেইটা গোচৰ অনা হৈছিল। তাত বিষয়া কৰ্ম্মচাৰী কিছুমানে ৰাইজৰ ধন মাৰি শেষ কৰিলে। কিন্তু বিচাৰত তেওঁলোকক কোনো ধৰণৰ শাস্তি দিয়া আমি দেখা নাপালো। সেই কাৰণে মই নতুন চৰকাৰকো সাৱধান কৰি দিলো, তেওঁলোকে যাতে খুব সাৱধানে আগবাঢ়ে। এতিয়া আমি মনে মনে আছো—তেওঁলোক নতুনকৈ অহাৰ কাৰণে। তেওঁলোকে যিবোৰ বেমাৰৰ উৎপত্তি কেনেকৈ হয়, তাক নাজানে, সেইবোৰ আমি আঙুলিয়াই দিছো। তাৰ পিচতো ভূল কৰিলে ৰাইজে হয়তো ক্ষমা নকৰিব। অৱশ্যে এই চৰকাৰৰ গাতো যে বেমাৰ নলগাকৈ থকা নাই তেনে নহয়—এওঁলোকৰ গাতো বেমাৰে লম্ভিছে—কিন্তু আমি আৰু কিছুদিন ধৈৰ্য্য ধৰিছো—সময় হলেই বেমাৰৰ প্ৰতিকাৰৰ কাৰণে ব্যৱস্থা হাতত লোৱা হব। তেওঁলোকৰ বেমাৰৰ এটা উদাহৰণ দিও—যোৱা দুবছৰে গুৱাহাটীৰ আশে পাশে বল্ডাৰ ব্লাষ্টিং কৰি ভঙাৰ কাম বন্ধ ৰখা হৈছিল। কিন্তু এতিয়া শ শ চি, এম বল্ডাৰ ভাঙি যোগান ধৰা হৈছে। এই ঘটনাৰ পৰা আমি অনুমান কৰিব পাৰিছো যে তেওঁলোকৰ গাতো বেমাৰ লাগিছেই। ইয়াৰ বাহিৰেও আৰু কিছুমান তথ্য আমাৰ হাতলৈ আহিব ধৰিছে—যিবোৰে এই চৰকাৰৰ কীৰ্ত্তি-কাহিনীও হয়তো এদিন ৰাইজৰ আগত ডাঙি ধৰিব। সেই কাৰণে নতুন চৰকাৰে প্ৰত্যেক খোজতে সচেতন হৈ আগবাঢ়ক আৰু ৰাইজৰ বাবে যিবোৰ আচনি হাতত লৈছে সেইবোৰ এতিয়াৰ পৰাই কাৰ্য্যকৰী কৰিবলৈ যত্নপৰ হওক। বানপানী নিয়ন্ত্ৰণৰ কাম এতিয়াৰ পৰাই আৰম্ভ কৰক—বাৰিষা আহিলে সেই কামত পইচা খৰচ কৰি কোনো কাম নহব। মোৰ সমষ্টিৰ এখন জনজাতীয় গাওঁত যোৱা ১৯৭৮ চনতে এখন নদীৰ গড়াখহনীয়া ৰোধ কৰিবলৈ আচনি এখন হাতত লোৱা হৈছিল। কিন্তু আচনিখন প্ৰায় কাগজতে থাকি গল। মাজে মাজে খবৰ ললে সেই বিভাগে কয় যে তাৰ কাৰণে কোনো স্কীম বৰ্ত্তমানে আমাৰ হাতত নাই। এইবাৰ আকৌ তাত তিনি ট্ৰাক বল্ডাৰ পেলোৱা দেখা পাইছো। সেই গাওঁখন ৰক্ষা কৰিবলৈ হলে বাৰিষা অহাৰ আগে আগে নদীখন যদি নিয়ন্ত্ৰণ কৰিব পৰা নাযায়, তেনেহলে সেই গাওঁখন কম দিনৰ ভিতৰতে নদীৰ বুকুত জাহ যাব। গতিকে এই চৰকাৰক মই আকৌ অনুৰোধ জনাইছো সেই গাওঁখন ৰক্ষা কৰিবলৈ অলপ চেষ্টা কৰক—তাৰ দুখীয়া মানুহখিনিক বচাওক। মই আৰু বক্তৃতা দীঘলীয়া নকৰো। এই খিনিতে কৈ মোৰ ভাষণৰ সামৰণি মাৰিলো।

(মধ্যাহ্ন ভোজনৰ বাবে বিৰতি)

( মধ্যাহ্ন ভোজনৰ বিৰতিৰ পিছত )

শ্রীদেব কুমাৰ বৰা : মাননীয় অধ্যক্ষ মহোদয়, ইয়াত বান নিয়ন্ত্রণ মন্ত্রীয়ে যি দাবী মঞ্জুৰী উত্থাপন কৰিছে আৰু তাৰ ওপৰত অনা কৰ্ত্তন প্রস্তাবৰ বিৰোধীতা কৰি মই দাবী মঞ্জুৰীৰ সপক্ষে বক্তব্য ৰাখিব খুজিছো। অসমৰ বান নিয়ন্ত্রণৰ আলোচনা ইয়াত অতি গুৰুত্বপূর্ণ হোৱা উচিত। স্বাধীনতাৰ পিছৰে পৰা ভাৰতবৰ্ষত যি অর্থ নৈতিক পৰিকল্পনা হৈছিল সেই অর্থ নৈতিক পৰিকল্পনাত অসমক কিছু অন্যায় কৰা হৈছিল যাৰ পৰিপ্রেক্ষিতত আমাৰ ব্রহ্মপুত্রৰ বান নিয়ন্ত্রণ আজিলৈকে সম্পূর্ণ হৈ নুঠিল। ১ম, ২য়, ৩য়, এই তিনিটা পঞ্চবাৰ্ষিক পৰিকল্পনাত ভাৰতত পোন প্ৰথমতে ইনফ্ৰাষ্ট্ৰাকচাৰ গঢ়ি তুলিবৰ কাৰণে কেন্দ্রীয় চৰকাৰে কিছুমান বৃহত আকাৰৰ প্রজেক্ট ভাৰতত লৈছিল। দুৰ্ভাগাবশতঃ অসমত যোৱা ৩৮টা বছৰত তেনে কোনো প্রজেক্ট নাহিল যাৰ বাবদ ব্রহ্মপুত্র নিয়ন্ত্রণ আচলতে আজিলৈ সম্ভৱ হৈ নুঠিল। ১ম, ২য় আৰু ৩য় এই তিনিটা পঞ্চবাৰ্ষিক পৰিকল্পনাত দামোদৰ ভেলী, ভাক্ৰানাঙ্গল বহুমুখী পৰিকল্পনা ভাৰতৰ বান নিয়ন্ত্রণ, জলসিঞ্চন আৰু বিদ্যুৎ উৎপাদন এই তিনিটাক সাঙুৰি কৰা হৈছিল। কোনোটোত দুই হাজাৰ কোটি টকা, কোনোটোত পাঁচ হাজাৰ কোটি টকা ধৰি লৈছিল যাতে পাচ বছৰীয়া পৰিকল্পনাত সেইবিলাক সম্পূর্ণ হয়। কিন্তু অসমৰ পৰিপ্রেক্ষিতত কোনো ধৰণৰ বহুমুখী প্রজেক্ট অসমত দিয়া নহল আৰু নিদিয়াৰ কাৰণ বোধ হয় এইটোৱেই হব যে আমাৰ এই বিধান সভাত যিসকল প্রতিনিধি আছিল সেইসকলে উপযুক্তভাবে কেন্দ্রীয় চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব পৰা নাছিল। এতিয়া অসমৰ ক্ষেত্ৰত বান নিয়ন্ত্ৰণৰ বাবে বহুত কাৰ্য্যসূচী ব্যাখ্যা আমাৰ দৰকাৰ হৈ পৰিছে। পাচ বছৰীয়া পৰিকল্পনাসমূহত দামোদৰ ভেলী আৰু ভাক্ৰানাঙ্গল প্রজেক্টৰ আহিত আমাৰ সোৱনশিৰী আৰু দিছাং প্রজেক্টৰ নিৰ্ম্মাণৰ কাৰণে পৰিকল্পনা অনুযায়ী এষ্টিমেট মতে পাচ হাজাৰ কোটি টকাৰ প্ৰয়োজন হব আৰু এইটো নিৰ্ম্মাণ কৰি ওলিয়াবলৈ হলে কমেও বিশ বছৰ সময় লাগিব। এই বিশটা বছৰৰ কৰ্ম্ম সূচীৰ পিছত ব্রহ্মপুত্রৰ বান নিয়ন্ত্রণ সম্ভৱ হৈ উঠিব। এই পৰিপ্রেক্ষিতত আমাৰ কোনো ধৰণৰ বহুমুখী পৰিকল্পনা ব্রহ্মপুত্রৰ বান নিয়ন্ত্ৰণৰ কাৰণে বাজেটত অন্তৰ্ভুক্ত হোৱা নাই। কেন্দ্রীয় চৰকাৰৰ বাজেটতো অন্তৰ্ভুক্ত হোৱা নাই। অসম এখন দুখীয়া ৰাজ্য। এই দুখীয়া ৰাজ্যৰ বৃহৎ বানপানী সমস্যা সমাধান কৰিবৰ কাৰণে বাজেটৰ যথেষ্ট অনুদান ঘাটি আছে। পঞ্জাৱত ভাক্ৰা নাঙ্গল প্রজেক্টৰ দ্বাৰা সিন্ধু নদী নিয়ন্ত্রণ কৰা হৈছে। ঠিক সেই দৰে দামোদৰ ভেলী প্রজেক্ট, আৰু অন্যান্য প্রজেক্টৰ দ্বাৰা দক্ষিণ ভাৰতৰ বানপানী নিয়ন্ত্রণ কৰি জলসিঞ্চনৰ ব্যৱস্থা কৰা হৈছে। কি কাৰণত অসমত এতিয়ালৈকে তেনে ধৰণৰ কোনো বহুমুখী প্রজেক্ট নাহিল? এইটো অতি দুৰ্ভাগ্যৰ কথা। আজি বাজেট বক্তৃতাত অনুৰোধ ৰাখিব খুজিছো যাতে এটা

বৃহৎ সংখ্যক খৰছ অহা বছৰৰ কেন্দ্ৰীয় বাজেটত ধৰা হয় অসমৰ ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণ কৰিবৰ কাৰণে। মই কৈছোৱেই এটা ডাঙৰ প্ৰজেক্ট নিৰ্ম্মাণ কৰিবলৈ বিশ বছৰ সময় লাগে। যদি কম সময়ৰ ভিতৰত কামটো আৰম্ভ কৰা হয় তেন্তে কম সময়ৰ ভিতৰত দুখ দুৰ্দশা আতৰ কৰিব পাৰিম। এই ক্ষেত্ৰত আজি শক্তিশালীভাবে কেন্দ্ৰীয় চৰকাৰক এতিয়াৰ পৰা দৃষ্টি আকৰ্ষণ কৰিলে আগন্তুক বিত্ত আয়োগে নতুন বাজেটত ধাৰ্য্য কৰিলে অসমৰ দিহাং আৰু সোৱণশিৰী প্ৰজেক্টৰ কাম আৰম্ভ কৰিবলৈ সুবিধা হব বুলি ভাবো। ইয়াৰ পিছত কব খোজো যে ব্ৰহ্মপুত্ৰৰ বান নিয়ন্ত্ৰণৰ কাৰণে আজিলৈকে কোনো মাষ্টাৰ প্লেন হোৱা নাই। ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণ বৰ্ড গঠিত হৈছে। অসমৰ ছাত্ৰ সমাজৰ দাবী আছিল ব্ৰহ্মপুত্ৰৰ বান নিয়ন্ত্ৰণৰ সমুদায় দায়িত্ব কেন্দ্ৰীয় চৰকাৰে বহন কৰিব লাগে। সদৌ অসম ছাত্ৰ সন্থাই আঙুলিয়াই দি অহা সত্বেও কোনো পঞ্চ বাৰ্ষিক পৰিকল্পনাত তেনে ধৰণৰ ভাগ্য নুফুলিল। দামোদৰ ভেলী আৰু ভাক্ৰা-নাঙ্গল প্ৰজেক্টৰ দৰে ব্ৰহ্মপুত্ৰৰ বান নিয়ন্ত্ৰণ কৰি জলসিঞ্চন কৰাৰ লগতে বিদ্যুত উৎপাদন কৰাৰ কোনো ধৰণৰ কাম আমাৰ চকুত এতিয়ালৈকে ধৰা নপৰিল। গোটেই সময়ছোৱাত ছাত্ৰ সমাজে দাবী কৰি আহিছে, কিন্তু বাস্তৱ কৰ্ম্ম সূচী কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা নাই। ই দুৰ্ভাগ্যৰ বিষয়। অদূৰ ভবিষ্যতে আমাৰ এখন মাষ্টাৰ প্লেন লাগে। জলসিঞ্চনৰ বাবে ৬৯ কোটি টকা আৰু বান নিয়ন্ত্ৰণৰ বাবে ৪২ কোটি টকাৰ অনুদান বিচৰা হৈছে দাবী মঞ্জুৰীত। আগৰ পুৰণা বাজেট অধ্যয়ণ কৰি দেখা পাইছো যে বান নিয়ন্ত্ৰণৰ নামত যদি বিশ কোটি টকা কোনোবা বাৰ্ষিক পৰিকল্পনাত আছিল তেন্তে ১৮ কোটি টকা দৰ্মহা দিওঁতে যায় চৰকাৰী চাক-ৰিয়াল, ইঞ্জিনীয়াৰ আৰু অফিচৰ অভাৰ হেড খৰছত। ঠিক তেনে ধৰণে জলসিঞ্চনৰ ক্ষেত্ৰতো বুজন সংখ্যক টকা অভাৰ হেড খৰছত যায়। বান নিয়ন্ত্ৰণৰ কাৰণে যি ৪২ কোটি টকা ধাৰ্য্য কৰিছে ই অতি নগণ্য বুলি কওঁ। অসমৰ এই সমস্যাটোৰ বাবে বহু হেজাৰ কোটি টকাৰ প্ৰয়োজন আছে। ইয়াক সফল ভাবে কৰিবলৈ হলে বাস্তৱ কৰ্ম্মসূচীৰ প্ৰয়োজন। কৰবাত বান্ধ দি নলা খান্দি বান নিয়ন্ত্ৰণ সম্ভৱ হব বুলি নাভাবো।

সেই কাৰণেই এই ৪২ কোটি টকাৰেই মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো এখন মাষ্টাৰ প্লেন কৰাৰ ব্যৱস্থা কৰিব নেকি? এই মাষ্টাৰ প্লেন কৰোতে অহা ৫০ বছৰৰ কাৰ্য্যসূচী ধাৰ্য্য কৰিব লাগে। অহা ৫০ বছৰত ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণত কেনেকৈ আগবাঢ়ি যাম তাৰ এখন মাষ্টাৰ প্লেন হওক। এই ধৰণৰ প্লেন হলে ভাল হয়। এই প্লেনত দৰ্কাৰ হলে পৃথিৱীৰ আটাইতকৈ আগশাৰীৰ বিশেষজ্ঞক নিমন্ত্ৰণ কৰি আনিব লাগে যদি তাত এক কোটি টকাও দৰ্কাৰ হয় হওক। তাৰ কাৰণে যেলেগে টকা প্ৰয়োজন হলে ধাৰ্য্য কৰি লব লাগে। কাৰণ এইটো নহলে ব্ৰহ্মপুত্ৰৰ বানত স্কুল

ঘৰ, আদি খেতি বাতি সকলো নষ্ট হৈ মানুহখিনি প্ৰতি বছৰে জুৰুলা হৈ থাকিব। Highest priority should be given to taming of Brahmaputra but this was not done. আৰু মই এইটোত দুখ পাইছো—কোনো প্লেন নাই। No importance was given to this matter during the last 38 years. তাত কোনো মানুহে কেতিয়াও কোনো কন্সট্ৰাকটিভ চাজেচন্ নিদিলে, কেৱল ভুৱা, কেৱল অদৰ্কাৰী কথাৰে প্ৰতি বছৰ বিধান সভা পাৰ কৰি দিলে। এতিয়া এইটো হব নালাগে। সেই কাৰণেই এক কোটি টকাৰ অংশ তাত পৃথককৈ ধৰিব লাগে। আৰু এই অংশৰে আমাৰ আগন্তুক ৫০ বছৰত ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণত কেনেকৈ কৰিব লাগে তাৰ মাষ্টাৰ প্লেন কৰিব লাগে।

ইন্ ফৰমেশ্বন হিচাবে মই আমেৰিকাৰ পানামা কেনেলৰ কথা কব খুজিছোঁ। এই কেনেলৰ ওৱাটাৰ ডিষ্ট্ৰিবিউশ্বন স্কীমখন অসমৰ এজন ইঞ্জিনীয়াৰক মাতি নি কৰাইছিল। অসমৰ মানুহক ইয়াত কোনেও গুৰুত্বপূৰ্ণ সন্মান দিব নিবিচাৰে। ভাৰতবৰ্ষই অসমৰ ইঞ্জিনীয়াৰক সুবিধা নিদিয়ে। সেই কাৰণেই যিবিলাক বিশেষজ্ঞ তেওঁলোক ইয়াৰ পৰা পলাই গৈ পৃথিৱীৰ অন্য ঠাইত কাম বিচাৰি লয়গৈ। ৰিটায়াৰমেন্টৰ পিচত মাতি নিছে অসমৰ পৰা এই ইঞ্জিনীয়াৰজনক পৃথিৱী বিখ্যাত ওৱাটাৰ ডিষ্ট্ৰি-বিউশ্বন কেনেল কৰিবৰ কাৰণে আৰু এইটোত সফলতাও লাভ কৰিলে। ব্ৰহ্মপুত্ৰত কিয় সফল হব নোৱাৰিলে? ভাৰতবৰ্ষত কোনো ইঞ্জিনীয়াৰ নাই নেকি? এই ধৰণৰ আৰু ইঞ্জিনীয়াৰ বিচাৰিলে নিশ্চয় ওলাব। আৰু এটা কথা কওঁ আমাৰ কল্ড ৰিচাৰ্চ ইন্সিটিটিউটত শ্ৰী বি, এন বৰুৱা নামৰ এজন মানুহে ২০ বছৰ ধৰি ব্ৰহ্মপুত্ৰৰ বুৰঞ্জী অধ্যয়ন কৰি ১৯৬৯ চনত এখন ৰিপৰ্ট বাহিৰ কৰি ভাৰতবৰ্ষৰ বাননিয়ন্ত্ৰণৰ ক্ষেত্ৰত দিছিল। এজন মানুহে, জিঅ'লজিষ্টে ২০ বছৰ ধৰি অধ্যয়ন কৰি এখন স্কীম কৰিছে এইখনৰো একো কাম নহল। তেওঁ এই ৰিপৰ্টত কৈছে যে ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণ কৰিবলৈ হলে তাৰ খাল খান্দি অন্ত কৰিব নোৱাৰে বা মঠাউৰি বান্ধিও একো কৰিব নোৱাৰে। ইয়াৰ কাৰণে বেলেগ কাৰ্য্যসূচী হাতত লব লাগিব। তেওঁৰ মতে অৰুণাচল ফুট হিলছ্, মেঘালয় ফুট হিলছ্, নাগা ফুট হিলচ্ আৰু গাৰো ফুট হিলছ্ ৰ কাষে কাষে দুটা কেনেল কন্সট্ৰাক্ট কৰিব লাগিব আৰু তাৰ উত্সতে সংযোগ কৰি এই কেনেলেৰে ফিল্ডলৈ যোৱা পানী কম কমকৈ ব্ৰহ্মপুত্ৰলৈ বোৱাই নি পেলোৱাৰ ব্যৱস্থা কৰিব লাগিব। তাৰ বাবে এটা বিশেষ ফৰ্মুলাও তেওঁ দিছে। মই এইটো কথা সেয়ে ইয়াত দৃষ্টিগোচৰ কৰাইছোঁ। আমাৰ মাষ্টাৰ প্লেন এখন লাগে। আগৰ ডিপ টিউব ওৱেলাৰে একো কাম নহয়। এইবোৰ বন্ধ কৰিব লাগে। জলসিঞ্চন যদি কৰিবই লাগে তেন্তে ব্ৰহ্মপুত্ৰৰ পৰা এইটো কৰাৰ ব্যৱস্থা কৰিব লাগে। বাননিয়ন্ত্ৰণৰ লগত আৰু দুটা কথা লগ হৈ আছে। এটা হল বিজুলী উৎপাদন আৰু নদী

নিয়ন্ত্ৰণ। মঠাউৰি বান্ধি আৰু ড্ৰেজাৰেৰে খন্দাৰ কথা অলীক কল্পনা মাথোঁ। এইবোৰেৰে একো কাম নহব। পৃথিৱীত বহুতো বিশেষজ্ঞ আছে প্ৰয়োজন হলে তেওঁ-লোকক মাতি আনি তেওঁলোকৰ মতামত লৈ ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণৰ কাৰণে প্লেন কৰোতে যদি এককোটি টকাও খৰচ হয় হওক। অন্তত: লুইতৰ দুইপাৰৰ মানুহখিনিয়ে অলপ শান্তি পাব। যদি দুই কোটিও লাগে তাতো মোৰ আপত্তি নাই। এইদৰে প্লেনমতে কামত আগবাঢ়িলে ভাল হয়। এইখিনি পৰামৰ্শ মই মোৰ ফালৰ পৰা আগবঢ়াইছো: সদৌ অসম ছাত্ৰসন্থাই জন্মলগ্নৰে পৰা এতিয়ালৈকে চিঞৰি আছে ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণৰ কাৰণে। কিন্তু কোনে কৰিব? কেন্দ্ৰীয় চৰকাৰে লব লাগে লোৱা নাই। আমাৰ চান্দমাৰীত এটা অফিছ আছে, বাননিয়ন্ত্ৰণৰ অফিছ। ডাঙৰ ঘৰ, বিল্ডিং আদি আছে, ধুনীয়া অফিছ। তাৰ ফাইলবোৰো আটাইতকৈ ওখ হৈ থাকে। কিন্তু মাঠাউৰিবোৰ যদি তেনেধৰণে ওখ হলহেতেন তেন্তে ভাল আছিল, অলপ কামত আহিলহেতেন। মই এটা কথা ভাবিছো যে এই ফাইলবোৰৰে সৈতে ইঞ্জিনীয়াৰ আৰু বিষয়া সকলক লৈ এই অফি-ছটো মাজুলীলৈ উঠাই লৈ যাব লাগে। এইটো মাজুলীত হলেহে ভাল হব। কাৰণ তাত বানপানী যি ভয়াবহ ৰূপত হয় সেইটো এওঁলোকক অলপ দেখুৱাই অলপ 'চাইকে'লজিকেল প্ৰেছাৰ' দিব লাগে। বানপানীত মানুহৰ যি দুৰ্দ্দশা হয় সেইটো অলপ জানিবলৈ দিব লাগে। তেতিয়াহে তেওঁলোকে সোনকালে দৰ্কাৰী ফাইলত চহী কৰিলেহেতেন আৰু বিলিফো দিলেহেতেন ঠিকমতে। সেই কাৰণেই মই বাননিয়ন্ত্ৰণ অফিছটো মাজুলীলৈ উঠাই নি পৰীক্ষা কৰি চাব লাগে কাম হয় নে নহয়। আমাৰ ২০ কোটি বা ৫০ কোটি টকীয়া প্ৰজেক্ট কিছুমান আছে, কিন্তু তাৰ কাৰণে ঠিকাদাৰ নাই। অসমীয়া থলুৱা মানুহক ঠিকা দিব লাগে সেইটো মিছা কথা। অসমীয়া মানুহৰ হাতত টকাই নাই। মূল ধন নাই বস্তু কিনিবলৈ গতিকে ঠিকা কৰিব কেনেকৈ। অসমীয়া মানুহ সদায় দেৱলীয়া হৈয়ে থাকিব। সেই কাৰণেই কৈছো যে গুৱাহাটীত জলসিঞ্চন বিভাগৰ নিজাকৈ এটা স্বকীয়া কনষ্ট্ৰাক্সন কৰ্পৰেচন খুলিব লাগে। আমাৰ প্ৰায় ৪০০ জন নিবনুৱা ইঞ্জিনীয়াৰ আছে, এওঁলোকক লৈয়ে কৰ্পৰেচন কনষ্ট্ৰাক্টিভ বেচিচত কৰিবলৈ দিব লাগে। প্ৰথম বছৰত হোৱা লাভ খিনি তেওঁলোকক ব'নাচ হিচাপে দিব লাগে। তেতিয়াহলে হয়তো কাম হব।

বাহিৰৰ ঠিকাদাৰে সদায় ২০ কোটি, ৫০ কোটি টকীয়া প্ৰজেক্ট বোৰ লয়। ব্ৰহ্মপুত্ৰৰ ওপৰত দলং দিছে বাহিৰৰ কোম্পানীয়ে। ৰেলৱে বাহিৰৰ কোম্পানীক দি দিছে। চান্দমাৰীত ফ্লাই অ'ভাৰ কৰিছে উত্তৰ প্ৰদেশৰ ব্যৱসায়ীয়ে। আমাৰ এ. জি, চি, চিটো কিয় আছে, কি কৰিছে? তাত থকা ইঞ্জিনীয়াৰ বোৰে কি কৰিছে? তেওঁ বিলাকৰ কি স্কেল, ড্ৰয়িং পেপাৰ আদি নাই নেকি? এওঁলোকক কিয় দৰমহা দি ৰাখি থোৱা হৈছে? এই এ, জি, চি, চি ক শক্তিশালী কৰিবলৈ সকলো

ইকুইপমেন্টচ্ দি অসমত যিমান নিবন্থৱা ইঞ্জিনীয়াৰ আছে সকলোকে এই ঠিকা বোৰ কৰাৰ সুযোগ কৰি দিব লাগে, ইয়াৰ যোগেদি তেওঁলোকৰ এটা প্ৰশিক্ষণো হব আৰু কৰ্পবেচনো শক্তিশালী হব। লগতে অসমৰ টকা বাহিৰলৈ যোৱাটো বন্ধ কৰা ব্যৱস্থা কৰিব পৰা যাব। আৰু এটা কথা হৈছে মানুহক এপ্ৰচ কৰাৰ দুটা ৰাস্তা আছে। এটা নিগেটিভ আৰু আনটো পজিটিভ এপ্ৰচ। মানুহক ভয় খুৱাই কাম আদায় কৰিব পৰা যায় আৰু মটিভেটেডটো হল এটা বেলেগ থিয়ৰী। যি কাৰণে অসমত ইমানদিনে কাম বিলাক কম গতিত চলিছিল ইমান দিনে তো দুৰ্নীতি চলি আছিল। গতিকে এতিয়া এইবিলাক নাইকিয়া কৰিবৰ কাৰণে যি বিলাক ইঞ্জিনীয়াৰে ভাল কাম কৰে তেওঁলোকক এটা ষ্টেট এৱাৰ্ড দিয়াৰ ব্যৱস্থা কৰিব লাগে।

অধ্যক্ষ মহোদয়, যি সকলে ভাল কাম কম সময়তে কৰি দেখুৱাব পাৰিব তেওঁ-লোকক আমাৰ ষ্টেটৰ ফালৰ পৰা পুৰস্কৃত কৰিব লাগে। তেওঁলোকক একোখন প্ৰশংসা পত্ৰ দিব লাগে। কামৰ ভাগ অনুযায়ী প্ৰথম, দ্বিতীয় আৰু তৃতীয় হিচাবে পুৰস্কৃত কৰিব লাগে। কৰাপশ্বন ধৰি তাক ৰেজিগনেশ্বন দিয়াবলৈ পাৰি নেকি তেনেকুৱা কৰি চাব পাৰি। এই সকলোবোৰ পৰীক্ষা কৰি চাব পাৰিলে ভাল হয়।

অধ্যক্ষ মহোদয়, ফ্লাডকন্ট্ৰোলৰ ওপৰত আমাৰ যথেষ্ট পৰামৰ্শ আৰু সমালোচনা আদি হৈ গৈছে। কিন্তু এটা কথা মই আকৌ কব খোজো এই বাজেটত ৪২ কোটি টকা ধাৰ্য্য কৰা হৈছে। এই টকা একেবাৰে কম হৈছে। ৪২ কোটি টকাৰে ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণ কৰিব নোৱাৰি। এইখিনি টকাৰে সেই কাম কৰা ৰাজ্য চৰকাৰৰ বাবে সম্ভৱ নহয়। গোটেই ভাৰতবৰ্ষৰ, বিহাৰ, উত্তৰ প্ৰদেশ, পঞ্জাৱ আদি ডাঙৰ ডাঙৰ ঠাইবোৰত কন্ট্ৰোল কৰিব পাৰে অসমে কিয় নোৱাৰে। বানপানীৰ বিষয়টো কেন্দ্ৰই সদায় অসমলৈ ঠেলা মাৰি দিয়ে। কিন্তু ওইল ইণ্ডাষ্ট্ৰি আদি যিবিলাক আছে তেওঁলোকৰ হাতত পৰে—বানপানীৰ বিষয়টো নপৰে। এসময়ত নীল নদী কোনোবাই অভিশাপ বুলি কৈছিল। কিন্তু আমি ব্ৰহ্মপুত্ৰক কেতিয়াও অভিশাপ বুলি নকওঁ। আকৌ এই অভিশাপ যদি কৰোবাত আছেও তাক আমি নাইকীয়া কৰিব লাগিব। ব্ৰহ্মপুত্ৰক গুৰুত্ব সহকাৰে নিয়ন্ত্ৰণাধীন কৰিব লাগিব। নদীৰ পৰা যদিও পানী লৈ গৈছে কিন্তু খেতিৰ সময়ত পানী পোৱা নেযায়। এনে ধৰণৰ সমস্যা হৈ পিচত শূন্য হয়। মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰো যাতে শূন্য হবলৈ নিদি কেন্দ্ৰীয় চৰ-কাৰক অতি শক্তিশালী ভাবে জনায় তাৰ বাবে অনুৰোধ কৰিছো। এতিয়া কলেহে আমি তাৰ ফল অহা বছৰলৈ পাম। শুৱনশিৰি আদি প্ৰজেক্টবোৰ আজি ২০ বছৰ আগৰ পৰাই আৰম্ভ কৰিছে তথাপিও ভাল ধৰণে হোৱা নাই। ঠিক তেনেকৈ

এইবোৰ প্লেন কৰিব লাগিলেও ২০ বছৰ সময় লাগিব। আমি এই গোটেই কথা বিলাক চাব লাগিব।

অধ্যক্ষ মহোদয়, মই কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধিতা কৰিছো আৰু আমাৰ মন্ত্ৰী মহোদয়ে উৎথাপন কৰা দাবী মঞ্জুৰীৰ প্ৰস্তাৱত ৪২ কোটি টকাৰ প্ৰয়োজন, এই কথা সমৰ্থন কৰি মই মোৰ বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ।

Shri Binai Khungur Basumatary : The Grant No. 63 is before us, and since other points on this Grant have been very well placed by the other Hon'ble Members of this House, I now concentrate myself on the Budget itself. In the Budget at p. 3, we find Rs. 7,42,43,000/- are given for Direction and Administration. Against this, if we place the total allocation of Rs. 42 crores, then we find that 20% or so is being used for Direction and Administration only, and at the same page, we find for a poultry firm, a sum of Rs. 3.50,000/- only is earmarked for research. Then Sir, most interesting of the allocation is found in page X-1। where at Sl.15 for Machinery & Equipment Rs. 6,50,00,000- are provided and when we go into the details of this machinery and other things. then we will find that at p X-17 under Sl. 16 Motor Vehicles, Rs. 2 crores are provided for Motor Vehicles. Sir, if out of Rs. 42 crores Rs. 2 crores are provided for Motor Vehicles only, then we can have an idea as to what sort of an organisation this Flood Control is. Therefore, Sir. we must verify- this new Govt. must verify whether this Department is over-burdened with overheads and can we imagine, Sir, if this amount of Rs. 2 crores is spent for Motor Vehicles out of total allocation of Rs. 42 crores, what will remain for the projects. There are other serious problems before the Flood Control Board. When the Assam Govt. came down from Shillong, there was not any Flood Control Deptt. But later on, after a few years when the capital came here at Guwahati, this new Govt. was given Brahmaputra Flood Control Board and there was a tussel between the Central Govt.

and the State Govt as to who will be the deciding factor in controlling, the river Brahmaputra. What is the position today, Sir? The position, we are told, is that if a scheme is to be takeu up, it has to be approved by a Technical Committee, and I think in Delhi this Board sits only for a few days. When we have to take up some urgent measures under Flood Control, the decision so processed is out of the reach of the State, and everything is controlled by Delhi. Therefore, Sir, this Brahmaputra Flood Control Board has failed to give justice to the people of Assam. But what about tributaries? I believe there are some areas where tributaries of the Brahmaputra destroy our cultivable land permanently by erosion. When the erosion occurs in our areas and our cultivable land is destoyed, it can never be reclaimed. Therefore, Sir, people residing near the Brahmaputra do suffer from flood-s when areas are submerged. In our areas where tributaries become violent in rainy season, we face floods. Ours is an area where we always face flood and erosion.

Thirdly Sir, in 1984, there was a big flood in Assam and the Central Govt. assessed that loss due to flood in 1984 was to the tune of Rs. 60 crores. If there are recurrences of floods three times a year, it is very easy to surmise that as there are three sets of floods in Assam in a year, the loss in Assam is Rs. 150 crores on the average. So this Flood Control Deptt. is unable to cope with the problems of floods in the State. Therefore, Sir, we hope that the new Govt. with new ideas will try to decide all things which will really control this Brahmaputra river. With these few words, Sir, I end my speech.

শ্ৰীঅভিজিত শৰ্মা :—অধ্যক্ষ মহোদয়, মই আপোনাৰ দৃষ্টি আকৰ্ষণ কৰি কব খুজিছো যে গণতান্ত্ৰিক দেশ এখনৰ সদনত সকলো সদস্যই উপস্থিত থাকিব লাগে। কিন্তু দেখা যায় বৰ্ত্তমান সদনত বিৰোধী দলৰ সদস্য সকলৰ বেছি ভাগে উপস্থিত নাই।

মাননীয় অধ্যক্ষ : সদনত 'কোৰাম' থাকিলেই সদন বহিব পাৰে।

শ্ৰীছহিদুল ইছলাম: অধ্যক্ষ মহোদয়, মই বাননিয়ন্ত্ৰণ বিভাগৰ শিতানত উত্থাপন হোৱা কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি দু-আষাৰ কব বিচাৰিছো। বান নিয়ন্ত্ৰণ বিভাগটো যুগ যুগ ধৰি চলি আহিছে। যোৱা ৩৮টা বছৰে এই বিভাগটোৱে কোনো 'প্লেন প্ৰগেম' নোহোৱাকৈ বান নিয়ন্ত্ৰণৰ কাম কৰি আছে।

আমি দেখিছো, সদনলৈ অহা প্ৰত্যেকজন সদস্যই বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী হবলৈ ইচ্ছা কৰে। এইয়া মোৰ নিজৰ অভিজ্ঞতাৰ পৰা কৈছো। কাৰণ এইটো এটা এনেকুৱা বিভাগ যিটোত কেন্দ্ৰৰ পৰা লাখ লাখ টকা আহে আৰু সেই টকাৰ সত্ ব্যৱহাৰ হৈছে নে কু-ব্যৱহাৰ হৈছে তাৰ তদন্ত কৰি ধৰা পেলোৱা টান। এইদৰে ১০ বস্তাৰ ঠাইত এবস্তা বালি পেলাই দিয়েই লাখ টকাৰ বিল লৈ যায়। কাৰণ কিমান পেলালে সেইটোৰ হিচাপ পাবলৈ টান হয় কিয়নো প্ৰতি বছৰে বানপানীয়ে সেইবোৰ উটাই লৈ যায়। তদন্ত কমিচনেও এইটো ধৰা পেলাব নোৱাৰে। মই আশা কৰিছো, নতুন চৰকাৰে এটা উন্নয়নমূলক আঁচনি গ্ৰহণ কৰি বিধান সভাৰ সদস্যক লৈ আৰু সুদক্ষ ইঞ্জিনীয়াৰ সকলক লৈ কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ ৰাখি স্থায়ীভাবে বান নিয়ন্ত্ৰণ কৰিব পাৰিব। মই মন্ত্ৰী মহোদয়ক এই সম্পৰ্কে কব খোজো যে অকল ইঞ্জিনীয়াৰ সকলক দায়ী কৰিলেই নহব। চৰকাৰেও ইয়াৰ ব্যৱস্থা লব লাগিব। আমি জানো যে প্ৰত্যেকখন নদীৰ পাৰতে মানবীয় সভ্যতা আৰু সংস্কৃতি বিকাশ সাধন হয়। এইটো বুৰঞ্জীৰ কথা। আমাৰ ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত বিভিন্ন নদীৰ পাৰত মানব সভ্যতা গঢ়ি উঠিছিল আৰু এই নদীবিলাকৰ পাৰত যি বিলাক চহৰ গঢ়ি উঠিছে তাৰ ভিতৰত অসমৰ ব্ৰহ্মপুত্ৰ নদীও আছে। গুৱাহাটী, ধুবুৰী আদি ব্ৰহ্মপুত্ৰৰ পাৰত নগাওঁ কলং নদীৰ পাৰত। এই দৰেই অসমৰ চহৰ নগৰবোৰ গঢ়ি উঠিছে। গতিকে এই নদীবিলাক যদি নিয়ন্ত্ৰণ কৰাৰ ব্যৱস্থা নাথাকে তেনেহলে নদী নিয়ন্ত্ৰণৰ নামত কিছুমান ঠাই কিছুমান লোক লাখপতি হৈ গৈছে আৰু সাধাৰণ মানুহ পথৰ ভিক্ষাৰী হৈছে। অসমত ব্ৰহ্মপুত্ৰ নদীৰ নিয়ন্ত্ৰন কৰিব নোৱাৰিলে বিদেশী সমস্যাৰ সমাধান কেতিয়াও নহব। কাৰণ বাৰিষা হলে ব্ৰহ্মপুত্ৰ নদীৰ পাৰত থকা মানুহখিনি যেনি তেনি গুচি যায় আৰু তেওঁলোক স্বদেশী হইও বিদেশী হৈ পৰে। মই আশা কৰিছো এই বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই গুৰুত্ব সহকাৰে কামখিনি কৰি যাব। সদনৰ প্ৰায় সকলো সদস্যই উপলব্ধি কৰিছে যে এই বিভাগৰ মন্ত্ৰী জনাই অধিক গুৰুত্ব সহকাৰে এই বিভাগৰ কাম হাতত লৈছে আৰু কেন্দ্ৰীয় চৰকাৰৰ লগত যোগা-যোগ কৰি ভৱিষ্যতৰ কাৰ্য্য পন্থাৰ কাৰণে চিন্তা কৰিব। এই বিষয়ত বিৰোধী দলৰ সদস্য সকলে যিটো প্ৰশ্ন আনিছে সেইটো এটা 'ভাইটেল' প্ৰশ্ন আৰু ইয়াৰ প্ৰতি মইও সমৰ্থন জনাইছো। অকল ইঞ্জিনীয়াৰ সকলৰ ওপৰত নিৰ্ভৰ কৰিলে নহব। যেতিয়ালৈকে বিজ্ঞান সন্মতভাৱে নদী নিয়ন্ত্ৰণ কৰিব নোৱাৰে তেতিয়ালৈকে কাম নহব।

মই মন্ত্ৰী মহোদয়ক নিবেদন কৰিছো, মন্ত্ৰী মহোদয়ে যেন এখন উচ্চ ক্ষমতাসম্পন্ন কমিটি গঠন কৰে যিখনে কেন্দ্ৰৰ লগত যোগাযোগ কৰি ইয়াৰ বিহিত ব্যৱস্থা হাতত লব পাৰে। আমি ৫ বছৰৰ কাৰণে ইয়ালৈ আহিছো। এই ৫ বছৰৰ ভিতৰতে ব্ৰহ্মপুত্ৰ নদী নিয়ন্ত্ৰণ কৰিব পাৰিলে আমাৰ প্ৰতি ৰাইজৰ আশ্বাস থাকিব। অসম চৰকাৰে কি কৰিলে নকৰিলে সেইটো গাই-বাই লাভ নাই। আমি কাম কৰি গলেহে ইয়াৰ প্ৰতিকাৰ হব। ইয়াকে আশাকৰি মই এই খিনিৰে সদনত বক্তব্য ৰাখিলো।

শ্ৰীঅভিজিত শৰ্ম্মা : অধ্যক্ষ ডাঙৰীয়া, ইতিমধ্যে বাননিয়ন্ত্ৰণ শিতানত বিভিন্নজনে বিভিন্ন বক্তব্য ৰাখিছে। মোৰ কথা হৈছে, অসমৰ ব্ৰহ্মপুত্ৰ নদী যদি নিয়ন্ত্ৰণ কৰি অসমৰ জনসাধাৰণৰ হকে কামত লগাব নোৱাৰো, তেনেহলে এনে আলোচনা বিলোচনাৰ পৰা কোনো কাম নহব। অসমৰ যি সকল কৃষক আছে যত সেই সকলৰ বেছি ভাগেই ব্ৰহ্মপুত্ৰ দাতিকাষৰীয়া ঠাইত বসবাস কৰি আছে। চীনে যদি হোৱাংহো নদীক জনগনৰ কামত লগাব পৰাকৈ নিয়ন্ত্ৰণ কৰিব পাৰে, তেনেহলে অসমৰ ব্ৰহ্মপুত্ৰ নৈ অসমৰ জনগনৰ কাৰণে নিয়ন্ত্ৰণ কৰিব নোৱাৰাৰ কি কাৰণ থাকিব পাৰে। অসমৰ গণ পৰিষদ চৰকাৰৰ একমাত্ৰ লক্ষ্য হব ব্ৰহ্মপুত্ৰ নৈ ৰাইজৰ হকে কামত লগাব পৰাটো। অসমৰ বিভিন্ন অঞ্চলত থকা বিভিন্ন লোকে অতি দুখ:জনক ভাৱে জীৱন কটাব লগা হৈছে ব্ৰহ্মপুত্ৰ নৈৰ বাবেই। বান নিয়ন্ত্ৰনৰ আমাৰ যি বিলাক বিভাগ আছে সেই বিভাগ বিলাকে একো কাম কৰিব পৰা নাই। ইয়াত শীত নিয়ন্ত্ৰিত কোঠাত বহি কাম চলালেই নহব। ইয়াৰ উপৰিও ১৯৮২-৮৩ চনত মৰিয়াহোলাত যি ব্যাপক গৰাখহনীয়া হল, যি গৰাখহনীয়াই বিশ্ব বিখ্যাত অভয়াৰন্য কাজিৰঙা খহাই নিলে এই বিশ্ববিখ্যাত কাজিৰঙাক ৰক্ষা কৰিব পৰা নাই। ইয়াৰ কাৰণেই কাজিৰঙা বিপদৰ সন্মুখীন হবলগীয়া হল। ইয়াৰ উপৰিও বিশ্ববিখ্যাত নদী দ্বীপ মাজুলিৰ কাৰণেই একো কৰিব পৰা নাই। আমি যদি বিশ্ববিখ্যাত নদী দ্বীপ মাজুলিক ৰক্ষা কৰিব নোৱাৰো তেতিয়া হলে আমাক বিশ্ববাসীয়ে ধিক্কাৰ দিব। সেই কাৰণেই এই বিভাগৰ কাৰণে যি দাবী মজুৰী বিচাৰিছে সেইটোত আমি সমৰ্থন দিছো আৰু যিটো কৰ্ত্তণ প্ৰস্তাৱ উত্থাপন কৰিছে সেইটো উঠাই লবলৈ মই বিৰোধী পক্ষৰ মাননীয় সদস্য সকলক অনুৰোধ জনাইছো। লগতে এইটোও আশা কৰিছো যে আমাৰ মন্ত্ৰী মহোদয়ে যি উদ্দেশ্যত এই টকা খিনি বিচাৰিছে, সেই উদ্দেশ্যত এই টকা খৰচ কৰি অসমৰ ৰাইজক বানপানীৰ গৰাহৰ পৰা ৰক্ষা কৰিব। ইয়াৰ লগতে এইটোও আশা কৰিছো যে যি সকল মাননীয় সদস্যই কৰ্ত্তণ প্ৰস্তাৱ উত্থাপন কৰিছে তেখেত সকলে কৰ্ত্তণ প্ৰস্তাৱ উঠাই লব। ইয়াকে কৈ মই মোৰ বক্তব্যৰ সামৰণী মাৰিছো।

শ্ৰীপবিন্দ্ৰ ডেকা :—মাননীয় অধ্যক্ষ মহোদয়, বাননিয়ন্ত্ৰণৰ শিতানত বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই যিটো দাবী মঞ্জুৰী উত্থাপন কৰিছে সেইটো মই সমৰ্থন কৰিছো। ইতিমধ্যে বান নিয়ন্ত্ৰণৰ সম্পৰ্কত আমাৰ এই বিধান সভাত বহুবিলাক কথা আলোচনা কৰা হৈছে। আমাৰ আৰু বহু কেইটা দাবী মঞ্জুৰী আছে আৰু এই দাবী মঞ্জুৰীৰ সম্পৰ্কত কৰ্ত্তন প্ৰস্তাবো আছে আৰু এইবিলাকৰ ওপৰত বিভিন্ন ধৰণৰ পৰামৰ্শও আগবঢ়াবলগীয়া আছে।

অসমত বানপানীৰ কথাটো যদিও এটা অতি গুৰুত্বপূৰ্ণ কথা তথাপি বিগত ৩৮ বছৰে বাননিয়ন্ত্ৰণৰ কথাটো আচলতে কিতাপ কাগজৰ হৈয়ে থাকিল। এইটো কাৰ্য্যত ৰূপায়ন কৰা নহল। মই আশা কৰিছিলো বান নিয়ন্ত্ৰণৰ শিতানত, যিহেতুকে আমাৰ ৰাজ্যখন কৃষি ভিত্তিক অৰ্থনীতি জৰিত আছে সেই কাৰণে এই শিতানত যথেষ্ট টকাৰ মঞ্জুৰী দাবী আহিব। এতিয়া অতি কম টকাৰ দাবী মঞ্জুৰী উত্থাপন কৰা হৈছে। এইটো সকলোৱেই জানে যে ১৯৬৩ চনৰে পৰাই অসমত বানপানীৰ প্ৰকোপ বেচি হৈছে। অসমত ব্ৰহ্মপুত্ৰৰ বাহিৰেও আৰু ৪০খন উপনৈ আছে। এই বিলাক ব্ৰহ্মপুত্ৰৰ লগতে সমান্তৰাল ভাবে নিয়ন্ত্ৰণ কৰিব নোৱাৰিলে অকল ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণ কৰিলেও একো লাভত নাহিব। অসমত প্ৰতি বছৰেই বানপানী হৈ ১৫০০ গৰু মহ মৰে, কেইবাজনৰো প্ৰাণ হানি হয়, ৬০ হাজাৰ ঘৰ-দুৱাৰ ভাঙে, বহুত কোটি টকাৰ শষ্য নষ্ট কৰে এই কথা আমি সদায়েই শুনি আহিছো। কিন্তু ইয়াৰ বিপৰীতে আমি প্ৰত্যেক বছৰেই বান নিয়ন্ত্ৰণৰ কাৰণে কোটি কোটি টকা খৰচ কৰি আহিছো। কিন্তু তথাপিও এই ক্ষেত্ৰত সফল হব পৰা নাই কিয় ? আমাৰ দৰে এখন দুখীয়া ৰাজ্যই ব্ৰহ্মপুত্ৰৰ দৰে এখন নদীৰ বান নিয়ন্ত্ৰণ কৰাটো সম্ভবপৰ নহয়। আমাৰ সমস্ত অৰ্থ ইয়াত খৰচ কৰিলেও এইটো সম্ভব নহব। সেই কাৰণেই এই খিনিতে চৰকাৰক এটা পৰামৰ্শ দিব বিচাৰিছো, বাননিয়ন্ত্ৰণৰ যিটো সমস্যা আৰু ইয়াৰ সমাধানৰ কাৰণে যিমান টকাৰ প্ৰয়োজন হয়, মাননীয় সদস্য শ্ৰীদেব বৰাই কোৱাৰ দৰে সুস্থিৰ আলোচনাৰ ভিত্তিত প্লেনিং হব লাগে আৰু ইয়াৰ কাৰণে যিমান টকাৰ প্ৰয়োজন হয় এই সকলো টকা কেন্দ্ৰীয় চৰকাৰৰ পৰা পাবলৈ চেষ্টা কৰিব লাগে। অসমৰ সমস্ত বাননিয়ন্ত্ৰণৰ কথাটো কেন্দ্ৰীয় চৰকাৰে লব লাগে। অৱশেষত কেন্দ্ৰীয় চৰকাৰে এখন ব্ৰহ্মপুত্ৰ বৰ্ড গঠন কৰিলে। এতিয়া এই বৰ্ডৰ কাম যিমান লেহেম গতিত হব ধৰিছে এই দৰে হলে আমাৰ কোনো কাম নহব। ১৯৭০ চনতেই ব্ৰহ্মপুত্ৰ বৰ্ড গঠন কৰা হল যদিও আজিলৈকে ইয়াৰ কোনো কামেই উল্লেখ কৰিব পৰা ধৰণৰ হোৱা নাই। গতিকে বৰ্ডৰ কাম কাজ চোৱা চিতা কৰিবৰ কাৰণে অসম চৰকাৰক দায়িত্ব দিব লাগে। এই সম্পৰ্কত নতুন চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এই খিনিতে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যিখিনি পৰ্য্যালোচনা কৰিব লগীয়া হয় সেইখিনি

পৰ্য্যালোচনা কৰি কাম কৰি যাব লাগে। এইদৰে পৰ্য্যালোচনা কৰি কাম কৰি নোযোৱাৰ বাবেই যোৱা ৩৮ বছৰত যিমানখিনি কৰিব লাগিছিল উপযুক্ত ভাবে সিমানখিনি কৰিব পৰা নাই। অৱশ্যে ইয়াৰ কাৰণ বহুতো আছে। কাৰণ বিলাক বিভিন্ন জনে বিভিন্ন ধৰণেৰে বাখ্যা কৰিছে। ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণৰ সম্পৰ্কত আমাৰ টেক-নিকেল এক্সপাৰ্ট নোহোৱা নহয়। মই এটা পৰামৰ্শ আগবঢ়াব বিচাৰিছো যে সমগ্ৰ ব্ৰহ্মপুত্ৰ চাৰ্ভে কৰি বিভিন্ন অঞ্চলত কিছুমান ডাঙৰ ডাঙৰ পুখুৰী খান্দি তাত ব্ৰহ্মপুত্ৰৰ পানী সংৰক্ষণ কৰি ৰাখিব লাগে। খৰালি যেতিয়া ব্ৰহ্মপুত্ৰ নদীত পানী নাইকীয়া হয় তেতিয়া এই পানীৰ দ্বাৰা জলসিঞ্চনৰ ব্যৱস্থা কৰিব পাৰি।

ব্ৰহ্মপুত্ৰ নদীত ইমান পটেনচিয়েলিটি আছে যে এইবিলাক কামত ব্যৱহাৰ কৰি বহুত উপকৃত হব পাৰো। ইয়াৰ পৰা আমি শক্তি আহৰণ কৰি ব্যৱহাৰ কৰিব পৰা নাই। আজি আমাৰ শক্তিৰ অভাৱ। আমি শক্তি মেঘালয়ৰ পৰা আনিব লাগে, কিন্তু আমি সমগ্ৰ ব্ৰহ্মপুত্ৰতে বিদ্যুৎ শক্তিৰ আঁচনি গ্ৰহণ কৰিব পাৰিলে আমি যথেষ্ট শক্তি পাব পাৰো। জলসিঞ্চনৰ ক্ষেত্ৰত যেনেকৈ ব্ৰহ্মপুত্ৰত আঁচনি লৈ আমি উপকৃত হব পাৰো সেই দৰে বিদ্যুৎৰ ক্ষেত্ৰতো আমি আঁচনি ললে যথেষ্ট শক্তি পাব পাৰো। কিন্তু এই বিলাকৰ পৰ্য্যালোচনা বৈজ্ঞানিক ভিত্তিত হব লাগে। আমাৰ অসমত যিমানবিলাক বৈজ্ঞানিক লোক আছে তেওঁলোকক লৈ এই বিলাক সম্পৰ্কত আলোচনা বিলোচনা কৰিব লাগে। এনেকুৱা যিমানেই আলোচনা বিলোচনা হৈ থাকে সিমানেই ভাল। দুৰ্ভাগ্যৰ বিষয় যে আমাৰ আগৰ চৰকাৰ কেইখনে যিবোৰলোকে এইবিলাক বিষয়ত উপযুক্ত ধৰণৰ পৰামৰ্শ দিব পাৰে সেই সকলৰ পৰা পৰামৰ্শ নোলোৱাৰ কাৰণেই ইমান দিনে কোনো সফলতা অৰ্জ্জন কৰিব নোৱাৰিলে। আমাৰ ইয়াত যিবিলাক ইঞ্জিনীয়াৰ আছে তেওঁলোকক এই বিলাক কথাত জৰিত কৰিব লাগে।

ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰনৰ ক্ষেত্ৰত কবলৈ হলে ব্ৰহ্মপুত্ৰ য'ৰ পৰা অসমলৈ বৈ আহিছে সেই খিনিতে বিজ্ঞানসন্মতভাবে নিয়ন্ত্ৰন কৰাৰ ব্যৱস্থা কৰিব লাগিব। গতিকে ব্ৰহ্ম-পুত্ৰ নিয়ন্ত্ৰনৰ কাৰণে অৰুণাচল, মনিপুৰ, নগালেণ্ড আদি ৰাজ্যৰ লগত প্ৰয়োজন হলে আলোচনা কৰিব লাগে। আৰু দৰ্কাৰ হলে চিনা বিশেষজ্ঞৰ দ্বাৰা ভালদৰে পৰীক্ষা কৰি লৈ এই নদী নিয়ন্ত্ৰন কৰিলেহে সমস্যাৰ কিছু সমাধান কৰিব পৰা হব। গোটেইখিনি সমস্যা যে আমি সমাধান কৰিব পাৰিম সেইটো নহয়। মই আৰু বেছি নকওঁ বহুত কেইটা মঞ্জুৰী আৰু আছে। ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰনৰ কাৰণে যিখিনি টকাৰ দৰকাৰ সেই গোটেইখিনি টকা যাতে কেন্দ্ৰীয় চৰকাৰৰ পৰা আদায় কৰিব পৰা হয় তাৰ কাৰণে ততকালিন ব্যৱস্থা গ্ৰহণ কৰিব লাগে। মাত্ৰ ৪২ কোটি টকাৰে অসমৰ নিচিনা ৰাজ্যৰ বান নিয়ন্ত্ৰন কৰাটো কল্পনাও কৰিব পৰা নহয়। বাননিয়ন্ত্ৰণ বিভাগৰ দুৰ্নীতিৰ কথা কৈছে। এই দুৰ্নীতি অকল বান নিয়ন্ত্ৰন বা জলসিঞ্চন বিভাগতে নহয়

সমগ্ৰ ৰাজ্যখনতে এই দুৰ্নীতি শিপাইছে। এই দুৰ্নীতি নিৰ্মূল কৰিবলৈ কিছু সময় লাগিব। কাৰণ ৩৮ বছৰৰ জাবৰ যোথৰ গুচাবলৈ বিধান সভাৰ ৫ বছৰেই যথেষ্ঠ নহয় আৰু বেছি সময়ৰ প্ৰয়োজন।

এইখিনিকে কৈ মই দাবী মঞ্জুৰীটো সমৰ্থন কৰিছো আৰু আশা কৰিছো যি-বিলাক পৰামৰ্শ আমি আগবঢ়াইছো সেইবিলাক পৰামৰ্শলৈ চৰকাৰে দৃষ্টি ৰাখিব আৰু অসমত বান নিয়ন্ত্ৰনৰ কাৰণে এটা বলিষ্ঠ পদক্ষেপ লবলৈ যত্ন কৰিব। লগতে আৰু আশা কৰিছো যে আগৰবোৰ চৰকাৰৰ দৰে আমাৰ চৰকাৰৰ ব্যৱস্থা নহয় তাৰ কাৰণে দৃষ্টি আকৰ্ষণ কৰি মোৰ বক্তব্য সামৰণি মাৰিলো।

শ্ৰীমতী জ্যোৎস্না সোনোৱাল : মাননীয় অধ্যক্ষ মহোদয়, আজিৰ সদনত বান নিয়ন্ত্ৰণ মন্ত্ৰী মহোদয়ে যি বান নিয়ন্ত্ৰণ শিতানত মঞ্জুৰী দাঙি ধৰিছে মই সেই প্ৰস্তাৱক সমৰ্থন জনাইছো আৰু যি সকল সদস্যই এই দাবী মঞ্জুৰীৰ ওপৰত কৰ্ত্তন প্ৰস্তাৱ আনিছে সেই কৰ্ত্তন-প্ৰস্তাৱৰ মই বিৰোধীতা কৰিছো।

অধ্যক্ষ মহোদয়, অসমৰ অৰ্থনৈতিক অৱস্থা যে আজি বেয়াৰ ফালে গতি কৰি আছে তাৰ প্ৰথম কাৰণ অসমৰ বানপানী। অসমৰ বাবে এটা ডাঙৰ সমস্যা হৈছে বানপানী। ১৯৫০ চনৰ ভূমিকম্পৰ পাছত শদিয়াত লোহিত দিবাং লগ হৈ কুন্দিল নগৰক গড়াখহনীয়াত পেলাইছে কিন্তু আজিলৈকে তাত কোনো প্ৰতিকাৰৰ ব্যৱস্থা কৰা হোৱা নাই। যাৰ ফলত আজি কুন্দিলনগৰ ব্ৰহ্মপুত্ৰৰ বুকুত জাহ গৈছে। মই পোনতে বান নিয়ন্ত্ৰণ মন্ত্ৰী মহোদয়ক এই বিষয়ত চকু দিবলৈ অনুৰোধ জনালো। বান নিয়ন্ত্ৰণ মন্ত্ৰী মহোদয়ে অৱশ্যে দাবী মঞ্জুৰীত যিখিনি টকা বিচাৰিছে সেইখিনি টকাৰে শদিয়াৰহে গড়াখহনীয়া প্ৰতিৰোধ কৰিব পৰা যাব মাত্ৰ। বান নিয়ন্ত্ৰণ বিষয়টোৰ গুৰুত্বলৈ চাই বান নিয়ন্ত্ৰণৰ গোটেইখিনি টকা কেন্দ্ৰীয় চৰকাৰে বহন কৰিব লাগে বুলি আমাৰ চৰকাৰে অতি সোনকালে প্ৰস্তাৱ আগবঢ়াব বুলি মই অনুৰোধ জনালো। মই আমাৰ চৰকাৰৰ পৰা আশা কৰিছো শদিয়া অৰুণাচল সীমান্তৰ চুন-পুৰা যিটো অঞ্চল সেই অঞ্চলটো এতিয়াও ভৈয়াবহ অৱস্থাত আছে কেতিয়া ই গড়াখহনীয়াৰ কবলত পৰে তাৰ কাৰণে কোনো নিশ্চিত নহয়—গতিকে এই বিষয়টো নতুন চৰকাৰে বিশেষ দৃষ্টি দিব লাগে। যোৱা বাৰ বানপানীৰ সময়ত চৰকাৰে কোনো ব্যৱস্থা নলোৱাৰ কাৰণে এই অৱস্থা। তাত ২ লাখ টকা খৰছ কৰি এটা মঠাউৰীৰ কাম কৰিলে যাৰ ফলত ৰাইজে কিছু গড়াখহনীয়াৰ পৰা ৰক্ষা পাব পাৰিছে—এই কাম কৰিছিল তাৰ এজন স্থানীয় ব্যৱসায়ে। চৰকাৰৰ ফালৰ পৰা এই বিষয়ে গুৰুত্ব সহকাৰে বিবেচনা কৰিব লাগে আৰু ব্যৱস্থা লব লাগে চুনপুৰাৰ

পৰা বচাগাওঁলৈ এই ১৩ কিঃ মিঃ মঠাউৰী কৰিব পাৰিলে ৰাইজ বহুত দুৰ্দ্দশাৰ পৰা মুক্ত হব। এইটো কৰিলেহে চুনপুৰা অঞ্চলক ৰক্ষা কৰিব পৰা হব। শদিয়া অঞ্চলৰ কুন্দিলনগৰত ১৬ লাখ টকা খৰছ কৰি ২ কিঃ মিঃ মঠাউৰী কৰিছিল কিন্তু তাৰ কাৰণে লাগে ৩৬ লাখ টকা। এতিয়াও কাম বাকী আছে পইছাৰ অভাবত। চৰকাৰে এই বিষয়ে মনোযোগ দিব লাগে। আনহাতে মঠাউৰীৰ কাম বাৰিষাৰ আগে আগে শেষ কৰিব লাগে কিন্তু সেইটো কৰা নহয়। বিগত ৩৮ বছৰত পূৰ্ব্বৰ চৰকাৰে যিবিলাক কাম নকৰিলে সেইবিলাক কাম আমি আগবঢ়াই লৈ যাব লাগিব। গড়াখহনীয়া প্ৰতিৰোধৰ কাৰণে সেই চৰকাৰৰ দিনত যিবিলাক কাম কৰা হৈছিল সেইবিষয়াক ৰাইজৰ কাৰণে সন্তোষজনক নাছিল। আমি দেখিছো কোনো এটা মঠাউৰীৰ কাম এমাহ কৰি তাক পেলাই থৈ দিয়ে আৰু ৩১ মাৰ্চ শেষ হোৱাৰ লগে লগে ইফালে বানপানী আহিবৰ সময় সেই সময়ত কাম আৰম্ভ কৰে। এইটো কেতিয়াও বিজ্ঞানসন্মত হব নোৱাৰে। এই সময় চোৱাত বৰষুণ হয় আৰু মাটি ঢিলা হৈ থাকে। গতিকে এমাহ কামটো আৰম্ভ কৰি পেলাই নথৈ অবিৰাম ভাবে ৬ মাহ হলেও কামটো শেষ কৰিব লাগে। আমাৰ চৰকাৰে এইবাৰ কিছু ব্যৱস্থা লব বুলি জানি ৰাইজ সুখী হৈছে। চুমুনী অঞ্চলৰ কাৰণে যিটো মঠাউৰীৰ কাম কৰা হব তাত ১৬ লাখ টকা খৰছ হব বুলি কোৱা হৈছে কিন্তু দুমাহ কাম কৰি পেলাই থব আৰু ৩১ মাৰ্চৰ ভিতৰত কাম আৰম্ভ কৰিব তেতিয়া পানী আহে মাটি কমলহৈ থাকে। গতিকে যিমান টকাৰ কাম হব লাগিছিল সেই টকাৰ কাম নহয়। গতিকে এই বিলাক বিষয়ত আমাৰ নতুন চৰকাৰে সুক্ষ্ম দৃষ্টি দিব বুলি মই অনুৰোধ জনালো।

অধ্যক্ষ মহোদয়, আজি অসমত বহুতো মাটিহীন, গৃহহীন বেদখলকাৰী লোক বনাঞ্চলত আছে। সেই মানুহ বিলাক বেচি ভাগেই বানপ্ৰপিড়িত লোক আৰু সেই সকলোকেই আমি উচ্ছেদ কৰিব লাগিব। কিন্তু সেই মানুহ বিলাকৰ এটা সময়ত মাটি আছিল যদিও আজি সেই মাটি পানীৰ তলত আছে। সেই কাৰণেই আজি সেই মানুহ বিলাকৰ এনে এটা অৱস্থা হৈছে। গতিকে আমাৰ চৰকাৰৰ এটা সমস্যাৰ লগত আন এটা সমস্যা জৰিত থকা দেখা যায়। বিশেষকৈ আমাৰ অৰ্থনৈতিক অৱস্থাৰ পৰিবৰ্ত্তন কৰিব নোৱাৰিলে অসমৰ সংহতি আৰু উন্নতি কৰা টান হব। সেই কাৰণে মোৰ ফালৰ পৰা মই কব খোজো যে, এনে ধৰণৰ কাম কাৰ্য্যকৰি কৰা ক্ষেত্ৰত বৈজ্ঞানিক দৃষ্টি ভঙ্গীৰে কৰিব লাগে। অসমৰ অৰ্থ নৈতিক দিশত যিবোৰ সমস্যাৰ সৃষ্টি হৈ আছে সেই সমস্যা বিলাক যাতে পুনৰ উদ্ভৱ হব নোৱাৰে সেই ধৰণে কাম বোৰ আৰম্ভ কৰি সমস্যা বিলাক লাহে লাহে কমাই আনিব লাগে। যিহেতুকে কাম বিলাক বতৰৰ কাম, গতিকে বতৰতেই

কৰিব লাগিব। আৰু এটা মাহৰ পাচতেই আমাৰ অসমত বানপানী আৰম্ভ হবই। গতিকে আমাৰ আচনি সমূহৰ সংগতি ৰাখি আমি আমাৰ কামত আগবাঢ়িব লাগিব। এই ক্ষেত্ৰত মই হ্ৰস্ব ম্যাদী আৰু দীঘ্ৰ ম্যাদী এই আচনি খনৰ কথা কব বিচাৰিছো। এই আচনি সমূহত কি কি আছে আৰু কত কেনেকৈ কৰিব লাগে তাৰ এটা জৰিপ কৰাৰ ওপৰিও অনুসন্ধান কৰাৰ প্ৰয়োজন হৈ পৰিছে। যোৱা চৰকাৰৰ দিনত হ্ৰস্বম্যাদি আচনিত একো এটা দিয়া নাছিল। ৰাইজে তাৰ পৰা একো উপকাৰ পোৱা নাছিল। এইবাৰ সেই সকলো বিলাক থাকিব লাগিব। এতিয়া মঠাউৰী বন্ধাৰ সময় নাই। গতিকে হ্ৰস্বম্যাদী আচনিৰ ভিতৰত, শিবীৰ পাতি দিব লাগে আৰু তাত থকা মানুহ বিলাকে যাতে খোৱা লোৱাত অসুবিধা নাপায় তাৰ ব্যৱস্থা কৰিব লাগে। বিশেষকৈ যিবিলাক ঠাইত বানপানী হয়, পানী কোন সময়ত কেতিয়া উঠিব কোনেও নাজানে। সেই বিলাক চাবলৈ আমাৰ বিভাগৰ কৰ্ম্মচাৰীও নাই। বিভাগৰ পৰা কোনো বিষয়াকো পঠোৱা নহয়। কেৱল দিচপুৰত বহি আলোচনা কৰিলেই বানপানী নিয়ন্ত্ৰণ কৰিব নোৱাৰি। শদীয়াত বানপানী হৈছে বুলি ইয়াত আলোচনা কৰিলে নহব। সেইবিলাক ঠাইলৈ গৈ সকলো চাই চিতি ৰাইজৰ লগত আলোচনা কৰি পৰামৰ্শ লব লাগে। লগতে ৰাইজকো বুজাই দিব লাগে। এই বানপানীৰ লগতে আৰু বহুতো আনুসংগিক কথা আছে। নদীৰ পাৰত গছ গছনী নাই কাৰণে বানপানী বেচি হৈছে। আৰু যিবিলাক ঠাইত গছ গছনি কাটি দিয়া হৈছে সেই বিলাক ঠাইত বৰষুণ নোহোৱা হৈছে। আৰু বৰষুণ নোহোৱাৰ ফলত সেই মাটি বিলাকৰ উৰ্ব্বৰতা কমি গৈছে। বছৰে বছৰে এই উৰ্ব্বৰতা কমি যোৱাৰ ফলত উৎপাদন কমি যাব আৰু দেশৰ প্ৰগতিত বাধা পৰিব। গতিকে প্ৰকৃতিৰ লগত খাপ খুৱাই সেই বিষয়ে চিন্তা কৰি প্ৰত্যেকটো ৰাস্তাই সুগম কৰি লব লাগে। আৰু প্ৰত্যেকটো বিভাগৰ লগত আলোচনা কৰি কাম কাজ আৰম্ভ কৰিব লাগে। ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণৰ ক্ষেত্ৰত আমি অৰুণাচলৰ লগতো কথা পতা উচিত বুলি মই ভাবো। কাৰণ তেওঁলোকে ক'ৰ পৰা কি দৰে কাম আৰম্ভ কৰিছে আৰু অসমৰ ক্ষেত্ৰত ক'ৰ পৰা কি দৰে কাম কৰিব তাৰ এটা আলোচনা নহলে কামত বিসংগতিৰ সৃষ্টি হব আৰু কাম বিলাকৰ শুভফল নহব। গতিকে আমাৰ চৰকাৰে অৰুণাচল চৰকাৰৰ লগত আলোচনা কৰিলে তেওঁলোকে কি ধৰণেৰে চিন্তা কৰিছে জানিব পাৰিলে ভাল হব বুলি মই ভাবো। এই বিষয়ে মই বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো। তাৰ পাচত আমাৰ যিবিলাক জনসংযোগ ব্যৱস্থা আছে, সেই ব্যৱস্থা সমূহ হ্ৰস্বম্যাদী আচনিৰ যোগেদি ভালকৈ কৰিব লাগে। ইয়াৰ ওপৰি অসমৰ ব্ৰহ্মপুত্ৰ নদীয়ে যে অসমৰ ৰাইজৰ জুৰুলা অৱস্থাৰ সৃষ্টি কৰিছে আৰু অসমৰ ৰাইজৰ দুৰ্দ্দশাৰে কুলাই পাচিয়ে নধৰা হৈছে তাৰ এটা হুবহু ছবি কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাঙি ধৰিব লাগে। কাৰণ আমাৰ আগৰ চৰকাৰে হয়তো

সেইটো ভাল ধৰণেৰে দিব পৰা নাই হেতুকে কেন্দ্ৰীয় চৰকাৰে বিশেষ মনোযোগ দিয়া নাই। আজি হয়তো তেওঁলোকে জানিছে, শদীয়া. মাজুলীত বানপানী হয়। কিন্তু তেওঁলোকে ভাবিছে হয়তো অলপ কিবা এটা হয়।

গতিকে মই ভাবো অসমৰ এই বানপানীৰ ধ্বংসলীলা কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰী মহোদয় সকলক ভ্ৰমণৰ জৰিয়তে দেখুৱাব লাগে। আৰু কেন্দ্ৰীয় চৰকাৰক জনাব লাগে যে আজি আমাৰ এই বিষয়ত কিমান টকাৰ প্ৰয়োজন হৈছে। এই গোটেইখিনি কথা আমাৰ চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ আগত দাঙি ধৰিব বুলি আশা ৰাখিলো। বিশেষকৈ শদীয়া সমষ্টিৰ বিধায়ক হিচাবে শদীয়াত বানপানীৰ ক্ষেত্ৰত কৰিব লগীয়া কামবোৰ কৰিব বুলি অনুৰোধ কৰিলো বিভাগীয় মন্ত্ৰী মহোদয়ৰ ওচৰত। এই বান-পানী ৰোধ কৰিবলৈ হলে আমি বিজ্ঞান সন্মত হিচাবে আচনি লৈ সকলো কামতে আগবাঢ়িব লাগিব। এই আচনি বিলাক ৰূপায়িত কৰিবলৈ হলে ইয়াৰ জৰীপ কৰি পৰিকল্পিতভাবে আগবাঢ়িব লাগিব। গতিকে ইয়াত টকা পইচাৰো নিশ্চয় দৰ্কাৰ হব। গতিকে এই সমস্যাবিলাকৰ সমাধান কৰিবলৈ হলে আমি সকলোৱে সহযোগ কৰিব লাগিব। গতিকে যিসকল বিৰোধী পক্ষৰ সদস্যই কৰ্ত্তন প্ৰস্তাবটো আনিছে তাক উঠাই লৈ বিৰোধী মনোভাব নাৰাখি সহযোগ কৰিলে ব্ৰহ্মপুত্ৰৰ বান নিয়ন্ত্ৰণ নিশ্চয় হব। ইয়াকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীআব্দুল জেলিল ৰাগিবী :—অধ্যক্ষ মহোদয়, বৰ্ত্তমান আমাৰ মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে উত্থাপন কৰা বাজেটৰ ওপৰত বিতৰ্ক চলি আছে। এই সুযোগতে মোৰ সমষ্টিৰ কেইখনমান নৈৰ ধ্বংশ লীলাৰ কথা কবলৈ বিচাৰিছো আৰু লগতে মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। আমাৰ যমুনামুখ সমষ্টিৰ যমুনা নৈ, নিথাৰী নৈ, কপিলি নৈ এই তিনিখন নৈৰ বানপানীয়ে প্ৰত্যেক বছৰে হাজাৰ হাজাৰ বিঘা মাটি নষ্ট কৰে আৰু দুখীয়া জনসাধাৰণৰ খেতি বাতি সকলো উটাই লৈ যায়। এই বিষয়টো লৈ মই ৰাইজৰ তৰফৰ পৰা দৰ্খাস্ত আদি দিয়াৰ উপৰিও নিজে লগ ধৰি মন্ত্ৰী মহোদয়ক জনাইছো। অধ্যক্ষ মহোদয়, তেখেতক মই অনুৰোধ কৰিছো যে, এই তিনিটা নৈৰ দুয়ো পাৰে যদি বান্ধ নিৰ্ম্মাণ কৰি বন্যা নিয়ন্ত্ৰণ কৰা হয় তেনেহলে প্ৰত্যেক বছৰে যি হাজাৰ হাজাৰ বিঘা মাটিৰ শষ্য নষ্ট হয় তাৰ পৰা দুখীয়া ৰাইজ ৰক্ষা পৰিব। কাৰণ এই বন্যাই যিদৰে ৰাইজৰ ক্ষতি কৰে তাত জুৰুলা হৈ, এইবাৰ দুখীয়া খেতিয়ক সকলে আমাক জনাইছে যে. তেওঁলোকে এইবাৰ আৰু খেতি নকৰে। আমাৰ কপিলি নৈৰ এটা চাইড বান্ধি দিয়া হৈছে কিন্তু আনটো চাইড বান্ধি দিয়া হোৱা নাই। সেইকাৰণে গোটেই অঞ্চলটোৱেই ক্ষতিগ্ৰস্ত হয়। কপিলি নৈৰ বানপানী গৈ যমুনা, নিথাৰী নৈৰ পানীৰ লগত লগ

লাগি যমুনা মৌজাৰ ৰাইজৰ অৱস্থা ডুখলগা কৰিছে। মই আমাৰ বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছিলো যে অনুগ্ৰহ কৰি আপুনি আহক, আমাৰ সমষ্টিৰ ৰাইজক এই তিনিটা নৈয়ে কি ধৰণে ক্ষতিগ্ৰস্ত কৰিছে চাই যাওক। মন্ত্ৰী মহোদয়ে কথা দিছিল যে তেখেতে নিশ্চয় চাব। কিন্তু এতিয়ালৈকে কোনো নিৰ্দ্দেশ দিয়া হোৱা নাই যদিও মই আশা ৰাখিছো তেখেতে নিশ্চয় চাব, যিহেতুকে তেখেতৰ এইটো বিষয়ত দায়িত্ব আছে।

অসমৰ বিভিন্ন অঞ্চলত বানপানীয়ে কি ধৰণৰ ক্ষতি কৰিছে তেখেতে নিজে গৈ নিৰীক্ষণ কৰিব লাগে। অকল ব্ৰহ্মপুত্ৰৰ নিয়ন্ত্ৰণৰ কথা ইয়াত আলোচনা কৰিলে নহব। ব্ৰহ্মপুত্ৰৰ লগতে ইয়াৰ যিবিলাক উপনৈ আছে সেইবিলাক উপনৈয়ে কোন কোন ঠাইত কি ধৰণৰ ধ্বংসলীলা চলায় ৰাইজক ক্ষতিগ্ৰস্ত কৰিছে তালৈ লক্ষ্য কৰিব লাগিব। গতিকে সৰু সৰু নৈক লগতে নিয়ন্ত্ৰণ কৰা অতি আৱশ্যক। এই বিষয়টোত মন্ত্ৰী মহোদয়ে চকু দিব বুলি আশা কৰিলো। এই সৰু সৰু নৈবিলাকৰ নিয়ন্ত্ৰণৰ কাৰণে যথোপযুক্ত ব্যৱস্থা লব বুলি মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনায় মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী :—মাননীয় অধ্যক্ষ মহোদয়, আজি সদনত মাননীয় মন্ত্ৰী মহোদয়ে যি প্ৰস্তাৱ উথাপন কৰিছে সেই প্ৰস্তাৱক সমৰ্থন জনায় যিসকল মাননীয় বিৰোধী পক্ষৰ সদস্যই এই মূক্ত প্ৰস্তাৱৰ ওপৰত কৰ্ত্তন প্ৰস্তাৱ আনিছে সেই কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধীতা কৰিছো। আৰু বিৰোধী পক্ষৰ সদস্য সকলক তেখেত সকলৰ কৰ্ত্তন প্ৰস্তাৱ উঠাই লৈ এই প্ৰস্তাৱ গৃহীত কৰাত সহায় কৰিবলৈ মই তেখেত সকলৰ প্ৰতি আহ্বান জনাইছো।

অসমৰ বানপানীৰ যিটো সমস্যা সেইটো অসমৰ সামগ্ৰিক অৰ্থনৈতিক আৰু কৃষি ব্যৱস্থাৰ কাৰণে অসমৰ জনসাধাৰণৰ মুল সমস্যা। বানপানীৰ সমস্যাৰ লগত অসমৰ অৰ্থনীতিৰ সম্পৰ্ক আছে। অসমত আজি বানপানীৰ যিটো ভয়াবহ ৰূপ সেই সমস্যাৰ লগত অসমৰ জনসাধাৰণৰ তিক্ত অভিজ্ঞতা আছে। এই তিক্ত অভিজ্ঞতালৈ লক্ষ্য ৰাখি আমাৰ নতুন চৰকাৰে জনসাধাৰণৰ মঙ্গলাৰ্থে এটা বিজ্ঞান সন্মত পদ্ধতিৰে অসমত বাননিয়ন্ত্ৰণৰ এটা স্পষ্ট আচনি যুগুত কৰিবলৈ মই প্ৰথমেই চৰকাৰক আহ্বান জনালো। বিগত স্বাধীনতাৰ ৩৮ বছৰৰ পাছতো অসমৰ জনসাধাৰণে বান নিয়ন্ত্ৰণৰ অৰ্থ নুবুজিলে। মোৰ সন্দেহ হয় যিসকল কৰ্ম্মচাৰীয়ে এই বান নিয়ন্ত্ৰণ বিভাগত কাম কৰিছে এই ৩৮ বছৰে তেখেত সকলে এই বাননিয়ন্ত্ৰণ শব্দটো নুবুজিলে। আৰু নুবুজাৰ কাৰণেই অসমত বানপানীয়ে ভয়াবহ ৰূপ কেনেকৈ ধাৰণ কৰিছে তাৰ ব্যাখ্যা দাঙি ধৰিছে। কিছুমানে কৈছে যে অসমৰ ৰাইজ বানপানীৰ লগত সহবাস

কৰিবলগীয়া হৈছে কিছুমানে কৈছে যে অসমৰ বানপানী এটা প্ৰাকৃতিক দুৰ্যোগ ইয়াত কৰিবলগীয়া একো নাই আৰু কিছুমানে কৈছে যে ই এটা ইমান ডাঙৰ নদী ইয়াক ভেটিব কোনে ? অৰ্থাত কবিৰ ভাষাত তেখেতসকলে কয় 'লুইটক ভেটিব কোনে'। বানপানী চলি আছে চলি থাকিব কিন্তু এইটো আমি আলোচনা কৰিব লাগিব যে অসমত কেইটা নদী আছে তাত কিমান মঠাউৰী আছে সেইখিনিৰ সম্যক জ্ঞান আমাক লাগিব। বিগত চৰকাৰৰ দিনত আমি এটা কথাই দেখিবলৈ পালো যে এই নদী সমূহৰ কোনো ৰিচাৰ্চ কৰা নহ'ল। অৱশ্যে এই বিভাগৰ নদী গবেষণা কেন্দ্ৰ এটা আছে বেলতলাত। কিন্তু প্ৰকৃততে তাত যিবিলাক ইঞ্জিনীয়াৰ আছে বা বিষয়া আছে তেওঁলোক তাত জিৰাবলৈহে আছে তেওঁলোক গবেষণাৰ চিন্তাধাৰাত নাই। আমাৰ ওচৰত দুই এটা তেনেকুৱা কেচ আহিছে তেওঁলোকৰ পৰা বুজিলো যে কোনোবা বিষয়াক শাস্তি দিবলৈ হলেহে তেওঁক ৰিভাৰ ৰিচাৰ্চত দিয়ে। তেওঁলোকে তাৰ পিছত মন্ত্ৰী এম এল এক খাটিব কৰে যে মোক আৰু ইয়াতে ৰাখক বা কোনোবা ডিভিজনত দিয়ক মোক ৰিভাৰ ৰিৰ্চাচত নিদিব। গতিকে ইয়াৰ এটা চাইকো-লোজিকেল এফেক্ট আছে। ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণ অকল দুখন ড্ৰেজাৰ আনি প্ৰদৰ্শন কৰিলেই নহব। অকল ব্ৰহ্মপুত্ৰ খান্দিলেই এই সমস্যাৰ সমাধান নহয় লগতে ইয়াৰ উপনৈ সমূহত যদি যথোপযুক্ত ব্যৱস্থা লোৱা নহয় তেন্তে এই সমস্যাৰ সমাধান নহব। এই কথা আগৰ চৰকাৰে বুজিও নুবুজিছিল। আজি অসমত জনসংখ্যা বাঢ়িয়ে আছে কিন্তু তাৰ তুলনাত মাটি বঢ়া নাই মাটি আমাৰ ঠিকেই আছে। কিন্তু গড়াখহনীয়াৰ কবলত পৰি হাজাৰ হাজাৰ বিঘা আমাৰ খেতি পথাৰ নাইকীয়া হৈ গৈছে। অসমৰ কাৰণে ই এটা ভয়াবহ ৰূপ। যিখিনি খেতিৰ মাটি আছে সেইখিনিতো জলসিঞ্চনৰ বাৱস্থা নাই, সাৰৰ ব্যৱস্থা নাই। বিজ্ঞান সন্মত প্ৰণালীৰ কোনো ব্যৱস্থা নাই আনহাতে দিনক দিনে বাকীথকা মাটিখিনি গড়াখহনীয়াত নিঃশেষ হৈ যাব ধৰিছে। গতিকে আমাৰ এই চৰকাৰ বানপানী নিয়ন্ত্ৰণৰ ক্ষেত্ৰত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ সক্ষম হব লাগিব। এই প্ৰশ্নটোৰ ওপৰত যদি আমাৰ চৰকাৰে গভীৰভাৱে উপলব্ধি নকৰে তেনেহলে আৰু বেছি বেয়ালৈ যাব। অধ্যক্ষ মহোদয় মই আপোনাৰ অনুমতি সাপেক্ষে মই বান নিয়ন্ত্ৰণ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰ আৰু দক্ষিণ পাৰৰ নদী বিলাকৰ বেলেগে ৰিচাৰ্চ চলাব লাগে। কাৰণ উত্তৰ পাৰৰ নদী বিলাক বৰ বাম মাটি আলতীয়া আৰু বেছি কাৰেন্ট আছে। এই নদী বিলাকত অকল মঠাউৰী সাজিলেই নহব তাত সৰু সৰু ড্ৰেজাৰ আনি খন্দাৰ ব্যৱস্থা কৰিব লাগিব। তাৰ দলনি অকল ৬০-৪০ ভাগ শতকৰা হিচাৱত পাৰ্কুপাইনৰ ব্যৱস্থা কৰিলেই ইয়াৰ নিয়ন্ত্ৰণ নহব। গতিকে মই পৰামৰ্শ দিব বিচাৰিছো এই উপনদী বিলাকৰ কাৰণে সৰু সৰু ড্ৰেজাৰৰ ব্যৱস্থা কৰিব লাগে আৰু তেতিয়া এই নদী বিলাক নিয়ন্ত্ৰণ কৰিব পৰা যাব।

অধ্যক্ষ মহোদয়, ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰত যিথিনি নদী আছে সেইবোৰত 'চিলটেচন' বেছি আছে যাৰ বাবে এই নদীবোৰত গড়াখহনীয়া বেছিকৈ হোৱা দেখা যায়। মই বিভাগীয় মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছো এই বিষয়টোৰ প্ৰতি। ব্ৰহ্মপুত্ৰৰ য'ত ট্ৰেনজিট পইন্ট যেনে—ডিব্ৰুগড়ৰ-মঠলা, শিৱসাগৰৰ-দিখৌ, যোৰহাটৰ-ককিলামুখ আৰু কামৰূপৰ-পলাশবাৰী আৰু ডুনী আদি এইবোৰ অঞ্চলত 'চিলটেচন আৰু ড্ৰেইনেজ চিষ্টেম ইমপ'জ কৰিব লাগে। কিন্তু আজিলৈকে তেনে ব্যৱস্থা কৰা হোৱা নাই। অনতিপলমে এইবোৰ ঠাইত এই ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ক'ৰবাত ২।১ এখন ঠাইত এনে ব্যৱস্থা হৈছে যদিও সি কাৰ্য্যকৰী হৈ উঠা নাই। ভৰলু নদীৰ ক্ষেত্ৰত যি ব্যৱস্থা লোৱা হৈছে ইয়াক খান্দি নি ডীপৰ বিলত ইয়াৰ পানী কঢ়িয়াই পেলোৱাৰ ব্যৱস্থাত ইতিমধ্যে কোটি কোটি টকা খৰচ কৰা হৈ গৈছে। কিন্তু ভৰলুৰ পানী হলে ডীপৰ বিলত গৈ নপৰিল। তাৰ পৰিবৰ্ত্তে মানুহৰ পাকঘৰ, চোতাল আৰু স্কুলঘৰতহে ভৰলুৰ পানী সোমোৱাৰ ব্যৱস্থা হল। পৰিব লাগিছিল ডীপৰ বিলত সোমাল মানুহৰ ঘৰত। এই ব্যৱস্থাৰ কাৰণে আমাৰ বিগত চৰকাৰেই ঘাইকৈ দায়ী। তেওঁলোকে যিবোৰ আচনি গ্ৰহণ কৰিছিল সেইবোৰ বাস্তৱ ক্ষেত্ৰত ৰূপায়িত কৰা হৈছিল নে নাই তাৰ প্ৰতি কোনেও চকু ৰখা নাছিল বা চকু ৰখাৰ প্ৰয়োজনবোধ কৰা নাছিল। আনহাতে এই আচনিবোৰৰ কাৰণে যি লাখ লাখ টকা চৰকাৰে অনুমোদন জনাইছিল সেইবোৰ টকা শতকৰা ৬০।৪০ ভাগকৈ ইঞ্জিনীয়াৰ, বিষয়া, ঠিকাদাৰ আদিৰ মাজত ভাগযোত কৰি লোৱাৰহে দিহা হৈছিল। মই যোৱা কালিও এই শতকৰা ৬০।৪০ ভাগ কৰি টকা খোৱাৰ কথাটো উত্থাপন কৰিছিলো। এই ব্যৱস্থাটো ই এণ্ড ডি বিভাগতেই আটাইতকৈ বেছিকৈ হোৱা দেখা যায়। এইবোৰ কথাৰ বা কামৰ কাৰণে বিভাগীয় বিষয়াৰ পৰা কৈফিয়ত বিচাৰিব লাগে। আমাৰ এজন মাননীয় সদস্যই কৈছে যে শিলৰ বিস্ফোৰণ নকৰাকৈয়ে আৰু শিল এটাও যোগান নধৰাকৈয়ে ট্ৰাকে ট্ৰাকে শিল যোগান ধৰা বুলি কৈ টকা সৰকাই ঠিকাদাৰে লৈ গৈছে। অধ্যক্ষ মহোদয়, মোৰ হাততো ই এণ্ড ডি বিভাগৰ দুৰ্নীতিৰ বহুতো তথ্যপাতি আছে, সেইবোৰ বিস্তাৰিত ভাবে ইয়াত নকও, কিন্তু বিভাগীয় মন্ত্ৰীয়ে এইবোৰৰ বিচাৰ কৰিব লাগে। যিবোৰ নদীৰ ভিন্টেজ পইন্টৰ' ক্ষেত্ৰত একো ব্যৱস্থা লোৱা নাই ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এনেকুৱা হৈছে যে সোণাৰী ঘাটৰ ওচৰত মাতমৰা বুলি এখন হাইস্কুল আছে। সেই স্কুলখন গড়াখহনীয়াত যাও যাও অৱস্থা হৈছে, দেখিলেই ভয় লাগে, অথচ বিগত দিনৰ মন্ত্ৰী, এম, এল, এ বা বিভাগীয় বিষয়াৰ চকু এই স্কুলখনত নপৰিল। প্ৰতিশ্ৰুতিও বোলে কেইবাবাৰো দিছিল কিন্তু একো নহল। অথচ ই এণ্ড ডি বিভাগত মন্ত্ৰী, এম, এল, এৰ কোব কি চাব? মাজুলীৰ হালধীবাৰী অঞ্চলৰো একেই অৱস্থা। মাজুলীক গড়াখহনীয়াৰ পৰা ৰক্ষা কৰিবৰ কাৰণে আজিলৈকে বিজ্ঞানসন্মতভাবে এখন ভাল স্কীম তৈয়াৰ কৰা নহল। মাজুলীক গড়াখহনীয়াৰ পৰা

ৰক্ষা কৰিবৰ কাৰণে চৰকাৰে লাখ লাখ টকা অনুমোদন দি আছে, মাজুলী ৰক্ষা কৰিব লাগে। টকাৰ নাটনি হলেই কেন্দ্ৰীয় চৰকাৰৰ ওচৰলৈ মন্ত্ৰী, বিষয়া দৌৰ মাৰে, তাৰ পৰা ব্ৰীফ কেচত টকা ভৰ্ত্তি কৰি লৈ আহে, অথচ এইবোৰ টকা কোনে ক'ত হজম কৰে তাৰ কোনো পাট্ৰা নাই। বদতিঘাটৰ কথালৈ চাওক—তাত কি ভীষণ গড়াখহনীয়া হয়। অথচ এই বিভাগৰ ডাঙৰ ডাঙৰ বিষয়া, ইঞ্জিনীয়াৰ আদিক যদি আপুনি বদতিঘাটৰ কথা সোধে তেওঁলোকে নিশ্চয় একো কব নোৱাৰিব। কিয়নো তেওঁলোকে সেইবোৰ ঠাই দেখাই নাই। মই এইবোৰ কথালৈ আমাৰ চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো। গহপুৰৰ ওচৰত পিচলা, জামুগুৰীৰ ওচৰৰ গমিৰি, জীয়া ভৰলী অঞ্চলত দেখা দিয়া গড়াখহনীয়া আৰু বানপানীৰ কথা চৰকাৰে গভীৰভাবে চিন্তা কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। নদীৰ মুখ বোৰেদি যাতে পানী বেছিকৈ বৈ আহিব পাৰে তাৰ কাৰণে বিহিত ব্যৱস্থা লব লাগে। নদীক নিয়ন্ত্ৰণ কৰিবলৈ হলে বিজ্ঞানসম্মতভাবে আচনিবোৰ ৰিচাৰ্চ কৰি তৈয়াৰ কৰি কামত আগবাঢ়িব লাগে।

অধ্যক্ষ মহোদয়, মই এতিয়া মুকালমুৱাৰ কথা কও। এই সদনৰ মৰ্য্যাদা হানি কৰিব খোজা নাই মই মুকালমুৱাৰ কথা কবলৈ গৈ। কিন্তু মুকালমুৱাত এই ই এণ্ড দি বিভাগে গড়াখহনীয়াৰ নামত কিছুমান ইঞ্জীনিয়াৰে ইমানবোৰ টকা আত্মসাৎ কৰিলে যে তাৰ হিচাব পাবলৈ নাই। মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ আগতে এই পবিত্ৰ সদনৰ অধ্যক্ষৰ আসনখন যি জন ব্যক্তিয়ে অলংকৃত কৰিছিল তেখেতৰ কথাও ইয়াত ওলায় বা শুনিবলৈ পোৱা যায়। গতিকে মই আজি মাননীয় বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো মুকালমুৱাত গড়াখহনীয়াৰ নামত কোনে কোনে কিমান কিমান টকা হৰিলুট কৰিলে তাৰ এটা হিচাব উলিওৱাৰ ব্যৱস্থা কৰিব লাগে। অধ্যক্ষ মহোদয়, যিবোৰে সদন চলায়, দেশ চলায় অথচ লগহৈ পইচা খায়। জনসাধাৰণৰ মুখৰ ভাত কাঢ়ি লব বিচাৰে। আজি যদি চৰকাৰে মুকালমুৱাৰ ওপৰত গুৰুত্ব নিদিয়ে তেন্তে ইয়াৰ পৰিস্থিতি ভয়াবহ হৈ পৰিব।

অধ্যক্ষ মহোদয়, আজি বৰাক উপত্যকাত বান নিয়ন্ত্ৰণৰ নামত কিমান টকা অপচয় কৰিলে? কুছিয়াৰা নদীৰ ৰিচাৰ্চৰ কাৰণে ফলো আপ প্ৰগ্ৰেম নোলোৱাকৈ কাম কৰা হল। টকা খৰচ কৰা হল। বৰাক ভেলী প্ৰজেক্টৰ নামত শতকৰা যদি ২০ ভাগো কাম হৈছে তেনেহলে অধ্যক্ষ মহোদয়, মোক এই সদনে তিৰস্কাৰ কৰিব। অধ্যক্ষ মহোদয়, এই আটাইবোৰ কথাৰ তদন্ত হব লাগে।

অধ্যক্ষ মহোদয়, দিহিং আৰু সোৱনশিৰি নদীৰ দুটা ডাঙৰ প্ৰজেক্ট আছে। বৰ বৰ মন্ত্ৰী সকল পাৰ হৈ গল কিন্তু কোনেও ইয়াৰ প্ৰতি অকনো গুৰুত্ব নিদিলে। এই দুটা প্ৰজেক্টৰ কাম সম্পূৰ্ণ কৰি তুলিব নোৱাৰিলে ব্ৰহ্মপুত্ৰৰ বান নিয়ন্ত্ৰণ সম্ভৱ

নহব। দিহিং আৰু সোৱনশিৰি নদীত আজিলৈকে ৰিচাৰ্চ নহল। ৰাইজে ইয়াৰ বিচাৰ ললে কোৱা হয় যে সোৱনশিৰি নদীত সোণ পোৱা যায় কাৰণে এই প্ৰজেক্টৰ কাম চৰকাৰে বন্ধ কৰি ৰাখিছে। এটা অপপ্ৰচাৰ মাত্ৰ। যদি যোগ্যতা নাথাকে তেন্তে কি কাম কৰিব ? আমাৰ নতুন চৰকাৰে---গিয়েৰ আপ কৰিব লাগে। সোৱনশিৰি আৰু দিহিংৰ এই প্ৰজেক্ট দুটা নহলে বানপানী সমস্যাৰ সমাধান হব কেনেকৈ ? সোৱনশিৰি আৰু দিহিঙৰ প্ৰজেক্ট হলেহে বান নিয়ন্ত্ৰণৰ সমস্যাৰ সমাধান হব। সোৱনশিৰি প্ৰজেক্ট হৈ উঠিলে আমাৰ পাৱাৰ জেনেৰেচনো প্ৰচুৰ হব। এতিয়া পাৱাৰৰ কাৰণে আমি মেঘালয়ৰ ওচৰত হাত পাতিব লগা হয়। অধ্যক্ষ মহোদয় আপুনি জানে যে আজি আমাৰ গাৱঁবোৰত যি বিজুলী শক্তিৰ প্ৰচলন কৰা হৈছে সেইয়া দিনটোত আধাঘন্টা মানৰ কাৰণেহে থাকে। বাকী ছোৱা সময় কাৰেন্ট নাই বাবে নাথাকে। অৱশ্যে আমাৰ নতুন চৰকাৰে কাৰ্য্যভাৰ লোৱাৰ পিচত এই ব্যৱস্থাৰ কিছু উন্নত হৈছে। আমি যদি সোৱনশিৰি নদীত পাৱাৰ জেনেৰেট কৰিব পাৰো তেন্তে আমাৰ বিজুলী শক্তিৰ নাটনি নহব, ইয়াৰ পৰা হোৱা চাৰপ্লাচ শক্তি অসমৰ জনসাধাৰণৰ কাৰণে ব্যৱহৃত হব। আমাৰ এই নতুন চৰকাৰলৈ অসমৰ জনসাধাৰণৰ বহুত আশা আৰু আকাংক্ষাৰে বাট চাই আছে। সেয়ে মই নতুন চৰকাৰক এটা কথাই অনুৰোধ কৰিছো যে অসমৰ ব্ৰহ্মপুত্ৰ নদীক অসমৰ জনসাধাৰণৰ স্বাৰ্থৰ কাৰণেই নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰক আৰু লগতে দিহিং আৰু সোৱনশিৰি প্ৰকল্প দুটা দ্ৰুতগতিত সম্পুৰ্ণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰক।

প্ৰতিৰোধৰ নামত মোকালমোৱা আৰু বৰহুলাত অফিচাৰ সকলে বহুতো লুত-পাত কৰিলে। বান নিয়ন্ত্ৰণ মন্ত্ৰী ডাঙৰীয়াই এইটোৰ এটা তদন্ত কৰিব লাগিব। বৰহুলাত গড়াখহনীয়াই যি অৱস্থা কৰিছে এইটো এটা দুখলগা কথা। এই কথালৈ আমি অবৈধ চৰকাৰৰ দিনত মুখ্য সচিবৰ ওচৰলৈ আহিছিলো। মন্ত্ৰী সকলৰ ওচৰলৈ অহাৰ উপায় আমাৰ নাছিল। বিভাগীয় ইঞ্জিনীয়াৰ জনে যি যুক্তি প্ৰদৰ্শন কৰিলে সেই কথা আজিও আমাৰ মনত আছে। সেই যুক্তিৰে অসমৰ বান নিয়ন্ত্ৰণ সমস্যা সমাধান কৰিব বুলি আমি পতিয়ন যাব নোৱাৰো। অফিচাৰ সকলৰ হেমাহিৰ কাৰণে সেই অঞ্চলৰ মানুহ এক ভয়াবহ পৰিস্থিতিলৈ যাব লাগিব। 'প্ৰতেকশ্বনৰ' নামত 'উৱেৰ নীটিং'ত কিমান টকা খৰচ কৰিলে তাৰ তদন্ত হব লাগে।

অধ্যক্ষ মহোদয়, মই আপোনাৰ দৃষ্টি আকৰ্ষণ কৰি এটা কথা কব খুজিছো সেইটো হৈছে বাৰিষা যত বানপানী হয় তাত খৰালীৰ দিনতহে পানী নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰাৰ কথা। বৰমা, কালজাৰ, পুৰুচুবা এই বিলাক অঞ্চলত দুৰ্ভাগ্যবশত: খৰালী কালতহে বানপানী হয়। মৰা-পাগলাদিয়া নদী নিয়ন্ত্ৰণ কৰাৰ ক্ষেত্ৰত কটকতীয়া ব্যৱস্থা লব লাগে। বছৰটোৰ ১১ মাহ সময় পাৰ হৈ যোৱাৰ পিচতহে বাননিয়ন্ত্ৰণ বিভাগে লাখ

লাখ টকা চেংচন কৰে ইয়াৰ ফলস্বৰূপে যত নিয়ন্ত্ৰণৰ কাম হব লাগে ত'ত নহয়। অধ্যক্ষ মহোদয়, আমি যি খন দেশত বসবাস কৰিছো, এইখন দেশত খৰালী কাল-তহে বানপানী হয়। আজি আমি ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণৰ কথা চিন্তা কৰিছো কিন্তু মৰা পাগলাদিয়া নৈ নিয়ন্ত্ৰণৰ কথা চিন্তা কৰিব পৰা নাই। ইয়াৰ পৰাই অফিচাৰৰ অযোগ্যতাৰ পৰিচয় পোৱা যায় যোগ্যতা প্ৰতিপন্ন কৰিব পৰা নাই আৰু অসমৰ জনসাধাৰণৰ সামগ্ৰীক সমস্যাসমূহ সমাধান কৰিব পৰা নাই। অধ্যক্ষ মহোদয়, আৰু এটা কথা কব বিচাৰিছো যে মোৰ সমষ্টি ধৰমপুৰত ৫টা শ্লুইছ গেট' কৰিব বুলি কোৱা হৈছিল। আমি এই বিষয়ে এবাৰ নহয় ১০ বাৰ লিখালিখি কৰিলো। কিন্তু আজিলৈকে একো কাম হৈ নুঠিল আৰু দুমাহৰ পিচতে এই অঞ্চলত বানপানী হব। মই বিধায়ক হিচাবে অশোকস্তম্ভ থকা কাগজত ১০ বাৰ মান চিঠি লিখি সুধিলো। কিমান টকা লাগে কওক। এইটো 'গিয়েৰ আপ' কৰিব লাগে, ইঞ্জি-নীয়াৰে কলে ইয়াৰ বাবে প্ৰায় ২ কোটি টকাৰ প্ৰয়োজন হব। কাম কিন্তু আজি-লৈকে নহল। মঠাউৰী যি বিলাক বন্ধা হৈছে সেই বিলাক বিজ্ঞান সন্মত ভাৱে কৰা হোৱা নাই। মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো ২ কোটি টকা খৰচ কৰি তাত ইমূৰে সিমূৰে মঠাউৰী কৰা হৈছে, কিন্তু ২ ফাৰ্লং মান থাকি গৈছে। এই ব্যৱস্থা কিয় হৈছে, সেইটো বন্ধ কৰি দিলে ভাল হয়।

'মেনেজমেণ্ট'ৰ সম্পৰ্কত মই দু-আষাৰ মান কব খুজিছো। বানপানী নিয়ন্ত্ৰণৰ ক্ষেত্ৰত 'মেনেজমেণ্ট' ভাল হোৱা নাই। অফিচাৰ সকলে যধে মধে টকা খৰচ কৰিছে। ইয়াৰ দ্বাৰা নিজৰ 'পজিশ্যন' হে উন্নত কৰিছে। ফলস্বৰূপে বানপানীৰ সমস্যা অসমত ভয়াবহ হৈ আছে। অধ্যক্ষ মহোদয়, আপুনি শুনিলে আচৰিত হব যে এই বিভাগত দূৰ্নীতিৰ সীমা নোহোৱা হৈ পৰিছে। অৱশ্যে দূৰ্নীতি নাই ক'ত। কিন্তু তুলনামূলক ভাবে ইয়াত বেছি। অধ্যক্ষ মহোদয়, আমি এম, এল, এ নহওতেই লৰা আহি লাইন ধৰিলেহি, তেওঁলোকক 'পাৰকুপাইন'ৰ অৰ্ডাৰ দিব লাগে। বছৰৰ শেহত এই অৰ্ডাৰ পাবলৈ তেওঁলোকে বৰ আশা কৰে কাৰণ বিশ টাৰ অৰ্ডাৰ লৈ ৪।৫ টা মানৰ কাম কৰিলেই হৈ যায়। এই ক্ষেত্ৰত ৬০:৪০ ৰ ব্যৱস্থা হয়। বুজাই বুজি লব। 'পাৰকুপাইন'ৰ প্ৰকৃত হিচাব যাতে ৰখাব ব্যৱস্থা হয় আৰু এই দৰে 'প্ৰক্সি' মৰাৰ সুবিধা যাতে নাথাকে তাৰ উচিত ব্যৱস্থা কৰিব লাগে। দুৰ্নীতিৰ আৰু বহুত উদাহৰণ আছে, মই সেইবোৰ দিবলৈ নাযাও। মাত্ৰ এটা উদাহৰণ দি কও যে গনেশ গগৈ নামৰ এজন এচ, ডি, ও সেই প্ৰজেক্টত ১০ বছৰ ধৰি আছে। এইটো মই আপোনাৰ দৃষ্টি আকৰ্ষণ কৰিলো। আজি মই এটা 'ৰিপৰ্ট' আনিছো চন্দন গগৈ নামৰ এজন লোকৰ পুৱ শৰণীয়াত এটা ৫ তলাৰ ঘৰ আছে। তেওঁ জলসিঞ্চনৰ এচ, ডি, ও। তেওঁৰ দৰমহা ২ হেজাৰ টকা। গোটেই জীৱৰ চাকৰিৰ টকাৰে ঘৰ

সাজিলেও ৫ তলীয়া ঘৰ এটা নহয়। অকল এয়ে নহয় জালুকবাৰীটো তেওঁৰ চন্দন নামৰ এখন নগৰ আছে। তাত ৫ টা পুখুৰী আছে। যত ৫০।৬০ হেজাৰ টকা খৰচ কৰিছে। ব্ৰহ্মপুত্ৰ দলং পাৰহৈ 'পেট্ৰোল পাম্প'টো এৰি গলে দেখিব তেওঁ দুই তিনিটা টিলাৰ মালিক। গোটেই এৰিয়াটো তেওঁৰ। মই মন্ত্ৰী মহোদয়ক অনু-ৰোধ জনাইছো যাতে এইবোৰ পুনৰাই হব নোৱাৰে। আমাৰ চৰকাৰে এই বিলাক কমাব লাগে।

অধ্যক্ষ মহোদয়, আৰু কিমান কম। মই এতিয়া আৰু এটা ডিভিজনৰ কথা কব বিচাৰিছো। এই ডিভিজনটো চৰকাৰে ১৯৮৪-৮৫ আৰু ১৯৮৫-৮৬ চনৰ বাবে টকা ধাৰ্য্য কৰিছিল। টকাৰ পৰিমাণ আছিল ১ কোটি ৬০ লাখ টকা। অভিযন্তাজনে ইতিমধ্যে চৰকাৰৰ ওচৰত বিল দিছে ১ কোটি ৬ লাখ টকাৰ। আৰু ১ কোটি ৫৮ লাখ টকা বাকী আছে। অৰ্থাৎ ১ কোটি ৫৮ লাখ টকাৰ আকৌ বিল কৰিব। তাৰো আৰু বাকী আছে ২০ লাখ টকা। এজন অভিযন্তাক যেতিয়া ১ কোটি ৬ লাখ টকা দিয়া হল তেতিয়া তেওঁ সেই টকাৰ ভিতৰতে ঘুৰা ফুৰা কৰিব লাগে। তাৰ ওপৰত নহয়। অপ্ৰাসঙ্গিক হলেও মই বান নিয়ন্ত্ৰণ মন্ত্ৰী মহোদয়ৰ ওচৰত আৰু এটা কথা দৃষ্টি গোচৰ কৰিবলৈ বিচাৰিছো। এই সম্পৰ্কত এটা কথা উল্লেখ কৰো যে, যিবিলাক এল, অ, চি যায় তাৰ ওপৰিও এক্সচেচ টকা খৰচ কৰে। যোৰহাটৰ মেকানিকেল অভিযন্তাই ৩৯ লাখ টকা বেচি খৰচ কৰিছে, গোৱালপাৰাৰ অভিযন্তাই ৬লাখ টকা, তেজপুৰৰ অভিযন্তাই ১২ লাখ টকা চৰকাৰী ধন বেচি খৰচ কৰিছে। গতিকে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো এইবিলাক চৰকাৰী ধন, অসমৰ জনসাধাৰণৰ ধন আৰু জনসাধাৰণৰ প্ৰতিতোপাল তেজ এই ধনৰ লগত জৰিত হৈ আছে। এই তেজ লৈ খেলা কৰিব তাক আমি বৰদাস্ত কৰিব নোৱাৰো। আগৰ চৰকাৰৰ চৰিত্ৰ নাই, আমাৰ চৰকাৰৰ চৰিত্ৰ এনে হব নোৱাৰে। মই আমাৰ বান নিয়ন্ত্ৰণ মন্ত্ৰী মহোদয়ক কাতৰে অনুৰোধ কৰিছো যে, অসমৰ দুখীয়া জনসাধাৰণৰ কাৰণে এটা জোৰদাৰ তদন্ত কৰি কোনে কেনেকৈ হাজাৰ হাজাৰ টকা আত্মসাৎ কৰিলে ২০ লাখ টকা, ৪০ লাখ টকা কেনেকৈ বেচিকৈ খৰচ কৰিলে তাৰ এটা তদন্ত কৰাটো আমি বিচাৰিছো। যদি কোনোবা ৰাজনৈতিক নেতাও ইয়াৰ লগত জড়িত আছে তেওঁৰো শাস্তি হোৱাতো আমি বিচাৰিছো। আজি বান নিয়ন্ত্ৰণৰ নামত কেন্দ্ৰীয় চৰকাৰক দোষ দিয়া হৈছে যে, কেন্দ্ৰীয় চৰকাৰে পইচা দিয়া নাই, কিন্তু যি টকা দিলে সেই টকাৰে আজিলৈ কি কাম কৰিলে? মথাউৰি কৰিলে নে ড্ৰেজাৰ দি নদী খান্দিলে নে ঘৈনীৰ নামত মাটি কিনিলেনে নাই ৫ মহলীয়া ঘৰ বনালেনে নাই টিলা কিনিলেনে? আজি আমাৰ যিটো এণ্টিকৰাপচন বিভাগ আছে আজি তেওঁলোকে এইবিলাক নেদেখে। গতিকে এই বিভাগটো শক্তিশালী কৰিব লাগে। মই নিজে গৈ শৰণীয়াৰ ৫ মহলৰ ঘৰ

দেখি আহিছো। আমাৰ ইয়াত যিবিলাক অভিযন্তা আছে সেইবিলাকে কেনেকৈ দৰমহাৰ টকাৰে ইমান ডাঙৰ ঘৰ কৰিছে? এইবিলাক বন্ধ কৰিব লাগিব।

অধ্যক্ষ মহোদয়, বানপানী নিয়ন্ত্ৰণৰ ওপৰত কবলগীয়া বহুতো আছিল যদিও দীঘলীয়া নকৰো। ইমান তথ্য মোৰ হাতত আছে যে, এই সকলোখিনি কবলৈ হলে মোক ১০ ঘন্টা সময় লাগিব। আমাৰ কেইবাজনো অভিযন্তাৰ বেংকৰ একাউন্ট নম্বৰ মোৰ হাতত আছে যিবিলাকে কলিকতা, দিল্লী আদিত টকা ৰাখিছে কিন্তু চি, বি, আই বা এন্টিকৰাপচন আদি বিভাগৰ চকুত এইবিলাক নপৰে। আমি এইবিলাক কথা সদৰি কৰিম। গতিকে আমাৰ এন্টিকৰাপচন বিভাগটো শক্তিশালী কৰিব লাগে।

অধ্যক্ষ মহোদয়, আজি যি কৰ্ত্তন প্ৰস্তাৱ আহিছে মই তাৰ সম্পূৰ্ণ বিৰোধিতা কৰিছো বিৰোধী পক্ষৰ শাসনাধিষ্ট যিসকল আছিল তেওঁলোকৰ এই প্ৰস্তাৱ অনাৰ কোনো নৈতিক অধিকাৰ নাই। কাৰণ বিগত দিনত চৰকাৰৰ কৰাপচনৰ চুৰান্ত ৰূপ পাইছিলগৈ। বাননিয়ন্ত্ৰণ বিভাগৰ অভিযন্তাই ২৫ লাখ টকা ব্ৰাইব লৈ অবৈধ মন্ত্ৰীক দিবলৈ অহা ৰেকৰ্ড আমাৰ হাতত আছে। আগৰ চৰকাৰৰ বান নিয়ন্ত্ৰণ বিভাগ আৰু কেইটামান বিভাগৰ কেইজনমান মাহুহেই সকলোফালে কলংক আনিলে। মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে এইবিলাক কথাৰ প্ৰশ্ৰয় দিয়া নহয়। প্ৰতি পইচাৰে হিচাব অসমৰ জনসাধাৰণক দিব লাগিব। প্ৰকৃতাৰ্থতে আচনিবিলাক বাস্তৱত ৰূপায়িত কৰিব লাগিব। এইখিনিকে কৈ মোৰ বক্তব্য সামৰিলো।

শ্ৰীকুমাৰ দীপক দাস: অধ্যক্ষ মহোদয়, বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে যি পৰিপুৰক দাবী উৎথাপন কৰিছে। সেই দাবীৰ প্ৰতি সমৰ্থন জনাইছো। আৰু যি কৰ্ত্তন প্ৰস্তাৱ বিৰোধী পক্ষই আনিছে তাৰ বিৰোধিতা কৰি মই দু-আষাৰ কবলৈ বিচাৰিছো। অসমৰ বান নিয়ন্ত্ৰণ বিভাগে অসমৰ ৰাইজৰ জাতীয় জীৱন ধংস কৰিছে আৰু জনসাধাৰণক বিৰাট বিপৰ্য্যয়ৰ প্ৰতি ঠেলি দিয়া হৈছে। বানপানীৰ ধ্বংসলীলাই প্ৰতি বছৰে সৃষ্টি কৰা পৰিস্থিতিৰ কথা আমাৰ সকলোৱে জানে। গতিকে বিগত বছৰ কেইটাত অসমৰ জনসাধাৰণে যি চৰকাৰ গঠন কৰিছিল সেই চৰকাৰৰ অৱস্থা অতি পুতৌ লগা।

বিগত বছৰ কেইটাত জনসাধাৰণক প্ৰতিনিধিত্ব কৰি আহি যি সকলে চৰকাৰ গঠন কৰিছিল সেই সকলৰ অৱস্থা এতিয়া পুতৌ লগা হৈছে। তেওঁলোকে জনসাধাৰণক প্ৰতিশ্ৰুতি দিছিল বা প্ৰতিশ্ৰুতি দি আহিছিল যে তেওঁলোকে অসমৰ দুখীয়া জনসাধাৰণৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে, নিৰাপত্তাৰ কাৰণে ইত্যাদি জনকল্যাণমুলক কাম কৰি যাব। কিন্তু কি দেখি আহিছিলো, তেওঁলোকে কেৱল টকা পইচা আত্মসাৎ কৰাৰ কাৰণে, নিজৰ ব্যক্তিগত স্বাৰ্থৰ কাৰণেহে মন থকা দেখা গৈছিল।

অলপ আগতে মোৰ বন্ধু চন্দ্ৰমোহন পাটোৱাৰীয়ে যথেষ্ট খিনি উদাহৰণ ডাঙি ধৰিছে। আজি যদি প্ৰকৃতাৰ্থত অসমত ব্ৰহ্মপুত্ৰ নদী নিয়ন্ত্ৰণ কৰা হলহেতেন তেতিয়াহলে অসমত বানপানীৰ ক্ষেত্ৰত বা জলসিঞ্চনৰ ক্ষেত্ৰত যি বিলাক অসুবিধাৰ সৃষ্টি হৈছে সেই বিলাক নহলহেতেন। আজি যদি ব্ৰহ্মপুত্ৰ নদী নিয়ন্ত্ৰণ কৰা হলহেতেন তেতিয়া-হলে বছৰি বছৰি লাখ লাখ কৌটি কৌটি টকা ব্ৰহ্মপুত্ৰৰ বানত উটি নগলহেতেন। কিন্তু প্ৰকৃততে কি হ'ল। ব্ৰহ্মপুত্ৰৰ বান নিয়ন্ত্ৰণ কৰাৰ কাৰণে বান নিয়ন্ত্ৰণ বিভাগ এটাৰ সৃষ্টি কৰা হৈছিল। আজি ব্ৰহ্মপুত্ৰৰ নদী যেন তেওঁলোকেহে নিয়ন্ত্ৰণ কৰি আছে তাৰ এটা প্ৰতিচ্ছবি আমি দেখিবলৈ পাইছো। আজি ব্ৰহ্মপুত্ৰ নদীত পানী আহিলে কিছুমান অফিচাৰ বা ইঞ্জিনীয়াৰৰ মুখত হাহি বিৰিঙি উঠে। আনফালে আমাৰ দুখীয়া জনসাধাৰণৰ মনত ভয় আৰু শঙ্কাৰ সৃষ্টি হয়। তেওঁলোকে নিজৰ অৱস্থাৰ কথা চিন্তা কৰে, বানপানী আহিলে যে তেওঁলোকৰ অৱস্থা বেয়া হব সেই কথাও তেওঁলোকৰ মনত ভাহি উঠে। আন হাতেদি বানপানী সৃষ্টি হোৱাৰ লগে লগে কিছুমান ইঞ্জিনীয়াৰ বা বিষয়াৰ হাহি বিৰিঙি উঠে আৰু আনন্দত আত্মহাৰা হয় কাৰণ টকা আহিব এনেকুৱা অৱস্থাত অসমত যি বান নিয়ন্ত্ৰণৰ ব্যৱস্থা চলিছে তাক যদি আমি নিয়ন্ত্ৰণ কৰিব নোৱাৰো, চৰকাৰে যদি নিয়ন্ত্ৰণ কৰিব নোৱাৰে, মন্ত্ৰী মহোদয়ে যদি নোৱাৰে তেতিয়াহলে বানপানী নিয়ন্ত্ৰণ কেতিয়াও নহয়। গতিকে প্ৰথমে বান নিয়ন্ত্ৰন কৰাৰ কাৰণে যি সকলক দায়িত্ব দিয়া হৈছে তেওঁলোকক নিয়ন্ত্ৰণ কৰাৰ দায়িত্ব প্ৰথমতে মন্ত্ৰীয়ে লব লাগে আৰু এই দায়িত্ব লোৱাৰ কাৰণে আগুৱাই আহিব লাগে। আজি অসমৰ আৰ্থ সামাজিক উন্নয়নৰ কাৰণে যি পথৰ সৃষ্টি কৰা হৈছে সেই পথক অতিক্ৰম কৰাৰ কাৰণে আমি প্ৰকৃতাৰ্থত বিভিন্ন আচনি লব লাগিব। আজি পৃথিবীৰ বিভিন্ন ডাঙৰ ডাঙৰ নদী নিয়ন্ত্ৰণ কৰা হৈছে। চীন দেশৰ হোয়াংহো নদী নিয়ন্ত্ৰণ কৰা হৈছে আৰু বহুতো নদী নিয়ন্ত্ৰণ কৰাৰ কাৰণে চেষ্টাও চলিছিল। কিন্তু ব্ৰহ্মপুত্ৰ নদীহে নিয়ন্ত্ৰণ কৰিব পৰা নাই। ইয়াৰ কাৰণে ইয়াৰ আগৰ ৩৮ বছৰে যি সকলে চৰকাৰ গঠন কৰিলে, যি সকলে চৰকাৰৰ শাসনভাৰ লৈছিল তেওঁলোকেই নিশ্চয় দায়ী হব। আজি সাধাৰণতে যি অৱস্থাৰ কাৰণে বান নিয়ন্ত্ৰণ বিভাগ সৃষ্টি কৰিছে সেই অৱস্থাৰ কাৰণে আগৰ শাসক দলেই দায়ী। গতিকে এই বিলাকৰ কাৰণে যি সকল দোষী তাৰ এটা তদন্ত কৰিব লাগে আৰু এই বিলাক কিয় ঘাটি আছে এই সকলোবোৰ চালিজাৰি চাই এটা উচ্চ পৰ্য্যায়ৰ তদন্ত হাতত লব লাগিব, তেতিয়া হলে আমি ব্ৰহ্মপুত্ৰ নদী নিয়ন্ত্ৰণ কৰিব পাৰিম আৰু জনসাধাৰণৰ উন্নতিৰ কাৰণে ব্যৱহাৰ কৰিব পাৰিম। আজি মই বিশেষ দীঘলীয়া বক্তব্য ৰাখিব খোজা নাই। আপোনালোকে জানে যে, মোৰ আগৰ বন্ধুৱে মুকালমুৱাত বানপানী প্ৰতিৰোধ কৰা বিষয়লৈ উন্থকিয়াই গৈছে। মুকালমুৱাত যদি বান প্ৰতিৰোধ বা

বানপানী প্ৰতিৰোধৰ ব্যৱস্থা কৰা নহয় তেতিয়াহলে সেই অঞ্চলৰ জনসাধাৰণৰ লগত এই ফালৰ জনসাধাৰণ বিচ্ছিন্ন হৈ যাব অৰ্থাৎ যিটো গুৱাহাটী, হাজো. দৌলাশাল, বৰপেটা ৰাষ্টা আছে সেই পথটো বন্ধ হৈ যাব আৰু বন্ধ হৈ গলে সেই অঞ্চলৰ ৰাইজৰ দুখ কুলাই পাচিয়ে নধৰা হব। গতিকে মুকালমুৱাৰ যিটো বান নিয়ন্ত্ৰণ ব্যৱস্থা সেই বান নিয়ন্ত্ৰণ ব্যৱস্থাৰ কাৰণে উপযুক্ত পৰিকল্পনাৰে কাৰ্য্যকৰী ব্যৱস্থা হাতত লোৱাৰ কাৰণে মোৰ বক্তব্যৰ মাজেৰে মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো আৰু অনুৰোধ জনাইছো বৰপেটাৰ নখাণ্ডা আৰু ধুমাৰকুৰৰ মাজৰ মঠাউৰিটোৰ বান্ধ ভালকৈ বন্ধাৰ ব্যৱস্থা কৰিব লাগে। কাৰণ এই বিষয়ে আজি ৩০ বছৰ ধৰি যুজি আছে, ৩০ বছৰেই মন্ত্ৰী সকলৰ লগত লাগি থকা হৈছে, বিষয়া সকলৰ লগত লাগি থকা হৈছে কিন্তু আজিলৈকে সেই মঠাউৰিৰ বান্ধ হোৱা নাই। কি কাৰণে বান্ধ হোৱা নাই? আজি ৩০ বছৰে সেই অঞ্চলৰ ৰাইজে যুজি থকাৰ পাচত, তাত বহুখিনি বা যথেষ্ট খিনি টকা পইচা নষ্ট হোৱাৰ পাচত, শ শ হাজাৰ হাজাৰ মানুহ ধ্বংসৰ মুখত পতিত হোৱাৰ পাচত তাত বানপানী নিয়ন্ত্ৰণৰ ব্যৱস্থা নললে। গতিকে এই বিষয়ে যাতে সুব্যৱস্থা লোৱা হয় তাৰ কাৰণে মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। আমি সকলোৱে মিলিজুলি অসমৰ জন সাধাৰণৰ মঙ্গলৰ কাৰণে ব্ৰহ্মপুত্ৰৰ বান নিয়ন্ত্ৰণ কৰিব লাগিব। বানপানী অসমলৈ আহে। বানপানীৰ লগত বনজ সম্পদো জড়িত হৈ আছে। বানপানীৰ সময়ত গছ-গছনী কাটি নিশেষ কৰি বনাঞ্চল ধ্বংস কৰা হৈছে, কৌটি কৌটি টকা নষ্ট কৰা হৈছে। গতিকে তাৰ প্ৰতি আমি সচেষ্ট হব লাগিব আৰু সেই কাৰণেই মই কব বিচাৰিছো আমি সকলোৱে মিলিজুলি এই বানপানী নিয়ন্ত্ৰণৰ কাৰণে কি ব্যৱস্থা লব লাগে তাৰ কাৰনে মুকলিমুৰীয়া ভাবে আলোচনা কৰি উপযুক্ত ব্যৱস্থা হাতত লব লাগিব। আজি বিভিন্ন ঠাইত বিভিন্ন প্ৰতিক্ৰীয়াৰ সৃষ্টি হৈছে। ইয়াৰ এটা অধ্যয়ন সৃষ্টি কৰা হ'ল। মাজতে চলিছিল কেইখনমান ড্ৰেজাৰ অনা হৈছে, ব্ৰহ্মপুত্ৰ নদীটো বাম হৈ গৈছে। ব্ৰহ্মপুত্ৰ নদীটো গভীৰ ভাবে খন্দাৰ কাৰণে এই ড্ৰেজাৰ কেইখন অনা হৈছিল। কিন্তু ব্ৰহ্মপুত্ৰ নদী গভীৰ ভাবে খন্দা হল নে নাই তাৰ কোনো তদন্ত নহ'ল। ইয়াৰ নামত কিমান কৌটি টকা আত্মসাৎ কৰা হ'ল তাৰ এটা তদন্ত কৰিব লাগে। আজি বিধান সভাৰ মজিয়াত আমি যিখিনি মন্ত্ৰী মহোদয়ৰ পৰা বিচাৰিছো, যিখিনি তদন্তৰ কথা কৈছো সেই তদন্ত সম্পৰ্কে এইখিনি নিশ্চয় সদনত আশ্বাস দিব আৰু তদন্ত কৰাৰ ব্যৱস্থা কৰিব আৰু এই ব্যৱস্থা কৰি অসমৰ জনসাধাৰণে যি চেষ্টা, যি প্ৰচেষ্টা হাতত লৈছে তাক আমি স্বাগতম হিচাবে লোৱাৰ কাৰণে বিবেচনা কৰিবলৈ অনুৰোধ জনাইছো আৰু মোৰ বক্তব্যৰ ইমানতে সামৰণি মাৰিলো।

শ্ৰীকামাখ্যা চৰণ চৌধুৰী—মাননীয় অধ্যক্ষ মহোদয়, আজি যিটো ৬৩ নং মঞ্জুৰীৰ

বাননিয়ন্ত্ৰণৰ শিতানত ৪২,৮৬,৫২,০০০ টকাৰ দাবী সদনত উঠিছে সেইটোৰ মই সমৰ্থন আগবঢ়াইছো আৰু বিৰোধী পক্ষৰ ফালৰ পৰা যিটো কৰ্ত্তন প্ৰস্তাৱ আগবঢ়াইছে তাৰ মই বিৰোধিতা কৰিছো আৰু লগতে কেইটামান পৰামৰ্শ আগবঢ়াব বিচাৰিছো। পৰামৰ্শ কেইটা হ'ল – বান নিয়ন্ত্ৰণৰ সম্পৰ্কে এই খিনি কথাই কব ওলাইছো যে যোৱা ১৯৫০ চনৰ ভূইকম্প হোৱাৰ পাচত ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ বিলাকে যি ধৰণে ধ্বংস লীলা কৰিলে আৰু তাৰ নিৰাময়ৰ কাৰণে যোৱা ৩৮ বছৰে আগৰ চৰকাৰে যি খিনি কাম কৰিব লাগিছিল সেই খিনি এই বান নিয়ন্ত্ৰণ সম্পৰ্কত কৰা হলে আজিৰ এই অৱস্থা নহ'লহেতেন। মাত্ৰ যি টকা পইচা এই সম্পৰ্কত পাইছিল সেই সকলো খিনি খৰচ কৰি আৰু দুৰ্নীতিত লিপ্ত হৈ অসমৰ ৰাইজক অভাৱগ্ৰস্ত কৰি তুলিলে। উদাহৰণ স্বৰূপে পলাশবাৰী ৰাইজৰ যি অৱস্থা হ'ল তাক বৰ্ণনা কৰি শেষ কৰিব নোৱাৰি। সেইদৰে মোকালমোৱা ডিব্ৰুগড় ইত্যাদি বিভিন্ন ঠাইত ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়াই অসমৰ অৰ্থ নৈতিক অৱস্থা একেবাৰে জুৰুলা কৰি পেলালে। আজি এনে এটা অৱস্থাত অসমৰ বান নিয়ন্ত্ৰণৰ কাৰণে যি পৰিমাণৰ টকা ধৰা হৈছে এই টকাৰে ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ নদীসমূহ নিয়ন্ত্ৰণ কৰাৰ অতি কম হৈছে। ইয়াৰ আগতে বাননিয়ন্ত্ৰণৰ কাৰণে হাজাৰ হাজাৰ কোটি কোটি টকা খৰচ হৈ গ'ল কিন্তু তাৰ কোনো সুফল ৰাইজে নাপালে। সেইকাৰণে মই পৰামৰ্শ আগবঢ়াব বিচাৰিছো যে মাননীয় সদস্য দেব বৰাই কোৱাৰ দৰে এটা নতুন ধৰণৰ বানপানী সম্পৰ্কে এটা আতাইতকৈ উচ্চ ক্ষমতাসম্পন্ন সমিতি গঠন কৰি তাত বানপানী ৰোধ কৰিব পৰা অভিজ্ঞতা থকা বিশেষজ্ঞক মাতি আনি এই বানপানী, ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ নদী-উপনদী সমূহ কেনেকৈ নিয়ন্ত্ৰণ কৰিব পাৰি তাৰ এটা ব্যৱস্থা কৰাৰ কাৰণে চিন্তা কৰিব লাগে। আৰু ভাৰত চৰকাৰৰ অধীনত যিটো ব্ৰহ্মপুত্ৰ বোৰ্ড হৈছে আৰু ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণ বিভাগ আছে তাক একেটা কৰি আৰু তাৰ ওপৰত এটা কমিটি কৰি ভাৰত চৰকাৰৰ পৰা যাতে এই বাননিয়ন্ত্ৰণৰ কাৰণে সম্পূৰ্ণ টকা আনিব পাৰি আৰু ভাৰত চৰকাৰে যাতে এই খৰচ সম্পূৰ্ণ বহন কৰে তাৰ কাৰণে আমাৰ নতুন চৰকাৰে ভাৰত চৰকাৰৰ লগত যোগাযোগ কৰিব লাগে। আৱশ্যক হলে ভাৰতবৰ্ষৰেই নহয় অন্য ঠাইৰ পৰা যেনে চীন ইত্যাদিৰ পৰা বিশেষজ্ঞক মাতি আনি এই সমস্যাৰ এটা চিৰদিনীয়া সমাধান কৰিব পাৰে তাৰ দিহা কৰিব লাগে। কিয়নো যোৱা ১৯৪৭ চনৰে পৰা আমি দেখিছো এই বান পানীৰ সমস্যাৰ ওৰ নপৰিল। গতিকেই মই আপোনাৰ জৰীয়তে বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যাতে অতি সোনকালে এই উচ্চ পৰ্য্যায়ৰ কমিটি এটা গঠন কৰি এক্সপাৰ্টৰ দ্বাৰা ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ নদী উপনদী সমূহ নিয়ন্ত্ৰণ কৰাৰ ব্যৱস্থা কৰে। এইটো নকলেওঁ হব যে এই বানপানী নিয়ন্ত্ৰণ কৰিব নোৱাৰিলে জলসিঞ্চন, বিদ্যুৎ ইত্যাদিৰ সমস্যা সমাধান হব নোৱাৰে। ইৰিগেশ্যনৰো কোনো ব্যৱস্থা কৰিব পৰা নাই।

ইৰিগেশ্যনৰ ব্যৱস্থা যি খিনি দৰকাৰ সেই খিনি কৰিব লাগে। আমাৰ হাজো সমষ্টিত আৰু বামুনদিয়াত বাননিয়ন্ত্ৰণৰ ক্ষেত্ৰত যিটো অসুবিধা পাইছো সেই বিষয়ে মই দুটামান পৰামৰ্শ আগবঢ়াব বিচাৰিছো। ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়া তাত হৈছে ইতি-মধ্যে তাত এখন আঁচনি আছিল সেই আঁচনি খন কাৰ্য্যকৰি তোলাৰ কাৰণে খৰতকীয়া ব্যৱস্থা লব লাগে নহলে কেইদিনমানৰ ভিতৰতে বিপদৰ সন্মুখীন হব লাগিব। দ্বিতীয়তে হাতীমোৰা আৰু আদাবাৰী অঞ্চলত থকা মঠাউৰী ভাঙি গৈছে আৰু ব্ৰহ্মপুত্ৰৰ পাৰ খহিছে, গতিকে তাত অতি সোনকালে স্পাৰ দিয়াৰ ব্যৱস্থা কৰিব লাগে। মোৰ ওচৰৰ জালুকবাৰীতো গড়াখহনীয়াই ক্ষতি সাধন কৰিব আৰু মোকালমোৱাতো কোনো ব্যৱস্থা নহল গতিকে এই ক্ষেত্ৰত খৰটকীয়া ব্যৱস্থা কৰিব লাগে। নহলে আমি ৰাইজক যি প্ৰতিশ্ৰুতি দি আহিছো তাৰ সন্মুখীন হব লাগিব অকল বাননিয়ন্ত্ৰণৰ ক্ষেত্ৰতেই নহয় ইয়াৰ বাহিৰেও আন আন অঞ্চলত যিবিলাক ঠাইত গড়াখহনীয়াৰ প্ৰকোপ বেচি সেইবিলাকত বৰ্ত্তমান সমস্যালৈ চাই হ্ৰস্বম্যাদী ব্যৱস্থা কৰিব লাগে আৰু দীৰ্ঘম্যাদীৰ যি ব্যৱস্থা উচ্চ ক্ষমতা সম্পন্ন কমিটি গঠন কৰি বিশেষজ্ঞৰ দ্বাৰা পৰীক্ষা নিৰিক্ষা কৰাই এটা চিৰকলীয়া সমাধান উদ্ভাৱন কৰি বান নিয়ন্ত্ৰন আৰু গড়াখহনীয়া ৰোধ কৰাৰ ব্যৱস্থা হাতত লব লাগে। মই আগতেই কৈ আহিছো যে আমি এই ভয়াবহ বানপানী সমস্যাৰ পৰা যোৱা ১৯৫০ চনৰ পৰা জুৰুলা হৈ আহিছো, গতিকেই মই এইটো ব্যৱস্থা কৰিবলৈ অনুৰোধ জনালো। বহুতে বহু কথাই কৈ গ'ল মই আৰু পুনৰ দোহাৰিব নোখোজো, এই খিনিকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) :—

মাননীয় অধ্যক্ষ মহোদয়, বাননিয়ন্ত্ৰণ বিভাগৰ বাৰ্ষিক মঞ্জুৰীৰ ওপৰত কৰ্ত্তন প্ৰস্তাৱ তুলি মাননীয় সদস্য সকলে বিভিন্ন সমালোচনা আৰু পৰামৰ্শ আগবঢ়াইছে। সেই সকলোবিলাক প্ৰশ্নৰ উত্তৰ দিবলৈ সময় খুব কম। কাৰণ ৫ বজাৰ লগে লগেই আমি এই মঞ্জুৰীটো গ্ৰহণ কৰিব লাগিব। দ্বিতীয়তে অতি কম সময়ৰ ভিতৰতেই যাতে আপোনালোকৰ প্ৰশ্নৰ উত্তৰ দিব পাৰো তাৰ বাবে চেষ্টা কৰিছো। আপোনালোকৰ সমালোচনা আৰু আলোচনাৰ মাজেদি এই কথা মই উপলব্ধি কৰিছো যে বানপানী সমস্যাটো সকলো সমস্যাতকৈ উচ্চত। আৰু অসমৰ সকলোবোৰ সমস্যা বানপানী সমস্যাই নাশ কৰিছে। বানপানী সমস্যা সমাধান নকৰাকৈ অসমত কোনো আচনিয়েই যে কাৰ্য্যকৰী কৰিব পৰা নেযাব এই কথা আলোচনা আৰু সমালোচনাৰ মাজেদি মই উপলব্ধি কৰিছো। এতিয়া বহুত ধৰণৰ আলোচনা কৰিছে, সমালোচনা কৰিছে যে আমাৰ বিভাগত একেবাৰে কাম হোৱা নাই বা বিভাগটোৱে কাম কৰিব পৰা নাই। অৱশ্যে এইটো শতকৰা এশভাগ যে সত্য সেইটো নহয়। আমাৰ

বিভাগত যিথিনি কৰিব লাগে তাৰে পৰা খিনি কৰিছে। কিন্তু যেনেকৈ কৰিব লাগিছিল সেইখিনি কৰিব পৰা নাই। কৰিব নোৱাৰাৰ কাৰণও আছে। বানপানী নিয়ন্ত্ৰণ কৰাৰ কাৰণে আমি যিমানখিনি টকা বাৰ্ষিক মঞ্জুৰী বিচাৰিব লাগিছিল সেই-খিনি বিচৰা হোৱা নাই। বহুতো মাননীয় সদস্যই এনেকৈও কৈছে যে এই বিভাগক বহুতো পইচা দিব লাগে। মুঠতে বানপানী নিয়ন্ত্ৰণৰ কাৰণে যিমানখিনি পইচাৰ প্ৰয়োজন সিমানখিনি পোৱা নাই। বহুতো সদস্যই কৈছে দিল্লীলৈ যাব লাগে, আলোচনা কৰিব লাগে আৰু পইচা আনিব লাগে। এই গোটেইখিনি পইচা যে ভাল কামত খৰচ কৰিছে সেইটো মই অস্বীকাৰ কৰিব নোখোজো। দুৰ্নীতি দুৰ কৰিবৰ কাৰণে আমাৰ চৰকাৰে আগতেই কৈছে। অকল বাননিয়ন্ত্ৰণ বা জলসিঞ্চন বিভাগতেই নহয় সকলো বিভাগতেই দুৰ্নীতি বন্ধ কৰাৰ কাৰণে কঠোৰ ব্যৱস্থা লোৱা হব। এই সিদ্ধান্তৰ পৰা বাননিয়ন্ত্ৰণ বিভাগ বাদ দিয়া হোৱা নাই। তাৰ মাজেদিয়েই সীমিত টকা পইচাৰে আমি যিথিনি কৰিব পাৰিছো তাৰ দ্বাৰা আমাৰ বিভাগটোৱে এতিয়ালৈকে কৰিছে—ব্ৰহ্মপুত্ৰ উপত্যকাৰ মঠাউৰি বান্ধ নিৰ্ম্মাণৰ কাম হৈছে ৯৩৫ কিলোমিটাৰ, আকৌ মঠাউৰি দিব পাৰিছে ২৫।৪ কিলোমিটাৰ আৰু নলা নৰ্দ্দমাৰ কাম কৰিছে ৫০৩ কিলোমিটাৰ আৰু খহনীয়া প্ৰতিৰোধ কৰিবৰ কাৰণে, টাউন আদি প্ৰতিৰোধ কৰিবৰ কাৰণে কাম কৰা হৈছে ৩০৬ কিলোমিটাৰ, প্ৰকৃততে পানীযোগান আদিৰ কাৰণে শ্লুইচ গেট ৫০ টা আৰু তাৰ পৰা উপকৃত হৈছে ১৩'৪৮ হেক্টৰ অঞ্চল। তাত ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়া ৰোধ কৰিবৰ কাৰণে কেইবাটাও আচনি কেন্দ্ৰলৈ আমি পঠাইছো। তাৰে মাত্ৰ এটা আচনি কেন্দ্ৰই সন্মতি জনাইছিল আৰু তাৰ কামও চলি আছে। তাৰ নাম হ'ল পলাশবাৰী গুমি বান নিয়ন্ত্ৰণ আচনি। ইয়াৰ ধনৰ পৰিমাণ হ'ল ১২'৯০ কৌটি টকা। ইতিমধ্যে আৰু কেইবাটাও প্ৰকল্প কেন্দ্ৰীয় চৰকাৰৰ ওচৰলৈ পঠিওৱা হৈছে আৰু সেইবোৰ তেওঁলোকৰ বিবেচনাধীন হৈ আছে। এই প্ৰকল্পবোৰৰ নাম হৈছে বোকাখাট কাজিৰঙা প্ৰতিৰোধ আচনি, মুকালমুৱাৰ আচনি, ফকিৰগঞ্জ, শিৱসাগৰ, ডিব্ৰুগড় টাউন, দেউৰীঘাট, গামেৰীঘাট প্ৰতিৰোধ আচনি। এই আচনি বিলাক কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাখিল কৰা হৈছে। এইবিলাক কেন্দ্ৰীয় চৰকাৰৰ বিবেচনাধীন হৈ আছে। তাৰ পাচত বৰাক উপত্যকাত মঠাউৰি হৈছে ২৬ কিলোমিটাৰ, নৰ্দ্দমা নলাৰ কাম হৈছে ২৪৫ কিলোমিটাৰ আৰু গড়াখহনীয়া প্ৰতিৰোধ আচনি ৬৬ টা। এই আচনিৰ দ্বাৰা সেই অঞ্চলৰ ১'৯৬ লাখ হেক্টৰ মাটিত খেতি কৰি উপকৃত হৈছে। গতিকে মই আপোনালোকৰ আগত যিথিনি পঢ়ি শুনালো সেই খিনিয়েই যথেষ্ট নহয় বুলি মই ভাবো। আমাৰ কেইবাজনো মাননীয় সদস্যই সমালোচনা কৰিছে আৰু পৰামৰ্শ আগবঢ়াইছে যে এই বিষয়টোৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ ওচৰলৈ আমাৰ মানুহ যাব লাগে, সেই কথাটো ময়ো চিন্তা কৰিছো আৰু আমাৰ গণ পৰিষদৰ চৰকাৰ গঠন হোৱাৰ আগেয়ে এই বিষয়টো লৈ গভীৰ

ভাবে চিন্তা কৰিছিলো আৰু কেইবা ঠাইতো আলোচনা কৰিছিলো। আমি চৰকাৰ গঠন কৰাৰ পিচতেই এই বিষয়টোৱে আলোচনাৰ আগভাগ পায় আৰু শেষত সিদ্ধান্ত লোৱা হল যে বাননিয়ন্ত্রণ মন্ত্রী নিজে দিল্লীলৈ যাব লাগে আৰু তাত গৈ এই বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰিব লাগে। ময়ো সেই সিদ্ধান্তই লৈছো, এই বিধান সভা শেষ হোৱাৰ পিচতেই দিল্লীলৈ গৈ ৱাটাৰ ৰিচোৰ্চ মন্ত্রী শ্ৰীভি, শঙ্কৰানন্দৰ লগত আলোচনা কৰিম। তেওঁৰ লগত আলোচনা কৰি আমি কিমান পইচা পাম সেইটো মই এতিয়াই কব নোৱাৰো, কিন্তু মই পাৰ্য্যমানে চেষ্টা কৰিম কেন্দ্ৰক হেচঁা দি অসমৰ বানপানী সমস্যা কেনেকৈ সমাধান কৰিব পাৰি।

অধ্যক্ষ মহোদয়, আমাৰ কেইজনমান সদস্যই এটা কথা কৈছে যে বাননিয়ন্ত্ৰণৰ ক্ষেত্ৰত চৰকাৰে হেনো বিজ্ঞানসন্মত আচনি হাতত লোৱা নাই। বান নিয়ন্ত্ৰণৰ ক্ষেত্ৰত আমি কোটি কোটি টকা খৰচ কৰিছো, সেইবোৰ অথলে গৈছে। সেই কাৰণে এক কোটি টকা খৰচ কৰি হলেও উপযুক্ত বৈজ্ঞানিক আনিব লাগে আৰু বিজ্ঞানসন্মত আচনি হাতত লব লাগে। সেই ক্ষেত্ৰত মই কওঁ যে ব্ৰহ্মপুত্ৰ নদীৰ বান নিয়ন্ত্ৰণৰ কাৰণে বিজ্ঞান সন্মত আচনি আৰু পৰিকল্পনা নোলোৱা নহয়। এই নদীখনৰ বান নিয়ন্ত্ৰণৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে ব্ৰহ্মপুত্ৰ বোৰ্ড গঠন কৰি দিছে। এই বোৰ্ডৰ সকলো বিলাক সদস্যই কেন্দ্ৰীয় চৰকাৰে নিয়োগ কৰে। কেইবাজনো সদস্যই ইয়াৰ বাবে এখন মাষ্টাৰ প্লেন তৈয়াৰ কৰাৰ কথাও কৈছে। মই সদনক জনাব খোজো যে কেন্দ্ৰীয় চৰকাৰে যিখন বোৰ্ড গঠন কৰি দিছে, তেওঁলোকে এই বিষয়টো অনুসন্ধান কৰি মাষ্টাৰ প্লেন কৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত প্ৰতিবেদন দাখিল কৰিছে। কেন্দ্ৰীয় চৰকাৰে এই বিষয়ত কি সিদ্ধান্ত লয় সেই কথাটো মই এতিয়াই আপোনা-লোকৰ আগত কব নোৱাৰিম। মই আশা কৰিছো কেন্দ্ৰীয় চৰকাৰে এই বিষয়টো মনোযোগ সহকাৰে বিবেচনা কৰি তাৰ ব্যৱস্থা হাতত লব। ইয়াৰ বাহিৰেও দুগ-ৰাকীমান সদস্যই প্ৰশ্ন কৰিছে যে সোৱনশিৰি আৰু দিহাং প্ৰজেক্টৰ কি হল ? এই ক্ষেত্ৰত মই কব খুজিছো যে—সোৱণশিৰি আৰু দিহাং আচনি কেইটা আমাৰ বান নিয়ন্ত্ৰণ বিভাগৰ অধীনত নাই। এইটো কেন্দ্ৰীয় চৰকাৰে গঠন কৰি দিয়া ব্ৰহ্মপুত্ৰ বোৰ্ডৰহে অধীনত। কেইবাজনো সদস্যই আপত্তি কৰিছে যে এই ক্ষেত্ৰত ইনভেষ্টি-গেচনহে হৈ আছে কিন্তু তাৰ দ্বাৰা একো কাম হোৱা নাই। সেইটো মিছা কথা। ব্ৰহ্মপুত্ৰ বোৰ্ডে সোৱণশিৰি আৰু দিহাং আচনি কেইটা লব লাগে বুলি প্ৰতিবেদন দাখিল কৰিছে। এই প্ৰতিবেদনৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰিব বুলি আমি আশা কৰিছো। কিন্তু এইখিনিতে মই এটা কথা কৈ থওঁ যে এই আচনি দুটা কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত অৰুণাচল চৰকাৰে আপত্তি কৰিছে। তেওঁলোকে কৈছে যে এইটো কৰিবলৈ হলে তেওঁলোকৰ বহুতো টাউন, গাওঁ আৰু মাটি নষ্ট হব। এই আচনি

কেইটা যদি আমি কাৰ্য্যকৰি কৰিব পাৰো তেনেহলে ব্ৰহ্মপুত্ৰৰ পানী কমেও দুই মিটাৰ তললৈ যাব অৰ্থাৎ বানপানীৰ প্ৰকোপ বহু পৰিমাণে কমি যাব।

অধ্যক্ষ মহোদয়, মই বহুতো কথাৰে উত্তৰ দিব লাগিছিল, কিন্তু সময় কম হোৱাৰ কাৰণে মই ছুটি কৰিব লগা হৈছে। এই সদনৰ বহু সংখ্যক সদস্যই নানা ধৰণৰ দুৰ্নীতিৰ কথা উত্থাপন কৰিছে। মই যোৱা কালিয়েই কৈছো আৰু আজিও আমাৰ মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই এটা কথা কৈছে যে ব্যক্তিগত সম্পত্তিৰ জন্ম হোৱাৰ লগে লগেই দুৰ্নীতিৰো জন্ম হয়। সেইটো সঁচা কথা। আমি দুৰ্নীতি শেষ কৰিম বুলি যিমানবোৰ কথা কৈছো তেখেতে তাতকৈ কমকৈ কবলৈ আমাক উদ্গনিয়াই দিছে। তেখেত সকলে যিয়েই নকওক কিয় আমি দূৰ্নীতি নিৰ্ম্মূল কৰাৰ ক্ষেত্ৰত কোনো চেষ্টাৰ ক্ৰুটি কৰা নহব। এই ক্ষেত্ৰত কেইজনমান দুৰ্নীতিত লিপ্ত থকা বিষয়াৰ নামো মোৰ দৃষ্টি গোচৰ কৰিছে। তেওঁলোকৰ নামবোৰ মই এতিয়া উল্লেখ নকৰো, কিন্তু অনুসন্ধান কৰি বিহিত ব্যৱস্থা হাতত লম। দুগৰাকী-মান সদস্যই কৈছে যে বান নিয়ন্ত্ৰণ বিভাগৰ কাৰ্য্যালয়বোৰ নদীৰ পাৰলৈ নিব লাগে আৰু তেতিয়াহে এই বিভাগৰ বিষয়া সকলে বানপানীৰ আচল ৰূপটো দেখিবলৈ পাব আৰু প্ৰতিকাৰৰ ব্যৱস্থা হাতত লওতে সুবিধা হব। এই কথাষাৰ সম্পূৰ্ণৰূপে মানি লবলৈ টান পাইছো। চান্দমাৰীৰ পৰা ইয়াৰ ঘাই অফিচটো মাজুলিলৈ লৈ গলেই যে সমস্যা সমাধান হব সেইটো নহয়। শ্ৰীহেমেন দাস ডাঙৰীয়াই বৰাক উপত্যকাত এই বিভাগৰ দুৰ্নীতিৰ কথা কৈছে। এই বিষয়ত তদন্ত হৈ আছে আৰু সেই দোষত দোষী বিষয়া সকলৰ বিৰুদ্ধে ডিপাৰ্টমেণ্টেল প্ৰচিডিংচ ড্ৰ কৰা হৈছে। তেখেতে আৰু এটা কথা কৈছে যে ট্ৰাকৰ নাম দি স্কুটাৰবোৰে শিল যোগান ধৰা হৈছে। এই বিষয়টো সদস্য গৰাকীয়ে কোৱাৰ আগেয়ে মই গম পাইছো আৰু ইয়াৰ ব্যৱস্থা নিশ্চয় আমি হাতত লম। কেইজনমান সদস্যই সকলো দলৰে সদস্য লগ হৈ দিল্লীলৈ গৈ কেন্দ্ৰীয় চৰকাৰক অসমৰ বানপানী নিয়ন্ত্ৰণৰ কাৰণে অধিক পইচা আদায় কৰিবলৈ হেচা দিয়াৰ কথা কৈছে। এইখিনিতে মই কওঁ যে আমাৰ আগৰ চৰকাৰেও এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰক বৰকৈ হেঁচা দিছিল আৰু সময়ে সময়ে চিঠিও লিখিছিল। আগৰ মন্ত্ৰী সভাখনৰ মুখ্যমন্ত্ৰী জনে কেইবাবাৰো কেন্দ্ৰীয় জলসিঞ্চন মন্ত্ৰীলৈ চিঠি লিখিছিল—সেইবোৰ মই এতিয়া ফাইলত পাইছো কিন্তু তাৰে এখন চিঠিৰ উত্তৰ কেন্দ্ৰীয় চৰকাৰে এনেদৰে দিছিল—ৰাজ্য চৰকাৰে যিখিনি আচনি হাতত লৈছে সেই আচনিবোৰৰ দ্বাৰা যিসকললোক উপকৃত হয় তেওঁলোকৰ পৰাহে পইচা আদায় কৰিবলৈ উপদেশ দিছিল।

সকলো দলৰ প্ৰতিনিধি লৈ বান নিয়ন্ত্ৰণৰ সমস্যাৰ কথা কবলৈ আৰু টকাৰ কথা কবলৈ আমি যাম। তাৰ পিচত আৰু বহু কথা কবলগীয়া আছিল কিন্তু

সময় যথেষ্ট কম। আমাৰ মাননীয় সদস্য শ্ৰীস্বৰূপ উপাধ্যায় ডাঙৰীয়াই কৰ্ত্তন প্ৰস্তাৱ আৰম্ভ কৰি কৈছিল যে গাংমৌ থানখনৰ প্ৰতিৰক্ষা কৰিব লাগে এইটো মই অনুসন্ধান কৰি ব্যৱস্থা লম। আমাৰ শিক্ষামন্ত্ৰী শ্ৰীবৃন্দাবন গোস্বামীয়ে এই বিষয়ে মোক ইতিমধ্যে উদ্ধৃকিয়াইছে। শ্বেখ আব্দুল হামিদ ডাঙৰীয়াইও হাদিবাচকীলৈ মঠাউৰি দিয়াৰ কথা কৈছিল মই এই বিষয়ে অনুসন্ধান কৰিম। শ্ৰীচৰণ নাৰ্জাৰী, শ্ৰীনৰেন তাঁতী, দেব কুমাৰ বৰা. শ্ৰীবিনয় কুমাৰ বসুমতাৰী, শ্ৰীআমিনুল ইচলাম, শ্ৰীহেমেন দাস, শ্ৰীঅভিজিত শৰ্ম্মা, শ্ৰীপবিন ডেকা, জোৎস্না সোনোৱাল আৰু বহুতো। শ্ৰীচন্দ্ৰ মোহন পাটাৱাৰী, আব্দুল জেলিল, কুমাৰ দীপক দাস, কামাখ্যা চৌধুৰী সকলোৱে এই সমস্যা বিলাকৰ বিষয়ে কৈছে। সকলোৰে কথা মই শুনিছো আৰু লিখি ৰাখিছোঁ। যদিও সকলোবোৰৰে উত্তৰ মই দিব পৰা নাই, মই এই সকলো বোৰ চাম। শ্ৰীজোৎস্না সোনোৱালে শদিয়াৰ কথা কৈছে, এইটোত মই গুৰুত্ব দিছোঁ। এই ঠাইখন ব্ৰহ্মপুত্ৰৰ নিচেই ওচৰতে আছে আৰু মই নিজেই দেখিছো ইয়াৰ অৱস্থা অতি বেয়া। সেয়ে মই চাম বুলি কৈছো। মাজুলীৰ প্ৰতিনিধি জনে ইয়াত কথা কব নোৱাৰে কাৰণ তেওঁ এজন ৰাজ্যিক মন্ত্ৰী। মই মাজুলীৰ ক্ষেত্ৰতো বেছি গুৰুত্ব দিছোঁ আৰু শদিয়াৰ ক্ষেত্ৰতো বেছি গুৰুত্ব দিয়া হব। আৰু কিছুমানে কৈছিল যেনে মুকালমুৱা আৰু মইনবৰী এই গোটেই বিলাক কথা মই চাম। ঘড়ীৰ কাটা গৈ আছে সেই কাৰণে সকলোবোৰ কথা এতিয়া মই ইয়াত কব নোৱাৰো। পানীয়ে খেতি বাতি নষ্ট কৰে বুলি বহুতে কৈছে, বানপানী কেনেকৈ নিয়ন্ত্ৰণ কৰিব পৰা যায় সেই বিষয়ে মই চিন্তা নকৰাকৈ থকা নাই। এই বিভাগৰ দায়িত্ব লোৱাৰ লগে লগেই মই এই বিলাক চিন্তা কৰিছো। আমাৰ শ্ৰীদেব কুমাৰ বৰাই কোনোবা এজন বিশেষজ্ঞই কিবা এখন কিতাপ লিখাৰ কথা কৈছে বান নিয়ন্ত্ৰণৰ বিষয়ৰ ওপৰত। সেই কিতাপখন মই কিনি আনি পঢ়িছো, এতিয়াও শেষ হোৱা নাই পঢ়িয়েই আছো।

এজন মাননীয় সদস্যই কৈছে যে বান নিয়ন্ত্ৰণ মন্ত্ৰী হবলৈ বহুতে ইচ্ছা কৰে। ইয়াত বোলে বহুতো সুবিধা আছে। এই বিভাগৰ মন্ত্ৰী হবলৈ মোৰ ব্যক্তিগতভাৱে ইচ্ছা নাছিল, আমাৰ দলৰ নেতা, মুখ্যমন্ত্ৰী মহোদয়ে এই দায়িত্ব দিছে আৰু সেয়ে এই দায়িত্ব মই গ্ৰহণ কৰিছো। যি দায়িত্বই দিয়ে মই তাকে গ্ৰহণ কৰিম। ইয়াত মোৰ কোনো ইন্টাৰেষ্ট নাই। মই জানো বানপানীৰ সময়ত মানুহে মোৰ নাম লৈয়েই থাকিব, গালি শপনি পাৰিব, আৰু তুমাহৰ পাছত এই গালি শপনি আৰম্ভ হবই। সেয়ে মই মাথো চাইছো কেনেকৈ এই টকাখিনি ভালদৰে খৰছ কৰিব পৰা যায়। কিছুমান অভিযোগৰ ক্ষেত্ৰত যিবিলাক তদন্তৰ কথা কৈছে সেই বিলাক তদন্ত কৰি মই যদি শাস্তি দিবলগীয়া হয় কাৰোবাক তেন্তে দিম। লগত যি বিলাক

দূর্নীতিৰ কথা কৈছে সেই বিলাকৰ প্ৰতি গভীৰ দৃষ্টি নিক্ষেপ কৰিম আৰু প্ৰয়োজন সাপেক্ষে কঠোৰ ব্যৱস্থা লম। ব্ৰহ্মপুত্ৰৰ উপনৈ সমূহৰ ওপৰত গুৰুত্ব দিব লাগে বুলি কৈছে, নিশ্চয় দিম। ব্ৰহ্মপুত্ৰৰ দায়িত্ব ব্ৰহ্মপুত্ৰ বৰ্ডে লৈছে গতিকে উপনৈ সমূহৰ ওপৰত আমি গুৰুত্ব দিব লাগিব। ইয়াত উপনদীও বহুত প্ৰায় ৭৪ খনমান আছে, আমি যিমান পাৰো এই বিষয়টো চাম। সময় যথেষ্ট কম কাৰণে কবলগীয়া বহুখিনি আছিল যদিও কব নোৱাৰিলো, তথাপি আংশিকভাৱে, সম্পূৰ্ণভাৱে নহলেও সদস্য সকলে উত্তৰ পাইছে। মই আৰু বেছি নকওঁ পাচ বাজিবলৈ পাচ মিনিট আছে, মই মাননীয় সদস্য সকলক কালিও কৈছো যে যদিও সদস্য সকলে কৰ্ত্তন প্ৰস্তাৱ উৎথাপন কৰিছে তেখেতসকলে বিশেষকৈ উপাধ্যায় ডাঙৰীয়াই কৈছে যে পইচা কমোৱাতো আচল উদ্দেশ্য নহয়, উদ্দেশ্য সমালোচনা কৰাটোহে। সেই কাৰণেই মই আশা কৰিছো যে এই কৰ্ত্তন প্ৰস্তাৱ প্ৰত্যাহাৰ কৰিব পৰা অৱস্থা আমি পাইছোহি। যিখিনিৰ উত্তৰ পোনপোটীয়াকৈ দিব পৰা নহলগৈ সেইখিনিৰ বাবে ব্যক্তিগতভাৱে মোৰ ওচৰলৈ আহিলে মই দিম।

সেইকাৰণেই কৈছোঁ আমাৰ সদনৰ অধ্যক্ষ মহোদয়ে কৰ্ত্তন প্ৰস্তাৱ প্ৰত্যাহ্বান কৰিব নে নকৰে বুলি সোধাৰ লগে লগে ই যেন কৰ্ত্তন প্ৰস্তাৱ প্ৰত্যাহাৰ কৰি আমাৰ বাননিয়ন্ত্ৰণ বিভাগক উপকৃত কৰিব বুলি মই আশা ৰাখিছো।

মাননীয় অধ্যক্ষ :—শ্ৰীস্বৰূপ উপ্যাধ্যায় ডাঙৰীয়াই কৰ্ত্তন প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিবনে ?

শ্ৰীস্বৰূপ উপধ্যায় :—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যি ধৰণে কৈছে তাৰ পিচত আৰু প্ৰত্যাহাৰ নকৰাকৈ থাকিব নোৱাৰি। মই প্ৰত্যাহাৰ কৰিছোঁ। কিন্তু এইখিনিতে মই এটা কথাৰ প্ৰতি দৃষ্টি গোচৰ কৰিব বিচাৰিছোঁ যে ১৯৮৩ চনৰ নিৰ্ব্বাচনক ভাৰতৰ উচ্চতম ন্যায়লয়েও ন্যায়সংগত বুলি কৈছে আৰু বৈধ বুলি কৈছে। তেনে ক্ষেত্ৰত ভাৰতৰ উচ্চতম ন্যায়লয়ৰ বুদ্ধিমত্তাৰ ওপৰত সন্দেহ প্ৰকাশ কৰি কথা কোৱাত আমি মাননীয় বিধায়ক আৰু মন্ত্ৰী মহোদয় সকলক এই ক্ষেত্ৰত অলপ সচেতন হোৱাৰ বাবে আপোনাৰ জৰিয়তে দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছোঁ।

Mr. Speaker :—Is it the pleasure of the House to grant leave to withdraw the cut motion ? ( voices : Yes, Yes). The cut motion is withdrawn.

মাননীয় সদস্য শ্ৰীআব্দুল হামিদে তেখেতৰ কৰ্ত্তন প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিবনে ?

শ্বেখআব্দুল হামিদ :—অধ্যক্ষ মহোদয়, মই কৰ্ত্তন প্ৰস্তাৱটো আনিছিলো এই কাৰণেই যে অসমৰ বানপানীৰ পৰিপ্ৰেক্ষিতত বানপানীৰ সমস্যাসমূহ অনুধাবন কৰি হোৱাংহে', মিছিছিপি আদি নদী সমূহ—

মাননীয় অধ্যক্ষ :—আপুনি মোৰ প্ৰশ্নটোৰ উত্তৰ দিয়ক কৰ্ত্তন প্ৰস্তাৱ প্ৰত্যাহাৰ কৰিছেনে নাই ?

শেখ আব্দুল হামিদ :—মই মোৰ প্ৰশ্নৰ উত্তৰ পোৱা নাই সেই কাৰণেই কৰ্ত্তন প্ৰস্তাৱ উঠাই লব নোৱাৰো।

মাননীয় অধ্যক্ষ :—এতিয়া প্ৰস্তাৱটো হল যে বাজেট মঞ্জুৰী দাবীৰ দ্বিতীয় খণ্ডৰ দশম অংশৰ ১-২৮ পৃঃত থকা 'বান নিয়ন্ত্ৰণ' শিতানত ৬৩ নং মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা দাবীৰ সমগ্ৰ ৪২, ৮৬, ৪২,০০০ টকাৰ পৰা ১০০ টকা হ্ৰাস কৰা হওক অৰ্থাৎ সমুদায় মঞ্জুৰীৰ ৪২, ৮৬, ৪২,০০০ টকা ১০০ টকাৰে হ্ৰাস কৰা হওক।

( The motion is lost )

এতিয়া মূল প্ৰস্তাৱটো হল বাজেট মঞ্জুৰী দাবীৰ দ্বিতীয় খণ্ডৰ দশম অংশৰ ১-২৮ পৃঃ থকা 'বান নিয়ন্ত্ৰণ' শিতানৰ ৬৩ নং মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা দাবীৰ সমগ্ৰ টকা ৪২, ৮৬, ৪২,০০০ টকা ভাৰপ্ৰাপ্ত মন্ত্ৰীক মঞ্জুৰ কৰা হওক।

( The Motion is adopted )

শ্ৰীসুৰেণ মেধি (মন্ত্ৰী) :—মাননীয় অধ্যক্ষ মহোদয়, অলপ আগতে মাননীয় সদস্য স্বৰূপ উপাধ্যায় ডাঙৰীয়াই কৈছিল যে ১৯৮৩ চনত যি নিৰ্ব্বাচন হৈছিল উচ্চ ন্যায়লয়ে সেই নিৰ্ব্বাচন বৈধ বুলি কোৱা নাই। অবৈধ বৈধ একো কোৱা নাই। জাজমেণ্টত এই ক্ষেত্ৰত চুপ্ৰিম কোৰ্টত বৈধ বুলি কোৱা নাই। তেওঁলোকে কৈছিল বৈধ নে অবৈধ এই বিষয়ে আমি সিদ্ধান্ত কৰিম।

## CALLING ATTENTION

মাননীয় অধ্যক্ষ —এতিয়া ৩ নং কাৰ্য্যসূচী

Shri Zoii Nath Sarma—Mr. Speaker, Sir, I beg to call the attention of the Minister, Education, under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in the 'DAINIK ASOM' dated 7th February, 1986 under the caption. "ডিব্ৰুগড় বিশ্ববিদ্যালয়ত ২ লাখ টকাৰ কেলেংকাৰী হোৱাৰ অভিযোগ"।

শ্ৰীবৃন্দাবন গোস্বামী ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্ম্মাদেৱৰ উত্তৰত মই কওঁ যে—ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পঞ্জীয়নৰ লগত যোগাযোগ কৰাৰ পাচত জনা গল যে—"বি ফাৰ্ম্মা" কলেজৰ এজন প্ৰবক্তাই ৰাসায়নিক দ্ৰব্য

আৰু সা-সজুলি কিনোতে কিছু অনিয়ম কৰিছে। সম্পূৰ্ণ টকাৰ পৰিমাণ এতিয়াও জনা হোৱা নাই। নতুনকৈ নিয়োজিত হোৱা অধ্যাপকৰ (Reader) প্ৰতিবেদনৰ পৰা বিষয়টো বিশ্ববিদ্যালয় কৰ্ত্তৃপক্ষৰ দৃষ্টিগোচৰ হয়। উপাচাৰ্য্যই তেতিয়া ডিব্ৰুগড় বিশ্ব-বিদ্যালয়ৰ দুজন অধ্যাপক ডঃ ইনামুল হক আৰু ডঃ কমল বৰুৱাকলৈ এখন তদন্ত কমিটি পাতি দিয়ে। জনা গৈছে যে তদন্ত কমিটিয়ে ইতিমধ্যে প্ৰতিবেদন উপচাৰ্য্যৰ ওচৰত দাখিল কৰিছে। কিন্তু উপাচাৰ্য্য অসুস্থতাৰ কাৰণে ছুটিত থকাত বিষটোৰ ওপৰত চুড়ান্ত সিদ্ধান্ত লব পৰা নাই।

বিশ্ববিদ্যালয়ৰ কাৰ্য্যবাহী পৰিষদক সোনকালে এই বিষয়টো আলোচনা কৰি চুড়ান্ত সিদ্ধান্ত লব বুলি জনা গৈছে।

## MATTER UNDER RULE 301

মাননীয় অধ্যক্ষ : এতিয়া ৪ নম্বৰ কাৰ্য্যসূচী।

শ্ৰীজয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, মই বাতৰি এটা বিভাগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। এই বাতৰিত কেইটামান অভিযোগ সন্নি-বিষ্ট কৰা হৈছে। এই বাতৰিত থকা অভিযোগ সমূহ থ্‌লমূলকৈ কব বিচাৰিছো :

ৰাজ্যিক পৰিবহন নিগমৰ লোকচান প্ৰায় ১৮ কোটি টকাৰ সীমা পাৰ হৈ গৈছে। নিগমৰ মাহিলী ১ কোটি ৫ লাখ টকা আয় হয় আৰু খৰছ হয় ১ কোটি ৩৫ লাখ টকা। ১৯৮৬ চনৰ জানুৱাৰী মাহলৈকে প্ৰায় ৩০ লাখ টকা লোকচান প্ৰতি মাহে ভৰিব লগীয়া হৈছে। এই অভিযোগ সচা নে মিছা ? যদি সচা হয় ইয়াৰ কি ব্যৱস্থা লোৱা হৈছে ?

কৰ্ম্মচাৰী সকলে মৰগীয়া বানচ ১৯৮৪ চনৰ পৰা পোৱা নাই। এই শিতানত বাকী পৰি থকা টকাৰ পৰিমাণ প্ৰায় ৭০ লাখ টকা হব। এই নিগমৰ কৰ্ম্মচাৰী অনুকুল কাকতি তেজপুৰত পুলিচৰ গুলীত মৃত্যু হৈছিল। মৃতকৰ পৰিয়ালে পাবলগীয়া ক্ষতিপুৰণ পোৱা নাই। আন্দোলনত নিগমৰ কৰ্ম্মচাৰীৰ দৰমহা কৰ্ত্তন কৰা হৈছিল। সেই দৰমহা কৰ্ম্মচাৰী সকলক পৰিশোধ কৰা নাই। এই নিগমৰ কৰ্ম্মচাৰী অনুকুল কাকতিৰ পৰিয়ালক পাব লগীয়া সাহায্য নিম্ন পৰ্য্যায়ত দিছে বুলি অভিযোগ উঠিছে। মটৰ পৰিবহন আইন মতে নিগমৰ কৰ্ম্মচাৰী সকলে বছৰি এযোৰকৈ খাকী কাপোৰ, জোতা, পানী কোট আদি পাব লাগে। কিন্তু নিয়মিত ভাবে পোৱা নাই। এই নিগমে কৰ্ম্মচাৰী সকলক সুবিধা দিয়া নাই।

কৰ্ম্মচাৰী সকলৰ দৰমহাৰ পৰা প্ৰভিডেন্ট ফাণ্ডৰ নামত টকা কাটি ৰখা হয়। কিন্তু এই টকা প্ৰভিডেন্ট ফাণ্ডত জমা দিয়া নাই। নিগমে প্ৰায় ৩ কোটি টকা এই ফাণ্ডত জমা নিদিয়াকৈ ৰাখি থৈছে। ১৯৮২ চনৰ পৰা ইয়াৰ হিচাবেই নাই।

নিগমৰ বহুত ষ্টেচনত বৰষুণ আহিলেই যাত্ৰীসকলৰ আলৈ-আথৈ হয় বুলি অভিযোগ আহিছে। বহুত ষ্টেচনত বৰষুণ হলেই অৱস্থা শোচনীয় হয়, কিয়? গতিকে ষ্টেচনৰ উন্নতিৰ কাৰণে নিগমে কি ব্যৱস্থা কৰিব।

প্ৰাইভেট গাড়ী সমূহক অধে মধে পাৰমিট দিয়া আৰু পাৰমিট নোহোৱাকৈ গাড়ী চলিছে। অবৈধভাৱে মুঠতে ডেৰ হাজাৰখন গাড়ী চলি আছে। এই ক্ষেত্ৰত কি ব্যৱস্থা লোৱা হব।

নিগমৰ বিষয়াসকলৰ সংখ্যা অধিক হৈছে। বিষয়া সকলক কেতবোৰ সুবিধা দিয়া হয়। এই বিষয়াসকলক বিনামূলীয়াকৈ পেট্ৰল দিয়া হয়।এই গাড়ী বিলাকৰ কাৰণে যি পেট্ৰোল খৰছ হয় নিগমৰ ফালৰ পৰা খৰছ হয়। তাৰ কোনো হিচাব নাই।

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে বাতৰি কৈছে নে প্ৰশ্ন কৰিছে?

শ্ৰীজয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, মই কিছুমান বাতৰিত থকা অভিযোগ দৃষ্টিগোচৰ কৰিছো। ১৯৭১ চনত এই নিগমে ১৬ লাখ টকাৰ বেডফৰ্ড গাড়ীৰ পাৰ্টচ কিনিছিল। কিন্তু বেডফৰ্ড গাড়ীয়েই নাই। এই পাৰ্টচবোৰ এতিয়াও পৰি আছে।

এই নিগমৰ সৰ্ব্বমুঠ ৭৯২ খন গাড়ী আৰু কৰ্ম্মচাৰী প্ৰায় ৭ হেজাৰ। এই নিগমত অনিয়মিতভাবে কৰ্ম্মচাৰী সকলক মকৰল কৰিছিল আৰু এতিয়াও কৰি আছে। মই এই বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব খোজো যে উদাহৰণ স্বৰূপে গুৱাহাটীৰ ডেপুটী জেনেৰেল মেনেজাৰ, চিটি চাৰ্ভিচয়ে এ, এচ, টিচি। দি, জি, এম। চি, এচ,। ই, ষ্টা ৭।৮৪।১৯৫-৯৭ তাৰিখ ২২।৩।৮৬ চিঠিৰ মৰ্ম্মে মকৰল কৰিছে।

এই বিষয়ত নিগমত এখন বোৰ্ড গঠন কৰি তৎকালীন ভাবে বিহিত ব্যৱস্থা লব বুলি মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো।

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (পৰিবহন মন্ত্ৰী) :

১৯ মাৰ্চ্চ ১৯৮৬ চনৰ অগ্ৰদূত কাকতত ৰাজ্যিক পৰিবহন নিগম এতিয়া তলি ফুটা নাওঁ। শীৰ্ষক প্ৰকাশিত বাতৰিটোৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ হৈছে। মাননীয় সদস্য গৰাকীয়ে এই বাতৰিটোৰ প্ৰতি সদনৰ দৃষ্টি আকৰ্ষণ কৰিছে। উল্লেখ কৰিব

পাৰি যে অলপতে ৰাজ্যিক পৰিবহন নিগমৰ কৰ্ম্মচাৰী সন্থাৰ তৰফৰ পৰা মুখ্যমন্ত্ৰীৰ ওচৰত এখন স্মাৰক পত্ৰ দিয়া হৈছিল। এই স্মাৰক পত্ৰত উল্লেখিত বিষয় সমূহেই ঘাইকৈ বাতৰিটোত প্ৰকাশ পাইছে। কিন্তু বাতৰিটো এনেধৰণেৰে উৎথাপিত হৈছে যে কাকত পত্ৰত উল্লেখ কৰা অৰ্থৰ সলনি কোনো ক্ষেত্ৰত আন অৰ্থহে প্ৰকাশ পাইছে। আৰু অৰ্থ কিছু পৰিমাণে বিকৃত হৈ পৰিছে। এই ক্ষেত্ৰত আয় ব্যয়ৰ ব্যৱধান সম্পৰ্কে প্ৰকাশ পোৱা কথাকেই বিশেষভাৱে উল্লেখ কৰিব পাৰি। কৰ্ম্মচাৰী সকলৰ প্ৰতিবেদনত বৰ্ত্তমানৰ মূল্য বৃদ্ধিৰ হাৰত বাছৰ ভাড়াৰ নিৰিখ যে কম সেইকথা বুজাবলৈহে কোৱা হৈছে যে বৰ্ত্তমান হাৰত নিগমৰ ৫০ চিটৰ এখন বাছৰ পৰা সম্পুৰ্ণ ভাড়া আদায় হলেও কিলো মিটাৰ প্ৰতি আয় হয় ৪·২৫ টকা। কিন্তু ৰাজ্যিক পৰিবহন নিগমৰ দৰে যি কোনো যাত্ৰীবাহী বাছ চলোৱা এটি প্ৰতিষ্ঠানৰ বৰ্ত্তমান মূল্য বৃদ্ধিৰ হাৰত প্ৰতি কিলো মিটাৰত খৰছ পৰে ৪·৬০ টকা। সেয়েহে নিগমৰ আয় আৰু ব্যয়ৰ ভিতৰত ব্যৱধান হৈছে। এই ব্যৱধান যাতে আতৰ কৰিব পাৰি তাৰ বাবে কৰ্মচাৰী সন্থাৰ তৰফৰ পৰা ঘাইকৈ তিনিটা পৰামৰ্শ আগবঢ়াইছে। যাত্ৰীৰ ভাৰা মূল্য বৃদ্ধিৰ লগত সমতা ৰাখি নিৰ্ণয় হব লাগে। নাইবা চৰকাৰে আন আন ৰাজ্যিক পৰিবহন নিগমৰ দৰে অৰ্থসাহায্য আগবঢ়াব লাগে। লগতে বেচৰকাৰী বাছ সমূহ ৰাষ্ট্ৰীয়কৃত পথত অবাধভাৱে চলোৱাৰ ওপৰত বাধা আৰোপ কৰিবলৈ কোৱা হৈছে যাতে নিগমৰ আয়ৰ ক্ষতিসাধন হব নোৱাৰে। এনে আয় আৰু ব্যয়ৰ ভিতৰত হোৱা ব্যৱধানৰ ফলত নিগমৰ কেনে সমস্যা হৈছে আৰু কৰ্মচাৰীসকলেও যে তেওঁলোকৰ পাবলগীয়া সা-সুবিধাৰ পৰা বঞ্চিত হৈছে সেই কথা উল্লেখ কৰা হৈছে। কৰ্মচাৰীসকলে মৰগীয়া বানচ আদিৰ ক্ষেত্ৰত বাকী পৰি থকা নিগমৰ পৰা পাবলগীয়া ধনৰ পৰিমাণ ৭০ লাখ বুলি উল্লেখ কৰিছে।

বাতৰিটোত প্ৰকাশ পোৱাৰ দৰে নিগমে এই সমস্যাবোৰ সম্পৰ্কে চৰকাৰৰ দৃষ্টি আকৰ্ষণ নকৰাকৈ থকা নাই। নিগমে মূল্য বৃদ্ধিৰ লগত সমতা ৰাখি বাছৰ ভাৰা নিৰ্দ্ধাৰণ কৰা আৰু বে-চৰকাৰী বাছসমূহক ৰাষ্ট্ৰীয়কৃত পথত সমান্তৰাল ভাবে চলিবলৈ নিদিবৰ বাবে চৰকাৰলৈ আবেদন কৰিছে। চৰকাৰে ৰাষ্ট্ৰীয়কৃত পথত বে-চৰকাৰী বাছৰ অবাধ প্ৰচলনৰ ওপৰত ইতিমধ্যে বাধা আৰোপ কৰিছে আৰু এই সম্পৰ্কত চৰকাৰৰ নীতি ঘোষণা কৰিছে। মূল্য বৃদ্ধিৰ লগত সমতা ৰাখি বাছৰ ভাৰা নিৰূপন কৰাৰ প্ৰয়োজনয়তাৰ কথা নুই কৰিব নোৱাৰি। মাননীয় সদস্য সকলে নিশ্চয় মন কৰিছে যে অলপতে পেট্ৰোল জাতীয় সামগ্ৰীৰ মূল্য বৃদ্ধিৰ লগে লগে ৰেল আৰু উৰা জাহাজৰ ভাৰা বৃদ্ধি পাইছে। পশ্চিম বংগৰ বিধান সভাত মুখ্যমন্ত্ৰীয়ে পশ্চিম বংগত বাছৰ ভাৰা বৃদ্ধিৰ কথা ঘোষণা কৰিছে। ইতিমধ্যে নতুন দিল্লী পৰিবহন নিগমৰ বাছ ভাৰা বৃদ্ধিৰ কথাও ঘোষণা কৰা হৈছে। পশ্চিম বংগত নতুন ভাৰা প্ৰৱৰ্ত্তিত

হলে কলিকতাত চিটি বাছৰ ন্যূনতম ভাৰা হব ৬০ পইচা। তাৰ ঠাইত গুৱাহাটী চহৰত চিটি বাছৰ ন্যূনতম ভাৰা হল মাত্ৰ ৩০ পইচা। যি কি নহওক নিগমৰ আয় আৰু ব্যয়ৰ মাজত পাৰ্থক্য যাতে হ্ৰাস হয় তাৰ বাবে চেষ্টা কৰা হৈছে। উল্লেখ কৰিব পাৰি যে যোৱা ডিচেম্বৰ মাহলৈকে কাকতত প্ৰকাশ পোৱাৰ দৰেই নিগমৰ মাহিলী আয় ১০৫ লাখ বা তাতকৈয়ো কম আছিল। কিন্তু জানুৱাৰীমাহৰ পৰা আয় বৃদ্ধি পাইছে। নিগমে অধিক সংখ্যক গাড়ী পথত দিব পাৰিছে আৰু বে-চৰকাৰী বাছৰ লগত অসুস্থ প্ৰতিযোগিতা কিছু পৰিমানে বন্ধ হৈছে। সেয়েহে আয় বৃদ্ধিত সহায় হৈছে। জানুৱাৰী মাহত মুঠ আয় হয় ১১৬ লাখ টকা আৰু ফেব্ৰুৱাৰী মাহত (২৮ দিন) আয় ১১২ লাখ টকা। মাৰ্চ মাহৰ প্ৰথম ১০ দিনত আয় হৈছে প্ৰায় ৪৫ লাখ টকা। বৰ্ত্তমানৰ হাৰত আয় থাকিলে মাৰ্চ মাহত ১২০ পৰা ১২৫ লাখ টকা আয় হ'ব। আৰু সেয়ে হলে আয় আৰু ব্যয়ৰ মাজত থকা ব্যৱধান কিছু হ্ৰাস হ'ব। ৰাজ্যিক পৰিবহন নিগমে বিভিন্ন চৰকাৰী বিভাগৰ পৰা প্ৰায় ১৮০ লাখ টকা পাবলৈ আছে। এই টকা আংশিক ভাবে হলেও যাতে নিগমে শীঘ্ৰেই পায় তাৰ বাবে আমি যত্ন কৰিছো। নিগমৰ আৰ্থিক ক্ষেত্ৰত হোৱা ঘাটি পূৰণৰ পৰিকল্পনা আয়োগৰ লগত হোৱা আলোচনা অনুক্ৰমে ১৯৮৫-৮৬ চনৰ বাজেটত ১০৬ লাখ টকা ধৰা হৈছিল আৰু ইতিমধ্যে ৫০ লাখ টকা দিয়া হৈছে। নিগমৰ আৰ্থিক দিশটো টনকিয়াল কৰিবলৈ প্ৰয়োজনীয় ব্যৱস্থা লোৱা হৈছে।

মাননীয় সদস্য গৰাকীয়ে কৰ্মচাৰী সকলৰ মৰগীয়া বানচ আদিৰ ক্ষেত্ৰত পাবলগীয়া টকাৰ কথা উল্লেখ কৰিছে। এই সম্পৰ্কে সদনক জনাব খোজো যে চৰকাৰে ১৯৮৩ চনত নতুন দৰ্মহাৰ নিৰিখ আৰু সময়ে সময়ে অতিৰিক্ত মৰগীয়া বানচ আৰু চিকিৎসাৰ বানচৰ বাবে ১৯৮৫ চনৰ ডিচেম্বৰ মাহলৈকে পাবলগীয়া মুঠ টকাৰ পৰিমাণ হ'ল ২৪৩·১০ লাখ টকা। দুই কোটিৰো অধিক এই টকা নিগমে একেলগে আদায় কৰিব পৰা নাছিল। কিন্তু ১৯৮৫ চনৰ ডিচেম্বৰলৈকে ১ কোটি ৯২ লাখ টকা দিয়া হৈছে। ইয়াৰোপৰি মাৰ্চ্চ মাহৰ দৰ্মহাৰ লগত বৰ্দ্ধিত হাৰত দিবলগীয়া মৰগীয়া বানচ দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ইয়াৰ পিচতো বাকী পৰি থকা টকাৰ বাবদ প্ৰায় ৬০ লাখ টকা কৰ্মচাৰী সকলে পাবলগীয়া থাকিব। কৰ্মচাৰী সকলৰ প্ৰতিনিধি সকলৰ লগত বিভাগীয় মন্ত্ৰী হিচাপে ময়ো আলোচনা কৰিছিলো। আৰু যিমান সোনকালে পৰা হয় এই টকা আদায় দিবলৈ আমি যত্ন কৰিছো।

বাতৰিটোত বিদেশী আন্দোলনৰ সময়ত কামৰ পৰা অনুপস্থিত থকা কালছোৱাত দৰ্মহা কৰ্মচাৰীসকলক দিয়া হোৱা নাই বুলি কোৱা হৈছে। কিন্তু উল্লেখ কৰিব পাৰি যে কেৱল বঙাইগাওঁ আৰু উত্তৰ লক্ষীমপুৰ সংমণ্ডলৰ কৰ্মীসকলৰ বাহিৰে বাকী আটাইবোৰ কৰ্মচাৰীকে অনুপস্থিতি থকা কালছোৱাৰ দৰ্মহা দিয়া হৈছে।

নিগমৰ কৰ্মচাৰীসকলক ইতিমধ্যে গৰম কাপোৰ দিবলৈ ব্যৱস্থা কৰা হৈছে। আৰু একাংশ কৰ্মীয়ে ইতিমধ্যে কাপোৰ পাইছে। কৰ্মচাৰীৰ ভৱিশ্যনিধিৰ শিতানত এতিয়ালৈকে ১ কোটি ৮৯ লাখ টকা জমা হৈছে। এই শিতানত বাকী পৰা ধন আদায় দিবলৈ ব্যৱস্থা হাতত লোৱা হৈছে।

তিনচুকীয়া, মাৰ্ঘেৰিটা, গুৱাহাটী উলুবাৰী আদিৰ কাৰখানাৰ কাম কৰা পৰিবেশৰ উন্নতিৰ প্ৰয়োজনীয়তাৰ কথাও উল্লেখ কৰা হৈছে। এই সম্পৰ্কে মই সদনত জনাব খোজো যে গুৱাহাটীৰ উলুবাৰী আৰু তিনচুকীয়াৰ কাৰখানাৰ উন্নতিৰ বাবে ইতিমধ্যে ব্যৱস্থা লোৱা হৈছে।

বাতৰিটোৰ আৰু উল্লেখ কৰা হৈছে যে নিগমৰ কথাত চলা প্ৰতিখন বাছৰ গড় আয় ৬০০্ টকা। কিন্তু এই কথা সঠিক নহয়। নিগমৰ পথত চলা প্ৰতিখন বাছৰ গড়ে আয় হ'ল ৭৫০্ টকা। অৱশ্যে গুৱাহাটী চিটি বাছৰ আয় হ'ল গড়ে ৫৮০ টকা। একোখন চিটি বাছ মাত্ৰ ১৬০ কিলো মিটাৰহে দিনে চলিব পাৰে। গতিকে চিটি বাছৰ আয় কিছু কম।

নিগমে Industrial Development Bank ৰ পৰা লোৱা ঋণৰ কথাও বাতৰিটোত উল্লেখ আছে। এই কথা সচা যে ১৯৮৫ চনত নিগমে Industrial Development Bank ৰ জৰিয়তে ২৮৭ লাখ টকাৰে ৭৪ খন নতুন বাছ কিনিছে। এই টকাৰ সুতৰ হাৰ শতকৰা ১০.৫৮% ভাগ। এই নতুন বাছ সমূহৰ গড়ে আয় প্ৰায় ৯০০ টকা হব। ইয়াৰে ১৮ খন বাছ প্ৰাকৃতিক গেচ আয়োগক দিয়া হৈছে আৰু তাৰ বাবদ প্ৰাকৃতিক গেচ আয়োগৰ পৰা প্ৰায় ১ কোটি টকা বছৰেকত পোৱা হ'ব। গতিকে নিগমে এই বাছ সমূহৰ পৰা আৰ্জিত ধনৰ পৰা Industrial Development Bank ৰ ঋণ মাৰিব পাৰিব বুলি আশা কৰিব পাৰি।

ধন্যবাদ—

শ্ৰীজয় নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, মই আলোচনাৰ কাৰণে যিটো অভিযোগ আনিছো, সেইটোত 'পাব্লিক' ইম্পৰটেঞ্চ' আছে। বিষয়া সকলে যি গাড়ী চলায় সেই গাড়ীৰ পেট্ৰোল নিগমৰ ভৰালৰ পৰা লয়। তেওঁলোকে টি, এ ও পায়। গতিকে, চৰকাৰী ভৰালৰ পেট্ৰোল কিয় খৰচ কৰিব লাগে। এই দুটা অভিযোগৰ বিভাগীয় মন্ত্ৰীয়ে বিহিত ব্যৱস্থা লব লাগে।

শ্ৰীললিত ৰাজখোৱা (মন্ত্ৰী) : এইটো বিবেচনা কৰি চাব পৰা হব। মই বাতৰি কাকতৰ বাতৰিটো খুউব পঢ়িছো। কিন্তু এটা কথা বুজি নাপালো। নিগমৰ যিটো

লোকচান হৈছে সেইটো পুৰণ কৰাৰ কাৰণে আমি চেষ্টা ৰাখিছো। মই বহুত ঠাইত ভ্ৰমণ কৰিছো আৰু বিষয়া সকলক লগধৰি কৈছো যে আগতে যি হ'ল হ'ল এতিয়া আপোনালোকে ভাল ধৰণেৰে পৰিচালনা কৰিব যাতে ৰাইজৰ সেৱা কৰিব পৰা হয়; কাৰণ এইটো ৰাইজৰ প্ৰতিস্থান লোকচান যাতে ভৰিব লগা নহয়। ডি, টি ও, ডিভিজনেল মেনেজাৰ, আৰু জেনেৰেল মেনেজাৰ সকলক মাতি আনি কৈছো। কিন্তু পেপাৰখনত এইটো কথাও লিখা হলে মই ভাল পালোহেতেন যে আমাৰ দিনত ৯১৬ লাখ টকা আয় হৈছে। মাৰ্চৰ ১০ দিনলৈ ২৫ লাখ টকা আৰু ২০ দিনত ১২৫ লাখ টকা আয় বৃদ্ধি হব। বাতৰিকাকত খনত লিখিছে—"ৰাজ্যিক পৰিবহন নিগম এতিয়া তলি ফুটা নাও" ইয়াৰ পৰিবৰ্ত্তে যদি এইবাৰ জানুৱাৰী মাহৰ ৮০ লাখ টকা পৰিবহন নিগমে আয় বৃদ্ধি কৰিছে এই কথা থাকিলহেতেন তেনেহলে ভাল পালোহেতেন আৰু বাতৰিকাকতখনে ধুনীয়াকৈ স্বাৰ্থ ৰক্ষা কৰিছে বুলি মানি ললোহেতেন। মাননীয় সদস্য জয়নাথ শৰ্ম্মাই যি খিনি কথা কৈছে, আমি সেইখিনি মনোযোগেৰে চাম।

শ্ৰীজয়নাথ শৰ্ম্মা: নিয়োগৰ কথাটো মন্ত্ৰী মহোদয়ে মন কৰিব লাগিব।

## STATEMENT BY MINISTER

শ্ৰীভৃগু কুমাৰ ফুকন—মাননীয় অধ্যক্ষ মহোদয়, ইৰাজী ২৪।৩।৮৬ তাৰিখে শ্ৰীমাখুৰা ৰাম বড়োৱে তুলসীবাৰী আৰক্ষী চকীত এখন অভিযোগ নামা দাখিল কৰে। এই নামাত কোৱা হয় যে তেওঁৰ কন্যা শ্ৰীমতী উৰ্ম্মিলা বড়োক যোৱা ২১।২।৮৬ তাৰিখে মৰাণ গাৱৰ শ্ৰীচুভান আলিৰ পুত্ৰ শ্ৰীচেকেন্দৰ আলিয়ে বলপূৰ্ব্বক হৰণ কৰি লৈ যায়। এই সংক্ৰান্তত ৰঙিয়া আৰক্ষি থানাত ভাৰতীয় দন্দবিধি ৩৬৬ (ক) অনুসৰী এটি গোচৰ পঞ্জীভুক্ত কৰা হয়। এই গোচৰৰ সংক্ৰান্তত আৰক্ষী লোকে মঙ্গলদৈ, ঢেকীয়াজুলী আদিত ছোৱালীজনীৰ সুংসুত্ৰ বিচাৰে। ঘোৰামৰা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াকো নলবাৰী জিলাৰ বিভিন্ন ঠাইত ছোৱালী জনী আৰু অপহৰণকাৰীক বিচাৰি চাবলৈ নিৰ্দ্দেশ দিয়া হয়। কিন্তু এতিয়ালৈকে ছোৱালীজনী আৰু অপহৰণকাৰীক কাকোয়ে বিচাৰি উলিয়াব পৰা নাই। এই সংক্ৰান্তত এই ঘটনাতোৰ অভিসন্ধিমূলক বুলি সন্দেহ কৰা ৰঙিয়াৰ নাওখালি গাৱৰ মৃত দয়া বড়োৰ পুত্ৰ শ্ৰীখগেন বড়োক আৰু নলবাৰী জিলাৰ ঘগ্ৰাপাৰৰ মঃ চোভান আলিৰ পুত্ৰ মঃ মোচলেম উদ্দিন আহমেদক গ্ৰেপ্তাৰ কৰি কাছাৰীলৈ প্ৰেৰণ কৰা হয়। দোষী ব্যক্তি শ্ৰীচেকেন্দৰ আলি আৰু ছোৱালী জনীক এতিয়াও পলাতক অৱস্থাত আছে আৰু আৰক্ষীলোকে বিচাৰি উলিয়াবৰ বাবে চেষ্টা চলাই আছে। এই অপহৰণকাৰী জনক কাবায়ত্ব কৰিবৰ বাবে আৰক্ষীলোকক কঠোৰ নিৰ্দ্দেশ দিয়া হৈছে।

Mr. Speaker : Now I read out the report of the Business Advisory Committee.

Under Rule 230 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I called a meeting of the Business Advisory Committee at 12-30 P.M to-day in my Chamber. The meeting after discussion decided that on 29th March, 1986 Government Bills will be introduced after passing of the Assam Appropration Bill, 1986 and on 31st March, 1986 after the Government Business are disposed of, if time permits, the Private Members' Special Motions which were earlier fixed on 1st April, 1986 will be taken up.

I hope this has the approval of the House.

এতিয়া সদন ২৯।৩।৮৬ তাৰিখৰ পুৱা ১০ বজালৈ স্থগিত।

## ADJOURNMENT

The House then rose and stood adjourned till 10 A.M. on 29th March, 1986.

Dr. P. N. Hazarika
Secretary
Legislative Assembly, Assam

Dispur
Dated the 25st March, 1986